www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নীৰৱতা হ'ল জীৱনৰ এক অমূল্য বস্তু, যাৰ ভিতৰত বহু বস্তুৱে জন্মলাভ কৰে - থমাছ কাৰ্লাইল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ২৯০ ▫ দেওবাৰ ▫ ৩০ আগষ্ট, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 290 ▫ Sunday ▫ 30th August, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page-8

▪ কলিকতা, গুৱাহাটী, শিলিগুৰি নিলাম কেন্দ্ৰত ১৭ শতাংশ পৰ্যন্ত হ্ৰাস চাহৰ দাম ▪

# সংকটৰ দিশে অসম-বংগৰ চাহ উদ্যোগ

## উৎপাদন ব্যাহত হোৱাত শংকিত ভাৰতীয় চাহ সন্থা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** প্ৰাকৃতিক দুৰ্যোগ, কীট-পতংগৰ উপদ্ৰৱ আৰু ধাৰাবাহিকভাৱে নিলামৰ মূল্য হ্ৰাস পোৱাৰ ফলত অসম আৰু পশ্চিম বংগৰ ঐতিহাসিক চাহ উদ্যোগ সম্প্ৰতি এক ভয়াৱহ সংকটৰ সন্মুখীন হৈছে। উত্তৰ ভাৰতীয় চাহ উদ্যোগৰ শেহতীয়া পৰিসংখ্যাই উদ্যোগটোৰ এই অস্বস্তিকৰ অৱস্থাৰ প্ৰতিফলন ঘটোৱা বুলি শুকুৰবাৰে ভাৰতীয় চাহ সন্থাই প্ৰকাশ কৰে। ভাৰতীয় চাহ সন্থাৰ সভানেত্ৰী শৈলজা মেহতাই এক আনুষ্ঠানিক বিবৃতিত উল্লেখ কৰা মতে, যোৱা পাঁচ-ছয় সপ্তাহ ধৰি নিলাম কেন্দ্ৰসমূহত চাহৰ মূল্য ক্ৰমাগতভাৱে হ্ৰাস পাইছে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বিক্ৰী বিশ্লেষণ প্ৰকাশ কৰি তেওঁ জনায় যে উত্তৰ ভাৰতৰ তিনিটা প্ৰধান নিলাম ▫ ৬ পৃষ্ঠাত

## মানকাচৰ সীমান্তত১৫০টা গৰুসহ বিএছএফৰ হাতত আটক এজন

### সীমান্ত সুৰক্ষা আৰু স্থানীয় আৰক্ষীৰ ভূমিকাৰ প্ৰতি গুৰুতৰ প্ৰশ্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত পশুধনৰ চোৰাং সৰবৰাহ ৰোধ কৰাত বিএছএফে সাফল্য লাভ কৰাৰ বিপৰীতে সমগ্ৰ বিষয়টোক লৈ স্থান প্ৰশাসন তথা আৰক্ষীৰ ভূমিকাৰ প্ৰতি তীব্ৰ প্ৰশ্ন উত্থাপিত হৈছে। শনিবাৰে পুৱতি নিশা জিলাখনৰ নতুন ▫ ৬ পৃষ্ঠাত

## শিক্ষকৰ বেতন মডিউল আৰু প্ৰাপ্যক লৈ উত্তপ্ত চানমাৰি

### ১৫,০২৯ গৰাকী শিক্ষকৰ মৰ্যাদা সুৰক্ষাৰ দাবী অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ দৰমহা প্ৰদানৰ নৱতম পদ্ধতি আৰু দীৰ্ঘদিনীয়া বঞ্চনাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী। সমগ্ৰ ৰাজ্যৰ প্ৰায় ১৫,০২৯ গৰাকী বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিয়মীয়া হোৱা প্ৰাথমিক শিক্ষকৰ দৰমহা তথা মৰ্যাদা ▫ ৬ পৃষ্ঠাত

## ১৯ ছেপ্টেম্বৰত 'জুবিন দিৱস' আৰু ৫ নৱেম্বৰত 'ভূপেন্দ্ৰ দিৱস'ৰ চৰকাৰী বন্ধ ঘোষণাৰ দাবী অখিল গগৈ

### কংগ্ৰেছক সমৰ্থনৰ প্ৰশ্নই নুঠে, বিজেপিক ঘৃণা কৰোঁ ঃ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপট উত্তপ্ত হৈ পৰাৰ সময়তে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে নিজৰ স্পষ্ট স্থিতি ব্যক্ত কৰিছে। সোণাপুৰত উপস্থিত হৈ বিধায়ক গগৈয়ে স্পষ্ট কৰি দিয়ে যে তেওঁলোকৰ দলে বিজেপিক ঘৃণা কৰে আৰু একে সময়তে বৰ্তমানৰ পৰিস্থিতিত কংগ্ৰেছকো সমৰ্থন জনাবলৈ মানসিকভাৱে সাজু নহয়। ইয়াৰ উপৰি এআইইউডিএফক এক সাম্প্ৰদায়িক ▫ ৬ পৃষ্ঠাত

## ডুমডুমাৰ ব্যৱসায়ীলৈ সন্দেহযুক্ত আলফা (স্বাধীন)ৰ ধন দাবী-পত্ৰ

### ব্যৱসায়ীৰ মাজত আতংক; আৰক্ষী প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ আহ্বান



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলৰ ১০গৰাকীকৈ ব্যৱসায়ীয়ে সন্দেহযুক্ত আলফা (স্বাধীন)ৰ ধন দাবী পত্ৰ লাভ কৰাৰ পাছত এতিয়া ব্যৱসায়ীসকলৰ মাজত উদ্বেগ আৰু আতংকৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, স্বাধীনতা দিৱসৰ প্ৰাক্-সন্ধ্যা ১৪ আগষ্টত প্ৰেৰণ কৰা কৰা উক্ত ধন দাবী পত্ৰখনত আলফা (স্বাধীন)ৰ বিত্ত সম্পাদক লেঃ জেনেৰেল ▫ ৬ পৃষ্ঠাত

## জুবিন গাৰ্গ হত্যা গোচৰ ঃ ফাষ্টট্ৰেক আদালতত সাক্ষ্য দিলে সৃজনী ভাস্ব মহন্তই

### সামাজিক মাধ্যমৰ প'ষ্ট সন্দৰ্ভত আদালতক বিৱৰণ প্ৰদান ঃ ১২ অক্টোবৰলৈ কাৰাগাৰতে থাকিব লাগিব মূল অভিযুক্ত শ্যামকানু মহন্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ আগষ্ট ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়া বিশেষ ফাষ্টট্ৰেক আদালতত ক্ষিপ্ৰতাৰে চলি আছে। শনিবাৰে এই গোচৰৰ সন্দৰ্ভত প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ কন্যা তথা অভিযুক্ত শ্যামকানু মহন্তৰ ভতিজী সৃজনী ভাস্ব মহন্তই আদালতত হাজিৰ হৈ নিজৰ ▫ ৬ পৃষ্ঠাত

লাহৰীঘাট থানাত এজাহাৰ দাখিল মুছলিম ছাত্ৰ সন্থাৰ

## ধুবুৰীক 'মিনি বাংলাদেশ' আখ্যা দি বিতৰ্কত শৃংখল চলিহা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** ধুবুৰী জিলাক লৈ কৰা এক বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি পুনৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই ধুবুৰী জিলাক "মিনি বাংলাদেশ" বুলি আখ্যা দিয়া মন্তব্যৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈ পৰিছে সদৌ অসম মুছলিম ছাত্ৰ সন্থা। শৃংখল চলিহাৰ এই মন্তব্যৰ প্ৰতিবাদত ছাত্ৰ সংগঠনটোৱে লাহৰীঘাট আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰি আইনী পদক্ষেপ ▫ ৬ পৃষ্ঠাত

### সুৰক্ষাৰ বাবে ডিমা হাছাও প্ৰশাসনৰ কঠোৰ পদক্ষেপ

## জাতিংগাত পৰিভ্ৰমী পক্ষী ধৰিলে হ'ব জেল-জৰিমনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** ডিমা হাছাও জিলাৰ স্বভাৱসিদ্ধ প্ৰাকৃতিক সৌন্দৰ্যৰ অন্যতম আকৰ্ষণ জাতিংগা আৰু দৈহেং অঞ্চল বৰ্তমান পৰিভ্ৰমী পক্ষীৰ আগমনেৰে মুখৰিত হৈ পৰিছে। এই অতিথি চৰাইসমূহৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আৰু অবৈধ চিকাৰ বা সৰবৰাহ ৰোধ কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে এক বিশেষ তথা কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ডিমা ▫ ৬ পৃষ্ঠাত

## পৰ্বতঝোৱাত বিজেপি নেতাক ঘৰত সোমাই দলবদ্ধ আক্ৰমণ দুৰ্বৃত্তৰ ঃ পৰিয়ালসহ হাস্পতালত ভৰ্তি

### কাজিগাঁৱত সংঘটিত চাঞ্চল্যকৰ ঘটনা; অ' বি চি মৰ্চাৰ সভাপতি মদন পালৰ গৃহত তাণ্ডৱ চলাই উধাও সশস্ত্ৰ দল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** পৰ্বতঝোৱা মহকুমাৰ কাজিগাঁৱত এক অতি চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। এক দুৰ্বৃত্তৰ দলে স্থানীয় বিজেপি নেতা মদন পালৰ বাসগৃহত অনাধিকাৰ প্ৰৱেশ কৰি তেওঁৰ লগতে পৰিয়ালৰ সদস্যসকলক দলবদ্ধভাৱে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, পৰ্বতঝোৱা মণ্ডল বিজেপিৰ অ' বি চি ▫ ৬পৃষ্ঠাত

## অসমৰ প্ৰথমগৰাকী মহিলা IAS বিষয়া হিচাপে কেন্দ্ৰৰ যুটীয়া সচিব পদৰ বাবে মনোনীত বৰ্ণালী ডেকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ আগষ্ট ঃ** অসমৰ প্ৰশাসনিক ক্ষেত্ৰলৈ এক উল্লেখযোগ্য সন্মান কঢ়িয়াই আনিছে ড° বৰ্ণালী ডেকাই। কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া সচিব পদত নিযুক্তিৰ বাবে মনোনীত হোৱা অসমৰ প্ৰথমগৰাকী মহিলা IAS বিষয়া হিচাপে তেওঁ এক নতুন দৃষ্টান্ত স্থাপন কৰিছে। এই মনোনয়নে কেৱল তেওঁৰ ব্যক্তিগত সফলতাকে প্ৰতিফলিত কৰা নাই, অসমৰ প্ৰশাসনিক ক্ষেত্ৰত মহিলা নেতৃত্বৰ এক নতুন অধ্যায়ৰো সূচনা কৰিছে। বৰ্ণালী ডেকাই অসম প্ৰশাসনত সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত আৰু সচিব হিচাপে দায়িত্ব পালন কৰিছিল। ইয়াৰ পাছত ▫ ৬পৃষ্ঠাত

## নেপালৰ আকস্মিক বানত অসমৰ ১২জন লোক সন্ধানহীন

### গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা-স্বামী আৰু মেৰাপানীৰ যুৱক নিৰুদ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** নেপাল-তিব্বত সীমান্তত শেহতীয়াকৈ সৃষ্টি হোৱা ভয়াৱহ আকস্মিক বানত অসমৰ কেইবাগৰাকীও লোক নিৰুদ্দেশ হোৱাৰ খবৰে সমগ্ৰ ৰাজ্যতে গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। প্ৰশাসনৰ সূত্ৰ অনুসৰি, বান দুৰ্যোগৰ পাছত বৰ্তমানলৈকে অসমৰ প্ৰায় ১২ গৰাকী লোক নেপালত সন্ধানহীন হৈ আছে। নিৰুদ্দেশ হৈ থকা লোকসকলৰ ভিতৰত নলবাৰী জিলাৰ অৰৰা গাঁৱৰ অৰুণ মহন্ত অন্যতম। তেওঁ বিগত ছমাহ ধৰি নেপালৰ ৰাছুৱা জিলাৰ উপৰ ত্ৰিশূলীত অৱস্থিত 'এণ্ডিজ হাইড্ৰ'পাৱাৰ কোম্পানী'ত কৰ্মৰত হৈ আছিল। বিগত চাৰি দিন ধৰি অৰুণ মহন্তৰ সৈতে পৰিয়ালৰ সকলো যোগাযোগ বিচ্ছিন্ন হৈ পৰে। এই খবৰ পোৱাৰ লগে লগে ৰাজ্যৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মহন্তৰ পত্নীৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰি পৰিয়ালটোক চৰকাৰী পৰ্যায়ত সকলো ধৰণৰ সহায় ▫ ৬ পৃষ্ঠাত

## ধেমাজি চিটি মহাবিদ্যালয়ত ৩.৯০ কোটি টকাৰ নবনিৰ্মিত শৈক্ষিক ভৱন উদ্বোধন শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগুৰ

### পি এম উচা আঁচনিৰ অধীনত আন্তঃগাঁথনি সম্প্ৰসাৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** ধেমাজি জিলাৰ অগ্ৰণী উচ্চশিক্ষাৰ প্ৰতিষ্ঠান ধেমাজি চিটি মহাবিদ্যালয়ত শৈক্ষিক আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এক নতুন সংযোজন ঘটে। প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান (PM-USHA) আঁচনিৰ অধীনত ৩ কোটি ৯০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মহাবিদ্যালয়খনৰ নৱনিৰ্মিত শৈক্ষিক ভৱনটো শনিবাৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাজ্যৰ শিক্ষামন্ত্ৰী ড° ৰনোজ পেগুৱে। এই উপলক্ষে মহাবিদ্যালয় চৌহদত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিক্ষামন্ত্ৰী গৰাকীৰ উপৰিও ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তোলন কোঁৱৰ আৰু ধেমাজি ▫ ৬ পৃষ্ঠাত

## কাজিৰঙাৰ ই-এছ-জেড সংকোচন প্ৰস্তাৱৰ বিৰুদ্ধে কংগ্ৰেছৰ ৰাজ্যজুৰি প্ৰতিবাদ

### কৰ্প'ৰেটৰ স্বাৰ্থত ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ সৈতে আপোচৰ অভিযোগ বিৰোধীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ চৌপাশৰ পৰিৱেশ-সংবেদনশীল অঞ্চল (ESZ) সংকোচন কৰাৰ চৰকাৰী প্ৰস্তাৱক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনৈতিক দৃশ্যপট উত্তপ্ত হৈ পৰিছে। এই প্ৰস্তাৱৰ বিৰুদ্ধে শনিবাৰে অসম প্ৰদেশ কংগ্ৰেছে সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। চৰকাৰৰ এই সিদ্ধান্তই ঐতিহ্যমণ্ডিত কাজিৰঙাৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব বুলি অভিযোগ তুলি দলটোৱে প্ৰস্তাৱটো শীঘ্ৰে প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছে। শোণিতপুৰ, লক্ষীমপুৰ, হাইলাকান্দি, কৰিমগঞ্জ, তিনিচুকীয়া, কাৰ্বি আংলং আৰু গোলাঘাটসহ ৰাজ্যৰ বিভিন্ন জিলা ▫ ৬ পৃষ্ঠাত

## ৰাজ্যৰ অৰ্থনৈতিক সংকটক লৈ ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰক চোকা সমালোচনা গৌৰৱ গগৈৰ

### দ্বিতীয় কাৰ্যকালৰ ১০০ দিনত ৭৭৫০ কোটি টকাৰ ঋণৰ বোজা জাপি দিয়াৰ অভিযোগ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ প্ৰথম ১০০ দিন পূৰ্তিৰ সময়তে চৰকাৰৰ বিত্তীয় নীতি আৰু ক্ৰমবৰ্ধমান ঋণৰ বোজাক লৈ সৰৱ হৈ পৰিছে সাংসদ গৌৰৱ গগৈ। নিজৰ সামাজিক মাধ্যমৰ এটা প'ষ্টৰ জৰিয়তে ▫ ৬ পৃষ্ঠাত

## শ্বিলঙৰ অসম ৰেজিমেণ্ট চেণ্টাৰত মুখ্যমন্ত্ৰী যুদ্ধ স্মাৰকত বীৰ জোৱানলৈ শ্ৰদ্ধাঞ্জলি

### সেনাৰ কাৰ্যসূচী আৰু সাংস্কৃতিক প্ৰদৰ্শনত অংশগ্ৰহণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** ভাৰতীয় সেনাৰ অসম ৰেজিমেণ্টৰ শ্বিলঙস্থিত মুখ্য কাৰ্যালয়ত শনিবাৰে এক ঐতিহাসিক কাৰ্যসূচীৰে উপস্থিত হয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ১৯৪১ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত স্থাপন হোৱা এই ▫ ৬ পৃষ্ঠাত

## আমেৰিকাৰ পৰা অত্যাধুনিক মিছাইল ছিষ্টেম ক্ৰয় কৰিব ভাৰতে



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** ভাৰতীয় সেনাই নিজৰ সামৰিক শক্তি আৰু অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা বিশ্বপ্ৰসিদ্ধ 'জেভলিন' এণ্টি-টেংক গাইডেড মিছাইল ছিষ্টেম ক্ৰয়ৰ বাবে এক চুক্তি স্বাক্ষৰ কৰিছে। ভাৰতে আমেৰিকাৰ 'ফৰে'ন মিলিটেৰী চেলছ' প্ৰক্ৰিয়াৰ অধীনত এই ক্ৰয়ৰ বাবে এখন 'লেটাৰ অব অফাৰ এণ্ড এক্সেপটেন্স'ত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰে। আমেৰিকাৰ দূতাবাসে এক প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰে যে -ভাৰতক ৪৫.৭ মিলিয়ন ডলাৰত ১০০টা কান্ধত লৈ নিক্ষেপ কৰিব পৰা জেভলিন এণ্টি-টেংক গাইডেড মিছাইল আৰু অন্যান্য সঁজুলি বিক্ৰী কৰাৰ বিষয়ে আমেৰিকান চৰকাৰে ▫ ৬ পৃষ্ঠাত

### ১০ টন অত্যাৱশ্যকীয় সাহায্য সামগ্ৰী প্ৰেৰণ ভাৰতীয় বায়ুসেনাৰ

## নেপালৰ আকস্মিক বানত বৰ্তমানলৈ ৬২৬ জনৰ প্ৰাণহানি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** হিমালয়ৰ কোলত অৱস্থিত চুবুৰীয়া দেশ নেপালত শেহতীয়াকৈ সংঘটিত হোৱা সংহাৰী আকস্মিক বানে ভয়ংকৰ প্ৰলয়ৰ সৃষ্টি কৰিছে। দুৰ্যোগ ব্যৱস্থাপনা ▫ ৬ পৃষ্ঠাত

অসম ক্ৰীড়া প্ৰাধিকৰণ, ছাই আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

# আমিনগাঁৱত সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষৰ কেন্দ্ৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুক্ৰবাৰে কামৰূপ জিলাৰ আমিনগাঁৱত অসম চৰকাৰে নিৰ্মাণ কৰা সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষৰ কেন্দ্ৰটো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। বহুকেইগৰাকী খেলুৱৈয়ে আৰ্টিষ্টিক জিমনাষ্টিকছ ডাইভিং আৰু ৱাটাৰ প'ল' খেলৰ ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰা উদ্বোধনী অনুষ্ঠানতে অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰবিদ গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰায় ৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা বিশ্বমানৰ কেন্দ্ৰটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত ছুইমিং পুল, ২৫ মিটাৰৰ ডাইভিং পুল আৰু অলিম্পিক মানৰ ছুইমিং পুলৰ লগতে ১, ৩০৯খন আসনৰ দৰ্শক গেলাৰীৰ সুবিধা আছে। প্ৰাৰম্ভিক পৰ্যায়ত ইয়াত ৪০গৰাকী আৱাসিক খেলুৱৈক অন্তৰ্ভুক্ত কৰাৰ লগতে স্থানীয় খেলুৱৈ সকলকো ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বিশেষ আঁচনিৰ জৰিয়তে অনুশীলনৰ সুযোগ দিয়া হ'ব। ক্ৰিকেট আৰু বেডমিণ্টনৰ আন্তঃগাঁথনিৰ সমান্তৰালকৈ সাঁতোৰৰ এই প্ৰকল্পই আমিনগাঁও অঞ্চলটোক ৰাজ্যৰ এক অন্যতম প্ৰধান ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যক অধিক সুদৃঢ় কৰিব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এখন বুজাবুজিৰ চুক্তিৰ জৰিয়তে আজি উদ্বোধন কৰা সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষৰ কেন্দ্ৰটোৰ পৰিচালনাৰ দায়িত্ব ৩০ বছৰৰ বাবে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণক দিয়া হৈছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে কেন্দ্ৰটোৰ সামগ্ৰিক পৰিচালনা, প্ৰশিক্ষক আৰু সহায়ক কৰ্মী নিয়োগ, ক্ৰীড়া সঁজুলিৰ ব্যৱস্থা, প্ৰশিক্ষণ শিবিৰ, প্ৰতিযোগিতা আদিৰ আয়োজন কৰিব। একেধৰণৰ ব্যৱস্থাৰে ভাৰতীয় বেডমিণ্টন সন্থাৰ সহযোগত আমিনগাঁৱত স্থাপন কৰা বেডমিণ্টনৰ ৰাষ্ট্ৰীয় উৎকৰ্ষৰ কেন্দ্ৰটোত প্ৰশিক্ষণ লোৱা অস্মিতা চলিহাকে ধৰি কেইবাগৰাকী খেলুৱৈয়ে লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি তেওঁ আশা প্ৰকাশ কৰে যে সাঁতোৰ কেন্দ্ৰটোৰ পৰাও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰৰ খেলুৱৈৰ সৃষ্টি হ'ব। গুৱাহাটী তথা অসমত ক্ৰীড়া আন্তঃগাঁথনি যথেষ্ট উন্নত হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমিনগাঁৱত নিৰ্মাণ হৈ থকা ক্ৰিকেট ষ্টেডিয়ামখন ২০২৭ চনত মুকলি কৰা হ'ব। অসম চৰকাৰে প্ৰায় ৩০০ কোটি টকা ব্যয় কৰি ষ্টেডিয়ামখন নিৰ্মাণ কৰিছে। আমিনগাঁৱৰ এই তিনিওটা ক্ৰীড়া কেন্দ্ৰলৈ অহা খেলুৱৈ আৰু দৰ্শকৰ সুবিধাৰ্থে সন্মুখৰ পথটো বহল কৰা হৈছে আৰু দুহেজাৰ গাড়ী ৰাখিব পৰা এটা বহুমহলীয়া গাড়ী পাৰ্কিঙো ইয়াত নিৰ্মাণ কৰা হ'ব। ক্ৰিকেট, বেডমিণ্টন আৰু সাঁতোৰ প্ৰশিক্ষণৰ বাবে অহা খেলুৱৈ আৰু প্ৰশিক্ষকৰ বাবে হোষ্টেলো নিৰ্মাণ কৰি থকা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পক সুন্দৰকৈ সজাই তোলাৰ বাবে চৰকাৰে সিদ্ধান্ত লোৱা বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০০৫-০৬ চনতে নিৰ্মাণ কৰা ষ্টেডিয়ামখন সময় আৰু সুবিধাৰ দিশত পিছপৰি ৰোৱাৰ পৰিপেক্ষিতত ইয়াক সুন্দৰকৈ সজাই তোলাৰ বাবে এই বছৰতে আঁচনি গ্ৰহণ কৰা হ'ব। তেওঁ কয় যে পুৰণা নেহৰু ষ্টেডিয়াম বা ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পত ফিফা মানৰ এখন ফুটবল ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। এই সকলো কাম সম্পূৰ্ণ হোৱাৰ পিছত আটাইতকৈ বেছি ক্ৰীড়া সুবিধা থকা দেশৰ মহানগৰৰ তালিকাত গুৱাহাটীও অন্তৰ্ভুক্ত হ'ব। সমান্তৰালভাৱে ডিব্ৰুগড়তো আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰীড়া সুবিধা গঢ়ি তোলাৰ কাম কৰি থকা হৈছে বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অনাগত দিনতো অসমৰ উদীয়মান খেলুৱৈসকলক উন্নত মানৰ ক্ৰীড়া সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰে কাম কৰি যাব। অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক প্ৰকাশ দাস, দিগন্ত কলিতা, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উপ সঞ্চালকপ্ৰধান মঞ্জুশ্ৰী দয়ানন্দৰ লগতে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কেইবাগৰাকী বিষয়া আৰু বহুসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

মাহজোৰা ভদীয়া নামত ভক্তিৰ অমল সোঁত; ভক্তপ্ৰাণ ৰাইজৰ বিপুল সমাবেশ, সেৱা-শুশ্ৰূষাৰ বুজ ল'লে বিধায়ক বিশ্বজিৎ ফুকনে

# হৰি নামৰ অমিয়া ৰসে মুখৰিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৯ আগষ্ট ঃ** "হৰি নাম"ৰ অমিয়া ৰসেৰে পুৱতি নিশাৰে পৰা মুখৰিত হৈ আছে গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ। পুৱতি নিশা ৪ বজাৰ পৰাই ডবা-শঙ্খ, কাঁহ, বৰটাল আৰু নাম-কীৰ্তনৰ পৱিত্ৰ ধ্বনিয়ে আকাশ-বতাহ কঁপাই তুলিছে। যেন ভক্তিৰ নিনাদে স্পৰ্শ কৰিছে প্ৰকৃতিৰ প্ৰতিটো কণিকা; যেন নামঘৰৰ চৌহদত বৈছে আধ্যাত্মিকতাৰ এক নিৰ্মল নিজৰা। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম পৱিত্ৰ ধৰ্মীয় পীঠস্থান হিচাপে পৰিচিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত বিশেষ তাৎপৰ্য বহন কৰে পৱিত্ৰ ভাদ মাহ। ভাদ মাহ মানেই যেন আঠখেলীয়াৰ বুকুত ভক্তিৰ জোৱাৰ। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তপ্ৰাণ লোকৰ পদধূলিৰে পৱিত্ৰ হৈ পৰিছে এই ঐতিহ্যময় ধৰ্মীয় পীঠস্থান। যোৱা ১ ভাদৰ পৰা আৰম্ভ হোৱা ভদীয়া নাম-প্ৰসঙ্গ উপলক্ষে প্ৰতিদিনে পুৱতি নিশা ৪ বজাৰ পৰা সন্ধিয়ালৈকে অবিৰতভাৱে অনুষ্ঠিত হৈ আহিছে নাম-প্ৰসঙ্গ। হৰিনামৰ অমৃতধাৰাত বিলীন হৈ ভক্তপ্ৰাণ ৰাইজে লাভ কৰিছে এক অপাৰ আত্মিক প্ৰশান্তি। নাম-কীৰ্তনৰ মধুৰ ধ্বনি, ভক্তিৰসত আপ্লুত শ্ৰদ্ধালুজনৰ সমাগম আৰু সেৱাৰ মনোভাৱে সমগ্ৰ আঠখেলীয়া অঞ্চলটোকে যেন এক বিশাল আধ্যাত্মিক তীৰ্থক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছে। ভক্তৰ এই বিপুল সমাগমক কেন্দ্ৰ কৰি শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ পৰিচালনা সমিতিয়েও গ্ৰহণ কৰিছে বিশেষ তৎপৰতা। দূৰ-দূৰণিৰ পৰা অহা ভক্তসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে পানী, বিশ্ৰাম, শৃংখলা, যাতায়াত তথা অন্যান্য প্ৰয়োজনীয় সেৱাৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেৱল পৰিচালনা সমিতিয়েই নহয়, বিভিন্ন জাতীয় সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সেৱাপ্ৰেমী লোকেও ভক্তপ্ৰাণ ৰাইজৰ সেৱাত নিজকে উছৰ্গা কৰিছে। অনুসূচীত জাতি ছাত্ৰ সন্থা, বীৰ লাচিত সেনা, অসম আদি সংগঠনে বিনামূলীয়া খোৱাপানী, চৰবত আদি যোগান ধৰি ভক্তসকলৰ প্ৰতি আগবঢ়াইছে সেৱাৰ হাত। ধৰ্মীয় অনুষ্ঠানৰ মাজত মানুহৰ প্ৰতি মানুহৰ এই সহমৰ্মিতা আৰু সেৱাৰ মানসিকতাই যেন অসমীয়া সমাজৰ চিৰন্তন মানৱীয় সংস্কৃতিৰেই এক সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। ইফালে, আজি শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত সেৱা আগবঢ়াই ভক্তপ্ৰাণ ৰাইজৰ সেৱা-শুশ্ৰূষাৰ বুজ লয় সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। বিধায়কগৰাকীয়ে শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ পৰিচালনা সমিতিৰ সভাপতি খগেন্দ্ৰ নাথ হাজৰিকা, সম্পাদক অসীম বৰাসহ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলৰ সৈতে এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত ভাদ মাহত অসমৰ বিভিন্ন প্ৰান্ত তথা উত্তৰ-পূৰ্বাঞ্চলৰ দূৰ-দূৰণিৰ পৰা আঠখেলীয়া নামঘৰলৈ সমবেত হোৱা অগণন ভক্তপ্ৰাণ ৰাইজৰ সুবিধাৰ্থে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে পৰিচালনা সমিতিয়ে বিধায়কগৰাকীক অৱগত কৰে। ভক্তসকলৰ সুৰক্ষা, সুবিধা আৰু সেৱা-শুশ্ৰূষাৰ ক্ষেত্ৰত কোনো ধৰণৰ যাতে ত্ৰুটি নাথাকে, তাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়। বিধায়ক বিশ্বজিৎ ফুকনে আঠখেলীয়া নামঘৰৰ দৰে ঐতিহ্যমণ্ডিত ধৰ্মীয় পীঠস্থানৰ পৱিত্ৰতা, পৰম্পৰা আৰু ভক্তপ্ৰাণ ৰাইজৰ সেৱাৰ ক্ষেত্ৰত সকলো প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য ড° অলক গোহাঁই, জ্যেষ্ঠ সাংবাদিক তথা সমাজকৰ্মী দিগন্ত কুমাৰ ভূঞা, বিজেপি কৃষক মৰ্চা, গোলাঘাট জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম ৰাজপুত, মনোজ বৰুৱা আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। ভক্তিৰ এই মহামিলনত আঠখেলীয়া নামঘৰ আজি যেন কেৱল এটা ধৰ্মীয় স্থান হৈ থকা নাই— ই হৈ পৰিছে মানুহৰ সৈতে মানুহৰ আত্মিক সংযোগৰ এক পৱিত্ৰ সেতু। হৰি নামৰ ধ্বনিৰ মাজেৰে প্ৰতিধ্বনিত হৈছে একেই বাণী—ভক্তি, সেৱা আৰু মানৱতাইহে সমাজৰ প্ৰকৃত শক্তি।

# নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণী সভা

কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা; বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ




**অসম বাৰ্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ** নামনি মাজুলীৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ চলিত বৰ্ষৰ নৱাগত আদৰণী সভাসন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰাঙ্গণত নিৰ্মাণ কৰা অস্থায়ী প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত নৱাগত আদৰণী সভা উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। তাৰপিছত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি অজিত ভূঞাই। ছহিদ তৰ্পণ কৰে সদৌ মাজুলী ছাত্ৰ সন্থাৰ উপ-সভাপতি পীতাম্বৰ দাস আৰু নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰণৱ পেগুৱে। পুৱা ৯.৩০ বজাত বিদ্যালয়ৰ চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰা নৱাগত ছাত্ৰ ছাত্ৰীসকলক বিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ পৰা ধূপ, দীপ, ফুল চন্দন আৰু ঢোল, খোল, তাল আৰু সাংস্কৃতিক শোভাযাত্ৰা কৰি আদৰি অনা হয়। তাৰপিছত বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "নৱমল্লিকা" উন্মোচন কৰে বিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত শইকীয়াই। পুৱা ১০.৩০ বজাত নৱাগত আদৰণী সভা উপলক্ষে অস্থায়ী প্ৰেক্ষাগৃহত বৃহৎ মুকলি সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি তথা বিদ্যালয়ৰ জ্যেষ্ঠ বিষয় শিক্ষক অজিত ভূঞাই আঁত ধৰা উক্ত মুকলি সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। বিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক তথা জ্যেষ্ঠ বিষয় শিক্ষক প্ৰশান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত মুকলি সভাখন তত্ত্বগধুৰ ভাষণৰে উদ্বোধন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা লক্ষেশ্বৰ নেওগে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰূপ কুমাৰ বৰাই। বৰাই নিজৰ ভাষণত ছাত্ৰ ছাত্ৰীসকলক ভৱিষ্যতৰ জীৱনত সফলতা লাভ কৰিবলৈ বিভিন্ন কৌশল আৰু পৰামৰ্শ প্ৰদান কৰে। তেওঁ, মাজুলীৰ ছাত্ৰ ছাত্ৰীসকলক অধ্যয়নমুখী হৈ গভীৰ আত্মবিশ্বাসেৰে আগবাঢ়ি যাবলৈ পৰামৰ্শ প্ৰদান কৰে। মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰণৱ পেগুৱে। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱা, মাজুলী জিলা টি এম পি কে'ৰ সম্পাদক হেমন্ত মিলি, বিশিষ্ট যুৱ সমাজকৰ্মী ধ্ৰুৱজ্যোতি গোস্বামী, মহৰিচুক জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল শইকীয়া, অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেবেন বৰুৱা, স্থানীয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোপীৰাম শইকীয়া, পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক ভাষণ প্ৰদান কৰে। উক্ত, মুকলি সভাত বিদ্যালয়ৰ ছাত্ৰী পাপুলি দাসে ভূপেন্দ্ৰ সংগীত, জয়শ্ৰী দাসে লোকগীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত, মুকলি সভাত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হোৱা ৫৩ জন মেধাবী ছাত্ৰ-ছাত্ৰীসকল আৰু শ্ৰেষ্ঠ নৱাগত বিষ্ণু প্ৰসাদ শইকীয়া আৰু শ্ৰেষ্ঠ নৱাগতা সাগৰিকা দাস আৰু শোণিতপুৰ জিলাৰ বংিত সোণৰ পদক অৰ্জন কৰা বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ টানি পেগুক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে উক্ত সম্বৰ্ধনা অনুষ্ঠানৰ বাবে সকলো শৈক্ষিক সমল আৰু পুৰস্কাৰসমূহ আগবঢ়াই মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° সুজিত ভঁৰালীয়ে। অনুষ্ঠানত ড° সুজিত ভঁৰালীক কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সভাত শলাগৰ শৰাই আগবঢ়াই বিষয় শিক্ষক অজিত ভূঞাই। নৱাগত আদৰণী সভা উপলক্ষে বিয়লি এক বজাৰ পৰা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়। বিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা জয়ন্ত দত্তই উদ্বোধন কৰা উক্ত সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলে বিভিন্ন নৃত্য-গীত, অভিনয় আদি পৰিৱেশন কৰে অনুষ্ঠানটো মোহাচ্ছন্ন কৰি তোলে।

# মৰিগাঁও জিলা আয়ুক্ত সৃষ্টি সিংৰ 'সীতাজখলা ডেইৰী ক্লাষ্টাৰ' উদ্যোগৰ অধীনত আনুষ্ঠানিক চেক বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৯ আগষ্ট** মৰিগাঁও জিলাৰ জিলা আয়ুক্ত সৃষ্টি সিং, আই.এ.এছ.-এ আজি 'সীতাজখলা ডেইৰী ক্লাষ্টাৰ' উদ্যোগৰ অধীনত আনুষ্ঠানিক চেক বিতৰণৰ প্ৰথম পৰ্যায় মুকলি কৰে। এই কাৰ্যসূচীৰ জৰিয়তে জিলাখনৰ নিৰ্বাচিত ১, ০০০ গৰাকী মাকৈ খেতিয়কৰ ভিতৰত ৩৪৬ গৰাকীক বিত্তীয় সাহায্য প্ৰদান কৰা হয়। অসম মাংস, গাখীৰ আৰু কণী মিছন চ'চাইটিৰ দ্বাৰা 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' (CMSGUY)ৰ অধীনত ৰূপায়ণ কৰা এই প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে কেঁচা ঘাঁহ আৰু চাইলেজ (silage) উৎপাদন বৃদ্ধি কৰি স্থানীয় গাখীৰৰ উৎপাদন তথা গুণগত মান উন্নত কৰা। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি জিলা আয়ুক্তগৰাকীয়ে কৃষকসকলক কৃষি আৰু পশু চিকিৎসা খণ্ডৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ চৰকাৰী আঁচনিসমূহৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটিত অতিৰিক্ত জিলা আয়ুক্ত ড° নীলাক্ষী বৈশ্য, সীতাজখলাৰ কাৰ্যকৰী সভাপতি লখী মহন্ত, জিলা পশু চিকিৎসা বিষয়া ড° নীলুৎপল কাকতি, জিলা দুগ্ধ বিষয়া, পশু চিকিৎসা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় সমাজকৰ্মীসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ত দিন-দুপৰতে উপায়ুক্ত কাৰ্যালয়ৰ চৌহদতে ২০ লাখ টকাৰ সোণৰ চেইন চোৰে লৈ যোৱাৰ দুমাহ অতিক্ৰম কৰাৰ পাছতো অপৰাধী আটক নহ'ল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ আগষ্ট ঃ**

## আৰক্ষীৰ ভূমিকাক তীব্ৰ সমালোচনা

ডিব্ৰুগড়ৰ উপায়ুক্ত কাৰ্যালয়ৰ দৰে নিৰাপত্তাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত চৌহদতে দিন-দুপৰতে সংঘটিত এক চাঞ্চল্যকৰ চিলনী চোৰে সংঘটিত কৰা ঘটনাই ডিব্ৰুগড় আৰক্ষীৰ চৰম ব্যৰ্থতা উদঙাই দিয়াৰ দুমাহ অতিক্ৰম হ'ল। আজি পৰ্যন্ত চিলনী চোৰৰ কোনো সন্ধান উলিওৱাৰ ক্ষেত্ৰত আৰক্ষী সম্পূৰ্ণ ব্যৰ্থ হোৱাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি জিলাখনৰ আইন-শৃংখলা আৰু নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন হৈছে। এই ঘটনাক লৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত সংবাদ মেল সম্বোধন কৰি ভুক্তভোগী ঋষিকেশ গোস্বামীয়ে আৰক্ষীৰ তদন্তৰ অগ্ৰগতি সন্দৰ্ভত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। গোস্বামীৰ অভিযোগ অনুসৰি, যোৱা ২২ জুন তাৰিখে দিনৰ প্ৰায় ৩.০০ বজাত ডিব্ৰুগড়ৰ উপায়ুক্ত কাৰ্যালয়ৰ চৌহদৰ ভিতৰত খটখটিত উঠি থকা অৱস্থাত বাইকত অহা দুজনীয়া চোৰৰ দলে তেওঁক লক্ষ্য কৰি আক্ৰমণ কৰিছিল। দুৰ্বৃত্তই তেওঁক ঠেলি পেলাই দি ডিঙিৰ পৰা দুডাল সোণৰ চেইন চিঙি লৈ বাইকেৰে ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল। ভুক্তভোগীৰ ভাষ্য অনুসৰি, চেইন দুডালৰ বৰ্তমান বজাৰ মূল্য প্ৰায় ২০ লাখ টকাৰো অধিক। ঘটনাৰ পাছতে গোস্বামীয়ে মিলননগৰ থানাত এজাহাৰ দাখিল কৰাৰ লগতে ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু জিলা আয়ুক্তকো বিষয়টো অৱগত কৰিছিল যদিও আজি পৰ্যন্ত আৰক্ষীয়ে বিশেষ পদক্ষেপ গ্ৰহণ নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁৰ দাবী অনুসৰি, আৰক্ষীয়ে তদন্তৰ অংশ হিচাপে এছবি আইৰ মুখ্য শাখাৰ চি চি টিভি ফুটেজ পৰীক্ষা কৰি তেওঁক পিছা কৰি অহা এজন যুৱকৰ স্পষ্ট ছবি লাভ কৰিবলৈ সক্ষম হৈছিল। আৰক্ষীয়ে ইতিমধ্যে উক্ত ফটো সংগ্ৰহ কৰিছে। কিন্তু ঘটনাৰ পাছত দুমাহতকৈ অধিক সময় উকলি যোৱাৰ পাছতো এই পৰ্যন্ত কোনো এজন অভিযুক্তক আটক কৰিবলৈ সক্ষম নোহোৱাত ক্ষোভ প্ৰকাশ কৰে গোস্বামীয়ে। আৰক্ষীৰ পৰা আশাব্যঞ্জক সঁহাৰি নোপোৱাৰ অভিযোগ তুলি গোস্বামীয়ে যোৱা ২২ জুলাইত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্পীড পোষ্টযোগে এখন প্ৰতিবেদন প্ৰেৰণ কৰে বুলিও সংবাদ মেলত জানিবলৈ দিয়ে। ইয়াৰ উপৰি সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিধায়ক বিনোদ হাজৰিকা, প্ৰাক্তন বিধায়ক ঋতুপৰ্ণ বৰুৱা আৰু জিলাখনৰ অভিভাৱক মন্ত্ৰী প্ৰশান্ত ফুকনকো ঘটনাটোৰ ন্যায় বিচাৰি সাক্ষাৎ কৰে। জিলা আয়ুক্ত কাৰ্যালয়ৰ দৰে গুৰুত্বপূৰ্ণ তথা নিৰাপত্তাৰ দিশৰ পৰা স্পৰ্শকাতৰ স্থানৰ চৌহদৰ ভিতৰতে দিন-দুপৰতে এনে ঘটনা সংঘটিত হোৱাক লৈও প্ৰশ্ন উত্থাপন কৰে ভুক্তভোগীজনে। ঘটনাটোৰ তদন্ত ক্ষিপ্ৰতৰ কৰি চি চি টিভি ফুটেজৰ ভিত্তিত অভিযুক্তক চিনাক্ত আৰু গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা সোণৰ চেইন উদ্ধাৰৰ বাবে তেওঁ আৰক্ষী তথা গৃহ বিভাগৰ ওচৰত দাবী জনায়। ৰাজ্যৰ বিভিন্ন স্থানত বৃদ্ধি পোৱা এনে ঘটনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবেও মুখ্যমন্ত্ৰী তথা গৃহ বিভাগক আহ্বান জনায় ঋষিকেশ গোস্বামীয়ে।

**LOST**

I have lost my H.S.L.C. Mark Certificate (2022), issued by the Board of Secondary Education, Assam, vide Roll- B22-0553, No- 0088. Finder please contact.

Miss Jigyasha Hazarika,
D/O- Lakshmi Prakash Hazarika,
R/O: Vill- Porabil,
P.O- Letekupukhuri,
P.S- Bihpuria,
Dist- Lakhimpur, Assam

AB-142/2026

**NAME CORRECTION**

My actual and correct name is NURJAHAN KHATUN which has been recorded in my relevant all documents including Aadhar Card, vide No. 4361 1401 9582, PAN Card vide no GOCPK6295H but my Name has erroneously been recorded MRS NURJAHAN BIBI in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150010009348 Lakhiganj Branch as NURJAHAN BIBI instead of NURJAHAN KHATUN

Sd/-
NURJAHAN KHATUN
W/O : Moidul Islam
Village: Kaimari
PO: Lakhiganj, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam.

AB-141/2026

# পূৱ মাজুলী মহাবিদ্যালয়ৰ নবাগত আদৰণি সভা

## প্ৰাচীৰ পত্ৰিকা "পুষ্পহাৰ" উন্মোচন

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ** মাজুলী জিলাৰ আগশাৰীৰ স্নাতক শিক্ষানুষ্ঠান পূৱ মাজুলী মহাবিদ্যালয়ৰ ২০২৬ বৰ্ষৰ নবাগত আদৰণি সভাখনি আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সেই উপলক্ষে পুৱা ৮ বজাত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত সামুহিক চাফাইৰ পিছতেই ৯বজাত পাতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি সহকাৰী অধ্যাপক অনুপ কুমাৰ বৰাই আৰু ৯.৩০ বজাত শ্বহীদ তৰ্পন কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ সম্পাদক দিপাংকৰ ৰাজখুৱাই। ১০বজাত ছাত্ৰী কুকি পায়েংৰ দ্বাৰা সম্পাদিত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "পুষ্পহাৰ" উন্মোচন কৰে মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক দ্বিজেন কুমাৰ শইকীয়াই। ১০.৩০ বজাত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে মূলতোৰনৰ পৰা নবাগত সকলক আদৰি আনে। দুপৰীয়া ১২ বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাখনিত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী দীপক বৰাই আৰু উদ্বোধন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সোমনাথ দাসে। অধ্যাপক দ্বিজেন কুমাৰ শইকীয়াই আঁতধৰা সভাখনিত জেংৰাই মুখ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দেবজিৎ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক সুন্দৰ ভৱিষ্যত গঢ় দিয়াৰ বাবে পৰমৰ্শ মূলক বক্তব্য প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মাই এখন সুস্থিৰ সমাজ গঠনত ছাত্ৰ সমাজৰ ভূমিকাৰ ওপৰত মন্তব্য প্ৰদান কৰি পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ ছাত্ৰীক সমাজৰ প্ৰতি দায়বদ্ধ হবলৈ আহ্বান জনায়। মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষা সমন্বয়ক অভিজিৎ ফুকন, শ্ৰীৰাম বনমালী দেব উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰসন্ন নাথ, অভিভাৱক মদন হাজৰিকা, উপাধ্যক্ষ প্ৰশান্ত ভড়ালী, গ্ৰন্থাগাৰিক ৰুবী গায়ন, সহকাৰী অধ্যাপক ক্ৰমে অঞ্জলি বৰা, মালা গায়ন, বিজু তামোলী, যঞ্জোৰাম বৈৰাগী, বুধিন বৰা, যুগল হাজৰিকা, উত্তম শইকীয়া, বিপিন বৰা, খগেন চমুৱা, দৰ্শনা মুদৈয়ে নবাগত সকলক উদ্দেশ্যি প্ৰেৰনামূলক ভাষণ প্ৰদান কৰে। সভাপতিৰ মন্তব্যত অধ্যক্ষ গৰাকীয়ে ১৯৯০ চনত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনৰ গৌৰৱোজ্জল ইতিহাস বৰ্নানা কৰে আৰু মহাবিদ্যালয়খনৰ বিগত সময়চোৱাত ছাত্ৰ ছাত্ৰীসকলে প্ৰদৰ্শন কৰা সন্তোসজনক ফলাফল নবাগতসকলক অবগত কৰি, তেওঁলোককো মহাবিদ্যালয়ৰ নাম উজ্জ্বলোৱাত অৰিহনা যোগাবলৈ আহ্বান জনায়। সাধাৰণ সম্পাদক দিপাংকৰ প্ৰদীপ বৰাই সম্পাদকীয় অভিভাষণ পাঠ কৰে। সভাতেই মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী, শেহতীয়াকৈ ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা গবেষনা কাৰ্য সম্পন্ন কৰা ড° পূৰবী শইকীয়া আৰু ড° চিকমি বৰাক মহাবিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জ্ঞাপন কৰে। সাধাৰণ সম্পাদকে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতেই সভা ভংগ হয়। সভাৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলে এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে আৰু উক্ত অনুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক প্ৰশান্ত ভড়ালীয়ে। সন্ধ্যা বন্তি প্ৰজ্বলেনেৰে দিনজোৰা কাৰ্যসূচী সামৰণি পৰে।

# লেতেকুপুখুৰীৰ মাধৱদেৱ কৃষ্টি সংঘৰ উদ্যোগত শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩১ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৯ আগষ্ট ঃ** মহাপুৰুষ শংকৰদেৱৰ সোঁহাত স্বৰূপে ভূমিকা পালন কৰি, নৱবৈষ্ণৱ ভক্তি আন্দোলনক আধাৰ হিচাপে লৈ যিগৰাকী মহাপুৰুষে অসমীয়া ভাষা-সাহিত্য, কলা- সংস্কৃতিৰ এক নৱজাগৰণ সৃষ্টি কৰিছিল, সেইজনা মহাপুৰুষে জন্মগ্ৰহণ কৰাৰ সুবাদতে আজিও 'লেতেকু পুখুৰী' এটা অসমখ্যাত নাম হৈ জিলিকি আছে, সেইগৰাকী মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩১ সংখ্যক তিৰোভাৱ তিথিভাগি অহা ০১-০৯-২০২৬ তাৰিখ মঙ্গলবাৰে দিবা-সান্ধ্য কাৰ্যসূচীৰে মাধৱদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত পালন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। উল্লেখ্য যে সেইদিনা দিনৰ ভাগত শিশু- কিশোৰৰ মাজত সাহিত্য, বৰগীত আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা এখনি অনুষ্ঠিত হ'ব। তদুপৰি অঞ্চলটোত এটি সজীৱ বৌদ্ধিক পৰিৱেশ ৰচনা কৰাৰ প্ৰয়াসেৰে "আত্ম-মন্থন" শীৰ্ষক এটি মননশীল বক্তৃতা অনুষ্ঠান ৰূপায়ণ কৰাৰ উদ্যোগ হাতত লোৱা হৈছে। উক্ত অনুষ্ঠানটিত "জীৱন- বোধ" বিষয়ক বক্তৃতা প্ৰদানৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই উপস্থিত থাকিব। সেয়েহে এই মহান অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে সংবাদ মাধ্যমৰ জৰিয়তে সকলোৰে সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে মাধৱদেৱ কৃষ্টি সংঘৰ সভাপতি সম্পাদকে।

অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ফুটবলৰ কিংবদন্তি প্ৰাক্তন অধিনায়ক বাইচুং ভুটীয়াৰ

# ডিব্ৰুগড়ত খেলো ইণ্ডিয়া সংবাদ- ‘খেল কি বাত পিএম কে সাথ’

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ আগষ্ট ঃ** দেশৰ যুৱশক্তিক ক্ৰীড়াৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰি এখন সুস্থ, সবল আৰু আত্মবিশ্বাসী ভাৰত গঢ়াৰ লক্ষ্যৰে সমাগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত ‘খেলো ইণ্ডিয়া সংবাদ- খেল কি বাত পি এম কি সাথ’ কাৰ্যসূচীৰ অংশ হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ৮ লাখৰো অধিক যুৱক-যুৱতীক উদ্দেশ্যি প্ৰদান কৰা প্ৰেৰণাদায়ক ভাষণ উৎসাহী শিক্ষাৰ্থীসকলৰ সৈতে শুনি উদ্বুদ্ধ হয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকী। প্ৰধানমন্ত্ৰীয়ে ক্ৰীড়াৰ জৰিয়তে ব্যক্তি আৰু সমাজৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধন, যুৱপ্ৰজন্মক অনুশাসিত আৰু আত্মবিশ্বাসী কৰি তোলা তথা এখন শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ক্ৰীড়াৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে বিশ্ব ক্ৰীড়াৰ বিভিন্ন শাখাত ভাৰতৰ অংশগ্ৰহণ আৰু সফলতা অধিক বিস্তৃত কৰাৰ আহ্বানৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ধৃতি দি কয় যে আন দেশসমূহৰ এনে বহু ক্ৰীড়াত পদক অৰ্জন কৰিছে, যিবোৰত ভাৰতৰ অংশগ্ৰহণেই নাই। আমিও এই ক্ৰীড়াসমূহত পাৰদৰ্শিতা অৰ্জন কৰিব লাগিব।” তেওঁ লগতে কয়, “ভাৰতৰ পদকৰ সংখ্যা বৃদ্ধি কৰিবলৈ হ'লে এই ক্ৰীড়াসমূহত আমি নিখুঁত পাৰদৰ্শিতা অৰ্জন কৰাটো অতি প্ৰয়োজনীয়।” এই লক্ষ্য আগত ৰাখি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০৩৬ চনৰ অলিম্পিকক কেন্দ্ৰ কৰি ভাৰতৰ দীৰ্ঘম্যাদী ক্ৰীড়া কৌশলৰ কথাও উল্লেখ কৰে। লক্ষ্য হৈছে দেশৰ বৃহৎ সংখ্যক ক্ৰীড়াবিদক বিভিন্ন ক্ৰীড়া শাখাত এনেদৰে সুদক্ষ কৰি তোলা, যাতে তেওঁলোকে কেৱল অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাই নহয়, বিশ্বমঞ্চত উৎকৃষ্ট প্ৰদৰ্শন কৰি দেশৰ বাবে সন্মান আৰু অধিক পদক কঢ়িয়াই আনিব পাৰে। ‘খেলো ইণ্ডিয়া সংবাদ খেল কি বাত পিএম মোদী কে সাথ’ কাৰ্যসূচীৰ অংশ হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে সোণোৱালে মত-বিনিময় কৰে আৰু শিক্ষাৰ্থীয়ে ক্ৰীড়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শৰ প্ৰতি সঁহাৰি জনাই বিশ্ববিদ্যালয় চৌহদত এটা অত্যাধুনিক ছুইমিং পুল নিৰ্মাণৰ কথা ঘোষণা কৰে সোণোৱালে। তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়াবিদ সকলৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া মূলক ভ্ৰমণৰ কথাও ঘোষণা কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত ভাৰতীয় ফুটবলৰ জীৱন্ত কিংবদন্তি তথা প্ৰাক্তন অধিনায়ক বাইচুং ভুটীয়াৰ উপস্থিতিয়ে বিশেষ মাত্ৰা প্ৰদান কৰে। নিজৰ ক্ৰীড়া- জীৱনৰ অভিজ্ঞতা আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জনৰ বাবে এগৰাকী খেলুৱৈয়ে কৰিবলগীয়া কঠোৰ পৰিশ্ৰমৰ বিষয়ে তেখেতে আগবঢ়োৱা বক্তব্যই উপস্থিত শিক্ষাৰ্থীসকলক গভীৰভাৱে অনুপ্ৰাণিত কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ছাত্ৰ- ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ অনুভৱৰ উমান লৈ ভাষণ প্ৰদান কৰি সোণোৱালে কয় যে ক্ৰীড়া কেৱল পদক অৰ্জনৰ মাধ্যম নহয়, ক্ৰীড়া হৈছে জীৱন গঢ়াৰ এক শক্তিশালী পথ। ক্ৰীড়াই এগৰাকী ব্যক্তিক সুস্থ-সবল কৰি তোলাৰ লগতে অনুশাসন, একাগ্ৰতা, দলীয় মনোভাৱ, নেতৃত্বৰ গুণ আৰু সফলতাৰ বাবে প্ৰয়োজনীয় মানসিক দৃঢ়তা গঢ়ি তোলে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বিগত ১২ বছৰত দেশৰ ক্ৰীড়া ক্ষেত্ৰখনত আমূল পৰিৱৰ্তন সাধন কৰিছে। প্ৰতিভাৱান প্ৰতিভাৱান খেলুৱৈক চিনাক্ত কৰাৰ পৰা আৰম্ভ কৰি প্ৰশিক্ষণ, আন্তঃৰাষ্ট্ৰীয় মানৰ আন্তঃগাঁথনি, উন্নত ক্ৰীড়া সা-সুবিধা আৰু আৰ্থিক সহায়লৈকে খেলুৱৈক চিনাক্ত কৰাৰ পৰা আৰম্ভ কৰি প্ৰশিক্ষণ, আন্তঃৰাষ্ট্ৰীয় মানৰ আন্তঃগাঁথনি, উন্নত ক্ৰীড়া সা-সুবিধা আৰু আৰ্থিক সহায়লৈকে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপে ভাৰতীয় ক্ৰীড়াক এক নতুন উচ্চতালৈ লৈ গৈছে। আগন্তুক সময়ত ভাৰতে কমনৱেলথ গেমছ আয়োজন কৰিবলৈ সাজু হৈছে, যি আমাৰ দেশৰ ক্ৰীড়া আন্তঃগাঁথনি আৰু বিশ্ব ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ বৰ্ধিত সামৰ্থ্যৰ এক গৌৰৱময় প্ৰতিফলন। সোণোৱালে স্মৰণ কৰি কয় যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ দায়িত্বত স্বতন্ত্ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত তেওঁ দেশৰ আগশাৰীৰ খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে বুজ লোৱাৰ সুযোগ লাভকৰিছিল। সেই সময়ত বহু খেলুৱৈয়ে উন্নত প্ৰশিক্ষণ, আন্তঃৰাষ্ট্ৰীয় মানৰ সা-সুবিধা আৰু আৰ্থিক সহায়ৰ অভাৱৰ কথা অৱগত কৰিছিল। এই অভিজ্ঞতাৰ ভিত্তিত সৰ্বানন্দ সোণোৱালে বিষয়সমূহ প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিগোচৰ কৰাত প্ৰধানমন্ত্ৰী গৰাকীয়ে প্ৰতিভাৱান খেলুৱৈসকলক চিনাক্ত কৰি তেওঁলোকক প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে পৰিকল্পনা গ্ৰহণৰ নিৰ্দেশ দিছিল। ইয়াৰ ফলস্বৰূপে ‘টাৰ্গেট অলিম্পিক প'ডিয়াম'ৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপৰ জৰিয়তে দেশৰ শীৰ্ষ খেলুৱৈসকলক উন্নত প্ৰশিক্ষণ, প্ৰস্তুতি আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ এক শক্তিশালী ব্যৱস্থা গঢ় লৈ উঠে। তেওঁ লগতে কয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বহু ছাত্ৰ -ছাত্ৰীয়ে ইতিমধ্যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। এনে এখন ঐতিহ্যমণ্ডিত শৈক্ষিক প্ৰতিষ্ঠানৰ চৌহদত ‘খেলো ইণ্ডিয়া সংবাদ’ অনুষ্ঠিত হোৱাটো অত্যন্ত তাৎপৰ্যপূৰ্ণ। এই কাৰ্যসূচীয়ে বিশ্ববিদ্যালয়ৰ যুৱসমাজক ক্ৰীড়াৰ প্ৰতি অধিক উৎসাহিত কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা লাভ কৰাৰ বাবে নতুন প্ৰেৰণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

শ্যামল পালক সভাপতি, ইয়াৰফুল ইছলামক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পন

# মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন



**অসম বাৰ্তা, খাৰিজাবিজনী, ২৯ আগষ্ট ঃ** অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু উন্নতি সাধনৰ মহান উদ্দেশ্য আগত ৰাখি অসম সাহিত্য সভাৰ অন্তৰ্গত মানাহৰ স্মাইলিং টাছকাৰ ইলিফেণ্ট কেম্পত শ্যামল পালৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰা হয়। ভাষা-সাহিত্যৰ বিকাশৰ লগতে নতুন প্ৰজন্মক অসমীয়া ভাষা আৰু সাহিত্যৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰাৰ লক্ষ্যৰে এই নতুন সমিতিখন গঠন কৰা হয়। নৱগঠিত শাখা সাহিত্য সভাখনৰ সভাপতি হিচাপে শ্যামল পাল, জিয়াউৰ ৰহমানক উপ সভাপতি, ইয়াৰফুল ইছলামক সম্পাদক, হিমাংশু অধিকাৰীক সহকাৰী সম্পাদক, নজৰুল আলীক সাংগঠনিক সম্পাদক, জাহিদুল ইছলামক পত্ৰিকা সম্পাদক, জাহিদুল ইছলামক গ্ৰন্থ প্ৰশাসনক আৰু ছুৰহাব আলীক ধন ভৰালী হিচাপে লৈ মুঠ ২১ জনীয়া বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰে। স্থানীয় ভাষাপ্ৰেমী, সাহিত্যসেৱী সাংবাদিক, শিক্ষক সমাজ আৰু সচেতন ব্যক্তিসকলৰ সহযোগিতাত গঠিত এই সমিতিয়ে অঞ্চলটোত অসমীয়া ভাষা আৰু সাহিত্যৰ চৰ্চাক অধিক গতিশীল কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হৈছে। সমিতি গঠনৰ মূল উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ শুদ্ধ ব্যৱহাৰ আৰু প্ৰচাৰ, সাহিত্যচৰ্চাৰ অনুকূল পৰিৱেশ সৃষ্টি, নৱপ্ৰজন্মৰ মাজত পঢ়াৰ অভ্যাস গঢ়ি তোলা তথা অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰা। ইয়াৰ উপৰি বিভিন্ন সাহিত্যিক অনুষ্ঠান, আলোচনা চক্ৰ, কবিতা আবৃত্তি, গল্প-কবিতা পাঠ, গ্ৰন্থ আলোচনা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকক সাহিত্যৰ সৈতে জড়িত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। বিশেষকৈ বৰ্তমান সময়ত মাতৃভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰিছে সাহিত্যপ্ৰেমীসকলে। ডিজিটেল যুগত অসমীয়া ভাষাৰ সঠিক ব্যৱহাৰ, সাহিত্যৰ প্ৰতি আগ্ৰহ সৃষ্টি আৰু নিজস্ব ভাষা-সংস্কৃতিৰ ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত শাখা সাহিত্য সভাখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। নৱনিযুক্ত সভাপতি শ্যামল পাল আৰু সাধাৰণ সম্পাদক ইয়াৰফুল ইছলামৰ নেতৃত্বত শাখা সাহিত্য সভাখনে ভাষা-সাহিত্যৰ উন্নয়নৰ স্বাৰ্থত সকলোকে একত্ৰিত কৰি আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰিছে। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজক সাহিত্যচৰ্চাৰ প্ৰতি উৎসাহিত কৰাৰ ক্ষেত্ৰতো সমিতিখনে বিশেষ পদক্ষেপ ল'ব বুলি আশা কৰা হৈছে। মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভাৰ গঠনক স্থানীয় সাহিত্যপ্ৰেমী আৰু সচেতন মহলে আদৰণি জনাইছে। সংশ্লিষ্টসকলৰ মতে, সঠিক পৰিকল্পনা আৰু সৰ্বস্তৰৰ ৰাইজৰ সহযোগিতা লাভ কৰিলে এই নতুন শাখা সাহিত্য সভাই আগন্তুক দিনত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধনত এক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

# বৰপেটাৰ বেঁকী নৈৰ গৰাখহনীয়াৰ স্থায়ী সমাধানৰ দাবীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ আগষ্ট** বৰপেটা জিলাৰ বিভিন্ন অঞ্চলত বেঁকী নৈৰ ভয়াৱহ গৰাখহনীয়াই কৃষিজীৱী ৰাইজৰ মাজত ব্যাপক উদ্বেগৰ সৃষ্টি কৰিছে। বিশেষকৈ ৰছুলপুৰ অঞ্চলত নৈখনৰ অব্যাহত গৰাখহনীয়াৰ ফলত ইতিমধ্যে বহু কৃষিভূমি নৈৰ বুকুত জাহ যোৱাৰ লগতে মৰাপাট আৰু ধানৰ খেতিও বিস্তৰ ক্ষতিগ্ৰস্ত হৈছে। গৰাখহনীয়াৰ এই সমস্যা শীঘ্ৰে সমাধান কৰা আৰু ইয়াৰ স্থায়ী প্ৰতিৰোধৰ দাবীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে অঞ্চলটোত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৱে বেঁকী নৈৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত আৰু দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, বছৰৰ পিছত বছৰ ধৰি বেঁকী নৈৰ গৰাখহনীয়াই কৃষিভূমি, বসতিভিটা আৰু জীৱিকাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বহু কৃষকে নিজৰ খেতিৰ মাটি হেৰুৱাই আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ এইবাৰ মৰাপাট আৰু ধানৰ খেতি নৈৰ বুকুত জাহ যোৱাত কৃষকসকলৰ মাজত হতাশাৰ সৃষ্টি হৈছে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে গৰাখহনীয়াৰ সমস্যাটো দীৰ্ঘদিনীয়া হোৱাৰ পাছতো ইয়াৰ স্থায়ী সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ফলত প্ৰতিবছৰে নৈপৰীয়া ৰাইজে একেই সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইফালে, গৰাখহনীয়াৰ সমস্যাক লৈ স্থানীয় জনপ্ৰতিনিধি আৰু জিলা প্ৰশাসনৰ বিৰুদ্ধেও তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে। গৰাখহনীয়াৰ পৰা কৃষিভূমি আৰু জনবসতি ৰক্ষা কৰিবলৈ জৰুৰী ভিত্তিত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত কৃষকসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনাইছে স্থানীয় ৰাইজে। বেঁকী নৈৰ গৰাখহনীয়াই আগন্তুক দিনত অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ আশংকা প্ৰকাশ কৰি ৰাইজে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক বিষয়টো গুৰুত্বসহকাৰে লৈ শীঘ্ৰে স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

আমগুৰি ৰাজহ চক্ৰ বিষয়াক স্মাৰকপত্ৰ প্ৰদান; সাত দিনৰ ভিতৰত তদন্ত নকৰিলে গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ

# নাজিৰাৰ কাঠকটীয়া বৰুৱা আলি নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ অভিযোগ টাইপাৰ

**অসম বাৰ্তা, চেলেংহাট, ২৯ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰায় ৪০খন গাঁৱৰ একমাত্ৰ সংযোগী মূল পথ কাঠকটীয়া বৰুৱা আলি (দৈৰ্ঘ্য ১১.৫৬৬ কি: মি:)ৰ নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে টাই তাই আহোম যুৱ পৰিষদ, অসম (টাইপা)ৰ আমগুৰি আঞ্চলিক সমিতিয়ে। প্ৰায় ৯৭ লাখ টকাৰ কাল্পনিক মাটিৰ কাম দেখুৱাই ৰাজহুৱা ধন লুণ্ঠনৰ অপচেষ্টা চলোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৰ আমগুৰি আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা আদিত্য ৰুচাও, সভাপতি ৰাজা গগৈ, যুটীয়া সম্পাদক ৰাহুল সন্দিকৈ আৰু ৰণ্টু কোঁৱৰৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ আজি আমগুৰি ৰাজহ চক্ৰ বিষয়াক প্ৰদান কৰে। এই কেলেংকাৰীৰ বিৰুদ্ধে সোচ্চাৰ হৈ সংগঠনটোৱে উত্থাপন কৰা অভিযোগ অনুসৰি, চৰকাৰী কাগজ-পত্ৰত পথটোৰ মাটিৰ কামৰ বাবে মুঠ ৯৭.৮০ লাখ টকাৰ ধন আৱণ্টন কৰা হৈছিল। ইয়াৰে ৩৩,৯২১ ঘনমিটাৰ (৭৭.৫১ লাখ টকা) আৰু পৃথককৈ চাইড বাম নিৰ্মাণৰ বাবে ৬,৭৫১ ঘনমিটাৰ (২০.২৯ লাখ টকা) ধৰি মুঠ ৪০,৬৭২ ঘনমিটাৰ মাটিৰ কাম দেখুওৱা হৈছে, যি প্ৰায় ৪,০০০ ডাম্পাৰ মাটিৰ সমান। কিন্তু বাস্তৱত ডব্লিউ বি এম ৰ তলত নতুন মাটিৰ এটা স্তৰো নাই। কেৱল চাইড বামত অলপমান মাটি পেলায়েই বিভাগীয় অভিযন্তা আৰু ঠিকাদাৰে মিলি এই বৃহৎ পৰিমাণৰ ধন আত্মসাতৰ অভিসন্ধি ৰচনা কৰা বুলি টাইপাৰ বিষয়ববীয়াসকলে অভিযোগ কৰে। স্মাৰক পত্ৰত টাইপাই এল চেকচন বনাম ক্ৰছ চেকচনৰ এক ডাঙৰ কাৰিকৰী বিসংগতিৰো অভিযোগ তুলিছে। পথটোৰ Ch.9125 চেইনেজত এল চেকচনত ফিলিং ০.০০ মিটাৰ (অৰ্থাৎ ৰাস্তাত মাটিৰ কোনো প্ৰয়োজন নাই) বুলি দেখুওৱা হৈছে। অথচ, একেটা স্থানতে ক্ৰছ চেকচনত ০.৯৫ মিটাৰৰ পৰা ১.১০ মিটাৰ পৰ্যন্ত ফিলিং দেখুওৱা হৈছে। লোকনিৰ্মাণ বিভাগৰ নিয়ম অনুসৰি দুয়োটাৰে চেণ্টাৰ আৰ এল একে হ'ব লাগে। এই ০.৯৫ মিটাৰৰ পাৰ্থক্যই প্ৰমাণ কৰে যে ক্ৰছ চেকচনত অ' জি এল ইচ্ছাকৃতভাৱে তললৈ নমাই ভুৱা মাটিৰ প্ৰয়োজনীয়তা সৃষ্টি কৰা হৈছে। ইফালে, প্ৰাক্কলন অনুসৰি পথটোৰ পুৰণি হিউম পাইপৰ দৈৰ্ঘ্য ৭.৫ মিটাৰ বুলি উল্লেখ আছে, যাৰ অৰ্থ হ'ল পুৰণি ৰাস্তাটো আগৰে পৰা ৭.৫ মিটাৰ বহল আছিল। যি সময়ত পুৰণি ৰাস্তা ৭.৫ মিটাৰ আৰু প্ৰস্তাৱিত ৰাস্তাও ৭.৫ মিটাৰ, তেনেস্থলত বৃহৎ পৰিমাণৰ মাটিৰ প্ৰয়োজন ক'ৰ পৰা আহিল বুলি টাইপাই প্ৰশ্ন উত্থাপন কৰিছে। এই সমগ্ৰ অনিয়মৰ বিৰুদ্ধে টাইপা আমগুৰি আঞ্চলিক সমিতিয়ে স্মাৰকপত্ৰখনত বিষয়টোৰ ক্ষিপ্ৰ তদন্ত কৰি দোষী বিষয়া আৰু ঠিকাদাৰৰ বিৰুদ্ধে দৃষ্টান্তমূলক আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। আগন্তুক ৭ দিনৰ ভিতৰত ব্যৱস্থা লোৱা নহয়, তেন্তে মুখ্য অভিযন্তা, চান্দমাৰী আৰু মুখ্যমন্ত্ৰীৰ সতৰ্কতা কোষত অভিযোগ দাখিল কৰাৰ লগতে গণতান্ত্ৰিক প্ৰতিবাদৰ হুংকাৰ টাই আহোম যুৱ পৰিষদ (টাইপা)ৰ।

# ডুমডুমাত চতুৰ্থ বাৰ্ষিক বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষাৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ** এক ব্যতিক্ৰমী পদক্ষেপত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই বিগত তিনিটা বছৰত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশিকৃত আৰু অপ্ৰাদেশিকৃত (ব্যক্তিগত খণ্ডৰ বিদ্যালয় বাদে) বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা’ অনুষ্ঠিত কৰি আহিছে। এইবাৰো বিধায়ক গোৱালাই চতুৰ্থ বৰ্ষৰ বাবে উক্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই বিষয়ে আলোচনা কৰিবলৈ যোৱা ২৭ আগষ্টত ডুমডুমাৰ ‘টি চিটি গেষ্ট হাউচ'ত বিধায়ক ৰূপেশ গোৱালাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাই অহা ১ নৱেম্বৰত এই পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত এই পৰীক্ষা পৰিচালনাৰ বাবে ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনক সভানেত্ৰী, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকাক কাৰ্যকৰী সভাপতি, ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু শিক্ষক তথা সাংবাদিক অভিজিৎ খাটনিয়াৰক উপ-সভাপতি, পিএমশ্ৰী হুণলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খানক সদস্য সচিব, বিশিষ্ট সমাজকৰ্মী দিলীপ প্ৰসাদ, দিয়ামূলী চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক নাজিৰিয়াচ কিণ্ডো আৰু ডুমডুমা পৌৰসভাৰ ৱাৰ্ড সদস্য নয়ন ডেকাক সহকাৰী সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰি দিয়া হয়। তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তী শৰ্মা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী অৰ্জুন বৰুৱাক পৰিচালনা সমিতিৰ উপদেষ্টা হিচাপে মনোনীত কৰা হয়। পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ডুমডুমা বিধানসভা সমষ্টিৰ বিদ্যালয়সমূহৰ প্ৰধানসকল এই সমিতিত সদস্য হিচাপে থাকিব। বিগত তিনি বছৰৰ দৰে এইবাৰো এই পৰীক্ষাটি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ বিধায়ক ৰূপেশ গোৱালাই সকলোৰে সহযোগিতা কামনা কৰে।

# বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত ‘ভাৰ্চুৱেল শুনানী কক্ষ’ মুকলি

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৯ আগষ্ট ঃ** ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে ন্যায়িক সেৱা অধিক সহজ, দ্ৰুত আৰু সুলভ কৰাৰ লক্ষ্যৰে আজি বৰপেটা জিলাৰ সত্ৰ আৰু ন্যায়াধীশৰ আদালত চৌহদত দুটাকৈ ভাৰ্চুৱেল শুনানী কক্ষ মুকলি কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ কৌশিক গোস্বামীয়ে এই কক্ষ দুটা মুকলি কৰে। এই উপলক্ষে বৰপেটা জিলা আইন সেৱা প্ৰাধিকৰণ আৰু বৰপেটা জিলা ন্যায়পালিকাৰ সহযোগত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালত চৌহদত এখন সজাগতা সভাও অনুষ্ঠিত হয়। সজাগতা সভাত ন্যায়াধীশ গোস্বামীয়ে ভাৰ্চুৱেল শুনানীৰ জৰিয়তে কিদৰে অধিবক্তা সকলৰ লগতে সৰ্বসাধাৰণ লোক উপকৃত হ'ব পাৰে সেই সম্পৰ্কে বক্তব্য প্ৰদান কৰে। ভাৰ্চুৱেল শুনানিৰ সুবিধাসমূহৰ ব্যৱহাৰ, পদ্ধতি আৰু সুবিধাসমূহৰ বিষয়ে অংশীদাৰ আৰু সাধাৰণ জনতাৰ মাজত সজাগতা সৃষ্টি কৰা আৰু ফলপ্ৰসূ, ক্ষিপ্ৰ আৰু সুলভ ন্যায় প্ৰদানৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকা সম্পৰ্কেও তেওঁ বক্তব্য প্ৰদান কৰে। কনিষ্ঠ শাখাৰ দেৱানী ন্যায়াধীশ বৃষ্টিৰেখা মহন্তই আত ধৰা সভাত জিলা আৰু সত্ৰ ন্যায়াধীশ অংজিতা মহন্তই আদৰণি ভাষণ প্ৰদান কৰে। বৰপেটা উকিল সন্থাৰ সভাপতি ডেভিদ লেজাৰেও সভাত চমু ভাষণ প্ৰদান কৰে। বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশ নিলাক্ষী লহকৰে সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায়।

# বিজনী মহাবিদ্যালয়ত দুখনকৈ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, বিজনী, ২৯ আগষ্ট ঃ** চিৰাং জিলাৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰতিষ্ঠান বিজনী মহাবিদ্যালয়ৰ আলোচনা কক্ষত শুকুৰবাৰে দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ সন্মিলন কক্ষত শুকুৰবাৰে ‘ECONOMIC VIEWS’ আৰু ‘INKWELL’ শীৰ্ষক গ্ৰন্থ দুখন উন্মোচন কৰা হয়। বিজনী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক মলয় কুমাৰ চন্দৰ মুখ্য সম্পাদনাত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ অন্তৰ্গত গৱেষণা, উদ্ভাৱন আৰু প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত ‘ECONOMIC VIEWS’ গ্ৰন্থখনৰ ষষ্ঠ খণ্ড উন্মোচন কৰে বিজনী মহকুমাধিপতি কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত চম্পক নাথে। আনহাতে, বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° গোবিন্দ বৈশ্যৰ মুখ্য সম্পাদনাত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল লেখনীৰে সমৃদ্ধ বহুভাষিক প্ৰবন্ধ সংকলন “INKWELL” শীৰ্ষক প্ৰথম খণ্ড উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বীৰহাসগিৰী বসুমতাৰীয়ে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিজনী মহাবিদ্যালয়ৰ উপাধ্যক্ষা সবিতা ৰায়, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° বাবুল বসুমতাৰীৰ লগতে বিভিন্ন মহাবিদ্যালয়খনৰ বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

# তিনিচুকীয়া মাষ্টাৰ প্লেন এলেকাৰ জলনিষ্কাশন প্ৰকল্প সন্দৰ্ভত অংশীদাৰী বিভাগসমূহৰ গুৰুত্বপূৰ্ণ সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ** তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ সভাপতিত্বত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ উদ্যোগত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোহাঁই আৰু তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়াৰ উপস্থিতিত তিনিচুকীয়া মাষ্টাৰ প্লেন এলেকাৰ অধীনত কৃত্ৰিম বানপানী সমস্যা সমাধানৰ বাবে ড্ৰেইনেজ প্ৰকল্প প্ৰস্তুত কৰা সন্দৰ্ভত অংশীদাৰী বিভাগসমূহৰ এখনি গুৰুত্বপূৰ্ণ সভা আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে তিনিচুকীয়া নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ যুটীয়া সঞ্চালক বিশ্বজিৎ ভূঞাই তিনিচুকীয়া চহৰৰ কৃত্ৰিম বানপানী প্ৰভাৱিত এলেকাসমূহৰ ওপৰত আলোকপাত কৰাৰ লগতে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ মূল নৰ্দমা আৰু অন্যান্য নলা-নৰ্দমাসমূহৰ বৰ্তমানৰ অৱস্থা আৰু এই ক্ষেত্ৰত ল'ব পৰা যাৱতীয় পৰিকল্পনা সন্দৰ্ভত সবিশেষ তথ্য দাঙি ধৰে। নগৰ আৰু গাঁও পৰিকল্পনাৰ নলী, নৰ্দমা বিভাগৰ কাৰ্যবাহী অভিযন্তা তপন কুমাৰ শৰ্মাই তিনিচুকীয়া মাষ্টৰ প্লেন এলেকাৰ বাবে প্ৰস্তুত কৰা জলনিষ্কাশন প্ৰকল্পৰ সবিশেষ পৰিকল্পনা বিস্তৃতভাৱে প্ৰদৰ্শন কৰে। আজিৰ সভাত জলনিষ্কাশন প্ৰকল্পৰ বিশদ প্ৰকল্প প্ৰতিবেদনত (DPR) অগ্ৰাধিকাৰ ভিত্তিক চহৰখনৰ কোনবোৰ নলা-নৰ্দমা অন্তৰ্ভুক্ত কৰিব লাগে, নতুনকৈ নলা-নৰ্দমা নিৰ্মাণৰ প্ৰয়োজনীয়তা, জলমগ্ন অঞ্চলসমূহৰ তথ্য আৰু সম্ভাব্য সমাধানৰ বিষয়ে আলোচনা কৰা হয়। জিলা আয়ুক্ত সুমিত ছাত্তাৱানে পানী নিষ্কাশনৰ বাবে নলা নৰ্দমাসমূহৰ নিৰ্মাণৰ পৰিকল্পনা নিখুঁট হোৱাৰ লগতে সকলো সংশ্লিষ্ট বিভাগক সমন্বয়ৰ মাজেৰে কাম কৰিবলৈ আহ্বান জনায়। আনহাতে, নলা-নৰ্দমাসমূহৰ নিৰীক্ষণৰ বাবে “পাবলিক অডিট টিম” গঠনৰো পোষকতা কৰে। নৰ্দমা নিৰ্মাণত গাফিলতি কৰিলে নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে এফ.আই.আৰ দাখিল কৰা হ'ব বুলিও তেওঁ সভাত জানিবলৈ দিয়ে। আজিৰ সভাত তিনিচুকীয়া পৌৰ সভাৰ আটাইকেইটা ৱাৰ্ডৰ ৱাৰ্ড মেম্বাৰসকল, লোক নিৰ্মাণ (পথ), খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, তিনিচুকীয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ বিষয়ববীয়াৰ লগতে তিনিচুকীয়া ৰেলৱেৰ বিষয়া আৰু স্থানীয় সংবাদকৰ্মীসকল উপস্থিত থাকে।

# বিগত ছয় মাহ ধৰি অৰ্ধ নিৰ্মিত অৱস্থাত থকা বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ মুখ্য পথ নিৰ্মাণৰ দাবীত অইল অৱৰোধ কাৰ্যসূচীৰ ঘোষণা অসম মৰাণ সভাৰ

**অসম বাৰ্তা, মাকুম, ২৯ আগষ্ট ঃ** মাকুম সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ বাৰেকুৰী অঞ্চল। ২১খন গাঁও আৱৰি থকা বাৰেকুৰি অঞ্চলৰ মুখ্যপথৰ দুৰৱস্থা। মাকুম বাইপাছ বাৰেকুৰি সংযোগী ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ মুখ্য পথটো বিগত ছয় মাহ ধৰি অৰ্ধ নিৰ্মিত অৱস্থাত আছে। অইল ইণ্ডিয়া লিমিটেডৰ অধীনত এই পথটো নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল। অৰ্ধনিৰ্মিত অৱস্থাত থকাৰ বাবে সিঁচৰতি হৈ থকা পাথৰবোৰৰ কাৰণে নিতৌ বিদ্যালয়লৈ অহা যোৱা কৰা ছাত্ৰ-ছাত্ৰী, ৰোগী কঢ়িওৱা যান বাহন ইত্যাদিৰ লগতে সাধাৰণ ৰাইজে জীয়াতু ভুগি আহিছে। তদুপৰি বিগত ছয় মাহত এই পথটোত কেইবাটাও পথ দুৰ্ঘটনা আদি সংঘটিত হৈ আহিছে। স্থানীয় ৰাইজৰ লগতে স্থানীয় দল সংগঠনে পথটো সম্পূৰ্ণ নিৰ্মাণৰ বাবে অইল ইণ্ডিয়া লিমিটেডক বাৰংবাৰ ওজৰ-আপত্তি কৰা সত্বেও আজিকোপতি পথ নিৰ্মাণৰ বাবে কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। সেয়েহে আজি পুনৰ অসম মৰাণ সভা বাৰকুৰি আঞ্চলিক সমিতিয়ে এই বিষয়টোৰ সন্দৰ্ভত সৰৱ হৈছে। অসম মৰাণ সভা বাৰকুৰি আঞ্চলিক সমিতিৰ দাবী অনুযায়ী আজি সন্ধ্যাৰ ভিতৰত অইল ইণ্ডিয়া লিমিটেডৰ



কৰ্তৃপক্ষই পথটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যদি কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অহা কাইলৈৰ পৰা বৃহত্তৰ বাৰেকুৰি অঞ্চলত অৱস্থিত তৈল খাদ সমূহ, OCSৰ লগতে অইল ইণ্ডিয়া লিমিটেডৰ চলাচল কৰা যান-বাহন সমূহ অনিৰ্দিষ্ট কাললৈ বন্ধ কৰাৰ ঘোষণা কৰিছে। অসম মৰাণ সভাৰ বিষয়ববীয়া অভিযোগ যে এই অঞ্চলত বছৰ বছৰ ধৰি অইল ইণ্ডিয়া লিমিটেডে খনন কাৰ্য চলাই খাৰুৱা তেল ৰপ্তানি কৰি মুনাফা লুটি আছে, তৎসত্তেও এটা মুখ্য পথ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত হেমাহি কৰিছে। গতিকে ৰাইজৰ দাবী অইল ইণ্ডিয়া লিমিটেডে গুৰুত্ব সহকাৰে লওক অন্যথ্যা প্ৰতিবাদৰ সন্মুখীন হ'বলৈ সাজোঁ থাকক বুলি সংবাদ মাধ্যমৰ জৰিয়তে অইল ইণ্ডিয়া লিমিটেডলৈ সকীয়নী প্ৰদান কৰে অসম মৰাণ সভা বাৰেকুৰি আঞ্চলিক সমিতিৰ সভাপতি নিকুঞ্জ চুতীয়া আৰু সম্পাদক পাৰ্থজিৎ বড়ায়ে।

# ভাদ মাহ পৰম্পৰা আৰু আধুনিকতাৰ চিন্তা



নলিনী ৰঞ্জন ভূঞা

অসমীয়া জাতিৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনলৈ ভক্তিৰসৰ সুবাস কঢ়িয়াই পুনৰ আৰম্ভ হ'ল পবিত্ৰ ভাদ মাহ।

অসমীয়া জীৱনধাৰাত ভাদ মাহৰ এক সুকীয়া স্থান আছে। বছৰৰ আন মাহবোৰৰ তুলনাত ভাদ মাহ অসমীয়া সমাজৰ মনোজগত, আধ্যাত্মিকতা আৰু সাংস্কৃতিক পৰিচয়ৰ সৈতে অধিক গভীৰভাৱে জড়িত। ভাদ মাহ আহিলেই অসমৰ গাঁও-চহৰ, নামঘৰ-সত্ৰ, পৰিয়াল আৰু সামাজিক জীৱনত এক বিশেষ ভক্তিময় পৰিৱেশৰ সৃষ্টি হয়। নাম-কীৰ্তনৰ ধ্বনি, ভক্তিৰস, ধৰ্মীয় আচাৰ-পৰম্পৰা আৰু মহাপুৰুষীয়া সংস্কৃতিৰ চৰ্চাই এই মাহটোক অসমীয়া জাতিৰ সাংস্কৃতিক জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে প্ৰতিষ্ঠা কৰিছে। কিন্তু এই ঐতিহ্য একেই ৰূপত বৰ্তমানলৈকে অটুট আছে বুলি ক'ব নোৱাৰি। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাদ মাহক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সামাজিক আৰু সাংস্কৃতিক জীৱনতো পৰিৱৰ্তন আহিছে। বিজ্ঞান, প্ৰযুক্তি, নগৰীকৰণ আৰু নতুন চিন্তা-চেতনাই আমাৰ জীৱনধাৰাত গভীৰ প্ৰভাৱ পেলাইছে। মানুহৰ জীৱনশৈলী, সামাজিক সম্পৰ্ক আৰু মূল্যবোধৰ ক্ষেত্ৰতো আহিছে ব্যাপক পৰিৱৰ্তন। এনে পৰিৱৰ্তনৰ মাজত ভাদ মাহৰ পৰম্পৰা আৰু আধ্যাত্মিক-সাংস্কৃতিক চেতনাই কিদৰে নিজকে বৰ্তমান সময়ৰ সৈতে খাপ খুৱাই লৈছে, সেয়া বিশেষভাৱে মন কৰিবলগীয়া।

ভাদ মাহৰ সৈতে অসমীয়া সমাজৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিচয় গভীৰভাৱে সংপৃক্ত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শই অসমৰ সামাজিক জীৱনত এক নতুন জাগৰণ আনিছিল। তেওঁলোকৰ প্ৰচেষ্টাত নামঘৰ আৰু সত্ৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল এক অনন্য সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ। নাম-প্ৰসংগ, কীৰ্তন, বৰগীত, ভাওনা, অংকীয়া নাট, বাদ্য আৰু মহাপুৰুষীয়া সাহিত্যই অসমীয়া জাতিৰ সাংস্কৃতিক জীৱন সমৃদ্ধ কৰিছিল। ভাদ মাহৰ সৈতে গুৰুদুজনাৰ তিৰোভাৱ তিথিৰো এক গভীৰ সম্পৰ্ক আছে। এই সময়ছোৱাত নামঘৰ আৰু সত্ৰসমূহত শ্ৰদ্ধা আৰু ভক্তিৰে বিভিন্ন ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান পালন কৰা হয়। নাম-কীৰ্তন, ভাগৱতপাঠ, ভাওনা আদি অনুষ্ঠান কেৱল ধৰ্মীয় আচাৰতে সীমাবদ্ধ নহয়। ইয়াৰ মাজেৰে গুৰুদুজনাৰ ভক্তি, নৈতিকতা, মানৱতা, সমতা আৰু সামাজিক সম্প্ৰীতিৰ আদৰ্শও স্মৰণ কৰা হয়।

ভাদ মাহ শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ বাবেও বিশেষ তাৎপৰ্যপূৰ্ণ। জন্মাষ্টমী উপলক্ষে নাম-কীৰ্তন, পূজা-পাৰ্বণ আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হয়। ভক্তসকলে উপবাস, নাম-প্ৰসংগ আৰু পূজাৰ জৰিয়তে শ্ৰীকৃষ্ণৰ জন্ম আৰু আদৰ্শ স্মৰণ কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ নামঘৰ আৰু সত্ৰসমূহ এই সময়ছোৱাত ভক্তি আৰু সমূহীয়া চেতনাৰ মিলনস্থলীলৈ পৰিণত হয়। ইয়াৰ লগতে বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ মাজত প্ৰচলিত ধৰ্মীয় আৰু সামাজিক উৎসৱ-পাৰ্বণেও অসমৰ বহুত্ববাদী আৰু সমন্বয়মূলক সংস্কৃতিৰ প্ৰকাশ ঘটায়। এই বৈচিত্ৰ্যই ভাদ মাহক কেৱল ধৰ্মীয় মাহ হিচাপে নহয়, অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এক বহুমাত্ৰিক প্ৰতিফলন হিচাপেও প্ৰতিষ্ঠা কৰিছে।

ভাদ মাহৰ তাৎপৰ্য কেৱল ধৰ্মীয় অনুষ্ঠানতে সীমাবদ্ধ নহয়। নামঘৰ হ'ল-অসমীয়া গাঁৱলীয়া সমাজৰ এক গুৰুত্বপূৰ্ণ সামাজিক কেন্দ্ৰ। সামাজিক আলোচনা, সমূহীয়া সিদ্ধান্ত, সাংস্কৃতিক চৰ্চা আৰু বিভিন্ন জনকল্যাণমূলক কামতো নামঘৰৰ ভূমিকা আছিল উল্লেখযোগ্য। একেলগে বহি নাম-কীৰ্তন কৰা, প্ৰসাদ গ্ৰহণ কৰা আৰু মত-বিনিময় কৰাৰ পৰম্পৰাই মানুহৰ মাজত ভাতৃত্ববোধ, সহযোগিতা আৰু আত্মীয়তা বৃদ্ধি কৰিছিল। ভাদ মাহত সমূহীয়া নাম-প্ৰসংগ আৰু সাংস্কৃতিক অনুষ্ঠান বৃদ্ধি পোৱাৰ ফলত এই সামাজিক বন্ধন অধিক দৃঢ় হৈছিল।

কিন্তু বৰ্তমান সময়ত সেই সামাজিক পৰিৱেশ যথেষ্ট সলনি হৈছে। নগৰীকৰণৰ প্ৰভাৱ গাঁওসমূহতো ক্ৰমাৎ বৃদ্ধি পাইছে। মানুহৰ ব্যস্ততা বাঢ়িছে, যৌথ পৰিয়ালৰ সংখ্যা কমিছে আৰু শিক্ষা তথা কৰ্মসংস্থাপনৰ বাবে বহু যুৱক-যুৱতী গাঁও এৰি নগৰলৈ গৈছে। ফলত পূৰ্বপুৰুষৰ পৰা লাভ কৰা বহু পৰম্পৰাৰ সৈতে তেওঁলোকৰ দৈনন্দিন সম্পৰ্ক ক্ৰমে হ্ৰাস পাইছে। আধুনিক জীৱনধাৰা আৰু সামাজিক মাধ্যমৰ ব্যস্ততাই মানুহক বহু সময়ত সমূহীয়া জীৱনৰ পৰাও আঁতৰাই নিছে। অৱশ্যে এই পৰিৱৰ্তনক কেৱল নেতিবাচক দৃষ্টিৰে চোৱা অনুচিত। সময়ৰ গতিত জীৱনশৈলী সলনি হোৱাটো স্বাভাৱিক। গতিকে পৰম্পৰাৰ বাহ্যিক ৰূপ সলনি হ'লেও ইয়াৰ অন্তৰ্নিহিত জীৱন-দৰ্শন আৰু সাৰমৰ্মখিনি অক্ষুণ্ণ ৰখাটোহে আমাৰ মূল লক্ষ্য হোৱা উচিত।

দৰাচলতে আধুনিকতা আৰু পৰম্পৰা পৰস্পৰবিৰোধী নহয়। আধুনিকতাই আমাক বিজ্ঞানমনস্কতা, নতুন জ্ঞান আৰু পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই লোৱাৰ ক্ষমতা দিয়ে। আনহাতে পৰম্পৰাই আমাক আত্মপৰিচয়, সাংস্কৃতিক শিপা আৰু ঐতিহাসিক চেতনাৰ সন্ধান দিয়ে। যি ঐতিহ্যই মানুহৰ মাজত ঐক্য, সহমৰ্মিতা আৰু সামাজিক দায়বদ্ধতা গঢ়ি তোলে, তাক আধুনিক দৃষ্টিভংগীৰে জীয়াই ৰখাটোহে আমাৰ কাম্য হোৱা উচিত। এই ক্ষেত্ৰত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। জাতি, ধৰ্ম, ভাষা অথবা সামাজিক স্থিতিৰ



নামত মানুহৰ মাজত দেখা দিয়া বিভাজন আৰু মানসিক দূৰত্ব দূৰ কৰিবলৈ গুৰুদুজনাৰ উদাৰ আৰু সমন্বয়বাদী চিন্তাৰ প্ৰয়োজনীয়তা আজিও অটুট আছে। সেয়েহে ভাদ মাহৰ চৰ্চা কেৱল নামঘৰৰ মজিয়াতে সীমাবদ্ধ নাৰাখি ব্যক্তি আৰু সমাজৰ ব্যৱহাৰিক জীৱনত সেই আদৰ্শৰ প্ৰতিফলন ঘটোৱাটোহে প্ৰকৃত উদ্দেশ্য হোৱা উচিত। এই দিশত নৱপ্ৰজন্মৰ ভূমিকা বিশেষভাৱে গুৰুত্বপূৰ্ণ। বৰ্তমান শিশু তথা নৱপ্ৰজন্মৰ বহুতৰে মাজত নামঘৰীয়া পৰম্পৰা, কীৰ্তন, বৰগীত, ভাওনা বা মহাপুৰুষীয়া সাহিত্যৰ প্ৰতি আগ্ৰহৰ নাটনি আৰু পৰ্যাপ্ত জ্ঞান লাভৰ সুযোগৰ অভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ বাবে কেৱল নৱপ্ৰজন্মক দায়ী কৰাটো উচিত নহয়। পৰিয়াল, শিক্ষানুষ্ঠান আৰু সমাজ- সকলোৰে দায়িত্ব আছে। পৰম্পৰাক কেৱল কিছুমান জটিল নিয়ম-কানুনৰ মাজত আবদ্ধ কৰি নাৰাখি ইয়াৰ অন্তৰ্নিহিত সৌন্দৰ্য, জ্ঞান আৰু মানৱীয় মূল্যবোধ সহজ ভাষাত নৱপ্ৰজন্মৰ আগত তুলি ধৰিবলৈ চলোৱা প্ৰচেষ্টাহে আমাৰ মূল লক্ষ্য হোৱা উচিত।

ভাদ মাহৰ অনুষ্ঠানসমূহকো সময়ৰ প্ৰয়োজন অনুসৰি অধিক সৃষ্টিশীল আৰু অৰ্থবহ কৰি তোলা প্ৰয়োজন। নাম-প্ৰসংগৰ লগতে মহাপুৰুষীয়া সাহিত্যৰ পাঠ আৰু আলোচনা, শিশু সকলৰ সাংস্কৃতিক অনুষ্ঠান, বৰগীত আৰু ভাওনাৰ কৰ্মশালা, কুইজ, বক্তৃতা, চিত্ৰাংকন আদি আয়োজন কৰিব পাৰি। ইয়াৰ লগতে পৰিৱেশ সংৰক্ষণ, শিক্ষাৰ প্ৰসাৰ, ৰক্তদান বা সমাজসেৱামূলক কাৰ্যসূচী সংযুক্ত কৰিব পাৰি। তেতিয়াহে আধ্যাত্মিক সাধনা আৰু সামাজিক দায়বদ্ধতাৰ মাজত এক সুন্দৰ যোগসূত্ৰ সৃষ্টি হ'ব। আধুনিক সামাজিক মাধ্যমকো এই ক্ষেত্ৰত ইতিবাচকভাৱে ব্যৱহাৰ কৰিব পাৰি। বৰগীত, ভাওনা, কীৰ্তন, ভাগৱত আৰু নামঘৰীয়া সংস্কৃতিৰ বিষয়ে মানসম্পন্ন তথ্য আৰু শিক্ষামূলক বিষয়বস্তু প্ৰস্তুত কৰি ডিজিটেল মঞ্চসমূহৰ জৰিয়তে নতুন প্ৰজন্মৰ ওচৰলৈ লৈ যাব পাৰি। আজিৰ প্ৰজন্মৰ এক বৃহৎ অংশই যি মাধ্যমৰ জৰিয়তে জ্ঞান আৰু মনোৰঞ্জন লাভ কৰে, সেই মাধ্যমৰ পৰাই যদি নিজৰ সংস্কৃতিৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পায়, তেন্তে পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ দূৰত্ব যথেষ্ট কমাব পৰা যায়। ঐতিহ্যক আধুনিক প্ৰযুক্তিৰ সহায়ত উপস্থাপন কৰাটো সেয়ে পৰম্পৰাক সংৰক্ষণ কৰাৰ এক ফলপ্ৰসূ উপায় হ'ব পাৰে।

সময়ৰ পৰিৱৰ্তনৰ লগে-লগে সমাজত থকা কুসংস্কাৰ বা যুক্তিহীন ব্যৱস্থাসমূহ পৰিহাৰ কৰি সমাজহিতৈষী আৰু যুক্তিনিষ্ঠ দৃষ্টিভংগীক আঁকোৱালি লোৱাটোও প্ৰয়োজন। গুৰুদুজনাৰ চিন্তাৰ অন্যতম লক্ষ্য আছিল সমাজ সংস্কাৰ আৰু মানুহৰ কল্যাণ। সেয়েহে পৰম্পৰাৰ অন্ধ অনুকৰণ নকৰি তাৰ প্ৰগতিশীল আৰু সংস্কাৰকামী বাৰ্তাক গ্ৰহণ কৰাটোহে অধিক যুক্তিসংগত। অতীতক সম্পূৰ্ণ পাহৰি আধুনিক হ'বলৈ গ'লে যেনেকৈ নিজৰ শিপা আৰু পৰিচয়ৰ পৰা বিচ্ছিন্ন হোৱাৰ আশংকা থাকে, ঠিক তেনেকৈ নতুন চিন্তাক অস্বীকাৰ কৰি কেৱল অতীতলৈ উভতি চালেও সমাজ স্থবিৰ হৈ পৰে। গতিকে পৰম্পৰা আৰু আধুনিকতাৰ মাজত এক সুস্থ, যুক্তিনিষ্ঠ আৰু গতিশীল সমন্বয় সাধন কৰাটোহে আজিৰ সময়ৰ প্ৰধান আহ্বান।

পৰিশেষত ক'ব পাৰি যে, ভাদ মাহে অসমীয়া সমাজক সমন্বয়ৰ এক সুন্দৰ শিক্ষা দিয়ে। এই মাহৰ ধৰ্মীয় আচাৰ-পৰম্পৰাৰ অন্তৰালত নিহিত আছে ভক্তি, মানৱতা, সমতা, সম্প্ৰীতি আৰু সামাজিক দায়বদ্ধতাৰ দৰে মূল্যবোধ। সেয়েহে ভাদ মাহক কেৱল এটা ধৰ্মীয় মাহ বা অতীতৰ স্মৃতি হিচাপে সীমাবদ্ধ নাৰাখি ইয়াৰ অন্তৰ্নিহিত মানৱীয় আৰু সমাজহিতৈষী আদৰ্শক নতুন সময়ৰ সৈতে সংযোগ কৰাটো প্ৰয়োজন। তেতিয়াহে ভাদ মাহ অসমীয়া সমাজৰ অতীতৰ গৌৰৱৰ স্মাৰক হৈ থকাৰ লগতে বৰ্তমান আৰু ভৱিষ্যতৰ বাবেও এক জীৱন্ত সাংস্কৃতিক শক্তি হিচাপে প্ৰৱাহিত হৈ থাকিব।

# ভক্তি, পৰম্পৰা আৰু অসমীয়া সংস্কৃতিৰ মিলনভূমি

অসমীয়া সমাজ-সংস্কৃতিৰ বুকুত ভাদ মাহৰ স্থান একেবাৰে সুকীয়া। এই পবিত্ৰ ভাদ মাহ আহিলেই যেন অসমৰ গাঁও-চহৰৰ পৰিৱেশটো অলপ সলনি হৈ পৰে। গধূলি হ'লেই অন্য মাহৰ সময়তকৈ এই মাহত নামঘৰৰ চৌহদত অধিক মাত্ৰাত জ্বলি উঠে বন্তি, ভাহি আহে হৰিনামৰ মধুৰ ধ্বনি। বিশেষকৈ গাঁৱৰ ৰাইজে দৈনন্দিন ব্যস্ততা অলপ আঁতৰাই থৈ নামঘৰলৈ ঢাপলি মেলাটো এক পৰম্পৰাগত বৈশিষ্ট্য। কোনোবাই হাতত শৰাই লৈ আহে, কোনোবাই আকৌ প্ৰসাদৰ যোগাৰ কৰে, আন কোনোবাই নাম-কীৰ্তনৰ ব্যৱস্থা কৰাত ব্যস্ত হৈ পৰে। মুঠতে এই পবিত্ৰ ভাদ মাহত অসমৰ চহা জীৱনৰ মাজত এক অনন্য ভক্তিৰসৰ পৰিৱেশ গঢ় লৈ উঠে। এই পবিত্ৰ মাহটো কেৱল এটা মাহেই নহয়, ই অসমীয়া জাতিৰ ধৰ্মীয় বিশ্বাস, সামাজিক সম্প্ৰীতি, লোকাচাৰ আৰু সাংস্কৃতিক পৰম্পৰাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ তিথি এই মাহৰ সৈতে গভীৰভাৱে সম্পৰ্কিত হোৱা বাবেই এই মাহ অসমীয়া বৈষ্ণৱ সমাজৰ বাবে অতি পবিত্ৰ। উচ্চ-নীচ, ধনী-দুখীয়া এই ভেদাভেদ বোৰ পাহৰি নামঘৰৰ চোতালত এক আধ্যাত্মিক মিলনৰ পৰিৱেশ গঢ়ি উঠে। অসমীয়া সমাজ জীৱনত নামঘৰ কেৱল নাম-প্ৰসঙ্গ কৰাৰ ঠায়েই নহয়, ই হৈছে গাঁৱৰ ৰাইজৰ মিলনস্থলী, সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। এই মাহত নামঘৰৰ চোতালখন যেন অধিক সজীৱ হৈ উঠে।

"আহক, আজি নামঘৰলৈ যাওঁ"- এই সাধাৰণ মাতষাৰেই বহুদিনৰ মূৰত চুবুৰীয়াকো একেলগে মিলাই দিয়ে। গাঁৱৰ ডেকা-বুঢ়া, আইতা-আজোককা, জীয়ৰী-বোৱাৰী সকলোৱে নিজৰ সাধ্য অনুসৰি নাম-প্ৰসংগত অংশ লয়। এই মিলনেই অসমীয়া সমাজৰ প্ৰকৃত শক্তি। সুখে-দুখে এজনে আনজনৰ কাষত থিয় দিয়া, বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱা আৰু সমাজখনক একেলগে আগুৱাই নিয়াৰ মানসিকতা নামঘৰীয়া সংস্কৃতিৰ এক অমূল্য অৱদান।

ভাদ মাহ আহিলেই অসমীয়াৰ মনলৈ আহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ আদৰ্শৰ সোঁৱৰণ যিটো বিশ্বত এক চিৰ অমৰ অৱদান। দুয়োগৰাকী মহাপুৰুষে ধৰ্মৰ মাজেৰে সমাজক একতাৰ ডোলেৰে বান্ধিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ বাণীত আছিল ভক্তিৰ লগতে মানৱতা, সমতা, প্ৰেম আৰু ভাতৃত্ববোধৰ শিক্ষা আইতা-আজোককাৰ মুখে মুখে শুনি অহা কীৰ্তন, নামঘোষা, বৰগীত আৰু মহাপুৰুষসকলৰ জীৱন-কাহিনীয়ে আজিও গাঁৱৰ সৰু-ডাঙৰ সকলোকে আকৰ্ষণ কৰে। এইদৰেই এজনে আনজনৰ পৰা শিকি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ আমাৰ সংস্কৃতি বৈ আহিছে। এই পবিত্ৰ মাহৰ আন এক উল্লেখযোগ্য ধৰ্মীয় উৎসৱ হৈছে শ্ৰীকৃষ্ণ জন্মাষ্টমী। জন্মাষ্টমীৰ দিনা বহু নামঘৰ আৰু সত্ৰত নিশালৈকে হৰিনাম, কীৰ্তন আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হয়। জন্মাষ্টমীৰ ভক্তিৰস গাঁৱৰ চোতালত সৰু ল'ৰা-ছোৱালীবোৰে কৃষ্ণৰ সাজ পিন্ধি ঘূৰি ফুৰে। নামঘৰৰ পৰা ভাহি অহা খোল-তালৰ মাত, হৰিনামৰ ধ্বনি আৰু ভক্তসকলৰ সমাগমে চৌদিশ মুখৰিত কৰি তোলে। কেতিয়াবা ভাওনা বা অংকীয়া নাটৰ আয়োজনেও গাঁৱৰ পৰিৱেশটো অধিক ৰঙীন কৰি তোলে। এইবোৰ কেৱল ধৰ্মীয় অনুষ্ঠানেই নহয়, ইয়াৰ মাজেৰে শিশুসকলে নিজৰ ক'লা-সংস্কৃতি আৰু ঐতিহ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰে।

অসমৰ সত্ৰসমূহ ভাদ মাহত বিশেষভাৱে সজীৱ হৈ উঠে। বৰগীত, গায়ন-বায়ন, সত্ৰীয়া নৃত্য, ভাওনা আদি বিভিন্ন সাংস্কৃতিক পৰম্পৰাই এই সময়ছোৱাত নতুন প্ৰাণ লাভ কৰে। বিশেষকৈ আজিৰ ডিজিটেল যুগত মোবাইল ফোন, টেলিভিছন আৰু সামাজিক মাধ্যমৰ ব্যস্ততাৰ মাজতো যদি কোনো এটি গাঁৱৰ নামঘৰৰ চোতালত বহি খোল-তালৰ সুৰ শুনা যায়, তেন্তে মনলৈ আহে আমাৰ ঐতিহ্য আৰু পৰম্পৰাৰ কথা। এইপৰম্পৰাই আমাক সোঁৱৰাই দিয়ে যে আধুনিক হ'লেও নিজৰ সংস্কৃতি পাহৰি গ'লে জাতি হিচাপে আমাৰ পৰিচয় দুৰ্বল হৈ পৰিব। এই পবিত্ৰ মাহৰ আটাইতকৈ সুন্দৰ দিশসমূহৰ ভিতৰত অন্যতম হৈছে সামাজিক সম্প্ৰীতি। একে ঠাইতে বহি সকলোৱে মিলি পবিত্ৰ মনেৰে হৰিনাম লয়। "সকলোৱে মিলি থাকিলেহে গাঁওখন ভাল"- এই সহজ চহা কথাষাৰ যেন ভাদ মাহৰ সামাজিক তাৎপৰ্যৰেই প্ৰতিফলন। নামঘৰক কেন্দ্ৰ কৰি মানুহৰ মাজত পৰস্পৰৰ খবৰ লোৱাৰ, দুখৰ দিনত কাষত থিয় দিয়াৰ আৰু সুখৰ দিনত আনন্দ ভাগ-বতৰা কৰাৰ পৰম্পৰা গঢ় লৈ উঠিছে। এই সামাজিক বন্ধন আজিৰ ব্যস্ত জীৱনত বিশেষভাৱে মূল্যৱান। এই মাহৰ অনুষ্ঠানসমূহ নতুন প্ৰজন্মৰ বাবে এখন জীৱন্ত সাংস্কৃতিক পাঠশালাৰ দৰে। কিতাপত পঢ়া শংকৰদেৱ-মাধৱদেৱৰ কথা, বৰগীত, কীৰ্তন, ভাওনা বা সত্ৰীয়া সংস্কৃতি যেতিয়া বাস্তৱ জীৱনত দেখিবলৈ পায়, তেতিয়াহে তাৰ প্ৰতি গভীৰ অনুৰাগ জন্মে।

সেয়ে নামঘৰ আৰু সত্ৰসমূহত ভাদ মাহ উপলক্ষে শিশু আৰু যুৱক-যুৱতীৰ বাবে বৰগীত, ভাওনা, সত্ৰীয়া নৃত্য, কীৰ্তন আৰু সাংস্কৃতিক আলোচনা আয়োজন কৰিলে নতুন প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে অধিক নিবিড়ভাৱে জড়িত কৰিব পৰা যাব। সময়ৰ সোঁতত সমাজ সলনি হৈছে। গাঁৱৰ জীৱনতো আধুনিকতাৰ প্ৰভাৱ পৰিছে। আগৰ দৰে সকলো মানুহে সদায় একেলগে থাকিব নোৱাৰে। তথাপি ভাদ মাহ আহিলেই বহু মানুহে নিজৰ ব্যস্ততা এৰি "নামঘৰলৈ এপাক যাওঁ" বুলি ওলাই আহে। এই সৰল অভ্যাসটোৱেই আমাৰ সাংস্কৃতিক শিপাডাল এতিয়াও সজীৱ কৰি ৰাখিছে। আধুনিক জীৱনে আমাক যিমানেই ব্যস্ত নকৰক কিয়, নামঘৰৰ বন্তিৰ পোহৰ, খোল-তালৰ মাত আৰু হৰিনামৰ সুৰে আজিও অসমীয়াৰ মনত এক বিশেষ টান সৃষ্টি কৰে।

সামৰণিত ক'ব পাৰি যে ভাদ মাহ অসমীয়া সমাজৰ বাবে কেৱল পঞ্জিকাৰ এটি মাহ নহয়। ই ভক্তি আৰু সংস্কৃতিৰ, পৰম্পৰা আৰু আধুনিকতাৰ, ব্যক্তি আৰু সমাজৰ মাজত এক সুন্দৰ সংযোগৰ মাহ। ভাদ মাহত নামঘৰৰ চোতালত একেলগে বহা ৰাইজ, গধূলিৰ হৰিনাম, খোল-তালৰ সুৰ, আইতা-আজোককাৰ মুখৰ মহাপুৰুষৰ কাহিনী আৰু শিশুৰ মুখৰ কৃষ্ণৰ সাজ—এই সকলোবোৰ মিলিয়েই গঢ়ি উঠে অসমীয়া সমাজ-সংস্কৃতিৰ এক অনন্য ছবি। সেয়েহে আমাৰ কৰ্তব্য হৈছে এই অমূল্য পৰম্পৰাক কেৱল পালন কৰাই নহয়, নতুন প্ৰজন্মৰ হাতত সযতনে তুলি দিয়া। শংকৰদেৱ-মাধৱদেৱৰ মানৱতাৰ বাণী হৃদয়ত ধাৰণ কৰি যদি আমি পৰস্পৰৰ সুখ-দুখত কাষত থিয় দিব পাৰোঁ, তেন্তে এই পবিত্ৰ ভাদ মাহৰ প্ৰকৃত শিক্ষা আৰু তাৎপৰ্য সাৰ্থক হ'ব।

*শংকৰ দেৱ, দেৰগাঁও*

# আধ্যাত্মিকতাৰ দাপোণত ভাদ মাহ : এক অৱলোকন

প্ৰেম বৈষ্ণৱ

অসমীয়া জনজীৱনৰ বাৰিষাৰ শেষ আৰু শৰৎকালৰ আগমনৰ মধ্যৱৰ্তী সময়ছোৱাত প্ৰকৃতিৰ বুকুত বিৰাজ কৰা এক অনন্য পৰিৱেশে ভাদ মাহক আন মাহসমূহৰ তুলনাত পৃথক কৰি তোলে। সূৰ্যৰ উত্তৰায়ণ আৰু দক্ষিণায়নৰ চক্ৰত আৱদ্ধ এই পঞ্চম মাহটো প্ৰকৃতি আৰু মানৱ মনৰ মাজত এক গভীৰ যোগসূত্ৰ স্থাপন কৰা সময়। আকাশত মেঘৰ অহা-যোৱা, পথাৰত সেউজীয়া শইচৰ দোলনি আৰু চৰাই-চিৰিকটিৰ কলৰৱৰ মাজত মানৱ মনে আধ্যাত্মিকতাৰ সন্ধান কৰে। অতীজৰ পৰা প্ৰচলিত এই মাহটোক কেৱল এখন কেলেণ্ডাৰৰ পাত বুলি অভিহিত কৰিলে ইয়াৰ তাৎপৰ্যৰ প্ৰতি অবিচাৰ কৰা হ'ব। ই এক নীৰৱচ্ছিন্ন প্ৰবাহ, য'ত মানুহে নিজৰ অস্তিত্বৰ সন্ধান কৰাৰ লগতে সমাজক এক নতুন মাত্ৰা প্ৰদান কৰাৰ সুযোগ লাভ কৰে।

পৃথিৱীৰ প্ৰতিখন সমাজৰে নিজস্ব বিশ্বাস আৰু আচাৰ-নীতি থাকে। আমাৰ অসমীয়া সমাজত ভাদ মাহৰ সৈতে সংলগ্ন হৈ আছে গভীৰ ভক্তি আৰু শ্ৰদ্ধাৰ এক পবিত্ৰ পৰিৱেশ। চাৰিওফালে দেখা দিয়া অস্থিৰতা আৰু প্ৰকৃতিৰ পৰিৱৰ্তনৰ মাজত এই মাহটোৱে মানুহক সংযম আৰু অনুশাসনৰ শিক্ষা দিয়ে। আধ্যাত্মিকতা মানে কেৱল ধৰ্মীয় অনুষ্ঠান পালন কৰা নহয়, ই হ'ল মানুহৰ অন্তৰাত্মাৰ পৰিষ্কাৰক এক নিৰন্তৰ প্ৰক্ৰিয়া। ভাদ মাহৰ পবিত্ৰতাই আমাক সোঁৱৰাই দিয়ে যে বাহ্যিক জগতখন যিমানেই কোলাহলপূৰ্ণ নহওক কিয়, মানুহৰ অন্তৰত এটা শান্তিপূৰ্ণ স্থান সদায় বৰ্তি থাকে। এই মাহত আমাৰ নামঘৰসমূহ একোটা আধ্যাত্মিক শক্তিকেন্দ্ৰত পৰিণত হয়। নাম-কীৰ্তনৰ ধ্বনিয়ে পৰিৱেশত যি কম্পন সৃষ্টি কৰে, সি মানুহৰ মনত থকা বিষাদ আৰু ক্লান্তি আঁতৰাই নতুন উদ্যমৰ সৃষ্টি কৰে।

সাংস্কৃতিক আৰু সামাজিক পৰিচয়ৰ ক্ষেত্ৰত ভাদ মাহ এক মাইলৰ খুঁটি। কৃষিৰ ওপৰত নিৰ্ভৰশীল অসমীয়া চহা সমাজে শাওণৰ কঠীয়া সিঁচা কাৰ্যৰ অন্তত কিছু সময় জিৰণি লয়। এই জিৰণিৰ সময়খিনি কেৱল শৰীৰৰ বাবে নহয়, আত্মাৰ খোৰাকৰ বাবেও অপৰিহাৰ্য। সমাজৰ প্ৰতিটো স্তৰৰ মানুহে এই সময়ত ধৰ্মীয় আৰু সামাজিক কাম-কাজত নিজক নিমগ্ন কৰে। সেয়া নামঘৰৰ মজিয়াত ভাগৱত পাঠেই হওক বা গুৰুসকলৰ স্মৃতিচাৰণেই হওক, প্ৰতিটো পদক্ষেপে আমাক আমাৰ মূল শিপাৰ ফালে লৈ যায়। এই আধ্যাত্মিকতাই আমাক শিকাইছে যে আমি সকলো এক উমৈহতীয়া সূতাৰে বান্ধ খাই আছোঁ। ভাদ মাহৰ এই বিস্তাৰিত পটভূমিত আমি আমাৰ সমাজৰ অৱক্ষয় ৰাস কৰি এক নৱজাগৰণৰ সূচনা কৰিব পাৰোঁ। আজিৰ প্ৰযুক্তি নিৰ্ভৰ সময়ত মানুহৰ পৰস্পৰৰ মাজত থকা দূৰত্ব বাঢ়ি গৈছে। নাম-প্ৰসংগই এই দূৰত্ব হ্ৰাস কৰি সমাজত সংহতি আৰু মৈত্ৰীৰ বান্ধোন শক্তিশালী কৰে। অসূয়া-অপ্ৰীতি আঁতৰাই এখন সুস্থ সমাজ গঢ়ি তোলাৰ বাবে এই মাহটো এক প্ৰশিক্ষণ কেন্দ্ৰ স্বৰূপ।

ভাদ মাহত প্ৰকৃতিয়ে যেন এক নতুন সাজ পৰিধান কৰে। যি সময়ত চাৰিওফালে নানা অশুভ বাতাৱৰণৰ সৃষ্টি হয়, সেই সময়ত ভাদ মাহে এক আশাৰ কিৰণ লৈ আহে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথিয়ে আমাৰ সমাজক এক নতুন দিশ প্ৰদৰ্শন কৰি গৈছে। তেওঁলোকৰ জীৱনৰ আদৰ্শ আৰু অৱদানসমূহ কেৱল কিতাপৰ পৃষ্ঠাত আবদ্ধ নহয়, প্ৰতিজন অসমীয়াৰ অন্তৰত জীৱন্ত হৈ আছে। গুৰু দুজনাৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা চক্ৰসমূহে সমাজৰ নৈতিক মানদণ্ড উন্নত কৰাত সহায় কৰে। পৌৰাণিক আখ্যান অনুসৰি শুকদেৱে ৰজা পৰীক্ষিতক শুনাইছিল ভাগৱতৰ অমৃত বাণী। এই পৰম্পৰা অসমৰ প্ৰতিটো গাঁৱৰ নামঘৰত এতিয়াও জীয়াই আছে। অখণ্ড ভাগৱত পাঠৰ জৰিয়তে সমাজৰ মানুহে যি আধ্যাত্মিক শক্তি অৰ্জন কৰে, তাৰ দ্বাৰা মানুহৰ মনত থকা মৃত্যুভয় আৰু সংসাৰৰ মোহ আঁতৰ কৰিবলৈ চেষ্টা কৰা হয়। এই প্ৰক্ৰিয়াটোৱে মানুহক নিৰহংকাৰী হ'বলৈ শিকায়। নামঘৰৰ মজিয়াত ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে একেলগে বহি হৰিনাম লোৱাটো আমাৰ সামাজিক সাম্যৰ এক উৎকৃষ্ট নিদৰ্শন।



ভাদ মাহত উদযাপন কৰা শ্ৰীকৃষ্ণ জন্মষ্টমীয়ে আমাক ধৰ্ম প্ৰতিষ্ঠাৰ অৰ্থ বুজাই দিয়ে। অশুভ শক্তিৰ বিনাশ আৰু শান্তিৰ প্ৰতিষ্ঠাৰ বাবে যি সংগ্ৰাম, সেয়া শ্ৰীকৃষ্ণৰ জীৱনৰ পৰা আমি শিকিব পাৰোঁ। লোকবিশ্বাসসমূহৰ আঁৰত থকা বৈজ্ঞানিক দিশবোৰকো আমি অৱহেলা কৰিব নোৱাৰোঁ। উদাহৰণস্বৰূপে, ভাদ মাহত বিয়া-বাৰু আদি মাঙ্গলিক কাম নকৰাৰ আঁৰত সমাজৰ কিছু ব্যৱহাৰিক কাৰণ লুকাই থাকে। এই সময়ত প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগত নিজক খাপ খুৱাবলৈ শৰীৰ আৰু মনক প্ৰস্তুত কৰিবলগীয়া হয়। সামাজিক একতাৰ বাবে ভাদ মাহত আইসকলৰ ভূমিকা অপৰিসীম। নামঘৰত আইসকলে সমবেত হৈ যি নাম-গুণ গায়, সি গোটেই গাঁওখনতে এক পবিত্ৰ বাতাৱৰণৰ সৃষ্টি কৰে। এই নাম-প্ৰসংগই মহিলাসকলৰ মাজত থকা পাৰস্পৰিক বুজাবুজি আৰু মৰম-চেনেহৰ বান্ধোনক দৃঢ় কৰে। কোনো সমস্যা হ'লে বা বিপদৰ সময়ত নামঘৰৰ জৰিয়তে গাঁওবাসী একত্ৰিত হয়। এই মাহটোত প্ৰতিপালন কৰা পৰম্পৰাবোৰে আমাৰ জাতীয় চৰিত্ৰক নিৰূপণ কৰে।

ধৰ্মীয় অনুষ্ঠানবোৰ কোনো বিচ্ছিন্ন ঘটনা নহয়; এইবোৰ আমাৰ সামাজিক জীৱনৰ অংগ। ভাদ মাহৰ পবিত্ৰতা কেৱল নামঘৰৰ চাকি-বন্তিৰ মাজতে আৱদ্ধ হৈ নাথাকে, ই প্ৰতিজন অসমীয়াৰ চিন্তা-চেতনা আৰু দৈনন্দিন জীৱনশৈলীত প্ৰভাৱ পেলায়। গুৰু দুজনাৰ তিৰোভাৱ তিথিৰ অৰ্থপূৰ্ণ উদযাপনৰ জৰিয়তে আমাৰ সমাজত ভক্তি ধৰ্মৰ যি জোৱাৰ উঠে, সি মানুহৰ মনত থকা অহংবোধ আৰু বিদ্বেষক অতিক্ৰম কৰাত সহায় কৰে। সত্ৰীয়া সংস্কৃতি আৰু নাম-প্ৰসংগৰ মাজেৰে প্ৰকাশ পোৱা ভক্তিৰস প্ৰকৃতাৰ্থত মানৱতাবাদৰ এক সৰ্বোত্তম প্ৰকাশ। মহাপুৰুষ শংকৰদেৱৰ 'একশৰণ নাম ধৰ্ম'ই আমাক শিকাইছে যে ভক্তিৰ পথত জাতি-ভেদ, বৰ্ণ-ভেদ বা কোনো ধৰণৰ সামাজিক বিভাজনৰ স্থান নাই। যেতিয়া নামঘৰত ভকত-বৈষ্ণৱসকলে একত্ৰিত হৈ নাম গায়, তেতিয়া সেই স্থানত কেৱল ভগৱানৰ মহিমাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধাহে মূৰ্ত হৈ উঠে।

সামাজিক পৰিপ্ৰেক্ষিতত ভাদ মাহৰ আধ্যাত্মিকতা এক শৃঙ্খলাবদ্ধ জীৱনৰ সোপান। মানুহে যেতিয়া ধৰ্মীয় কাৰ্যসূচীবোৰত অংশ লয়, তেতিয়া তেওঁলোকৰ মাজত এক সামূহিক অনুশাসনৰ সৃষ্টি হয়। ভাদ মাহৰ প্ৰতিটো দিনেই যেন একোটা শিক্ষাৰ অধ্যায়। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এই আধ্যাত্মিক চেতনা জাগ্ৰত কৰাটো আজিৰ সময়ত অত্যন্ত প্ৰয়োজনীয়। সমাজত চলি থকা নানা ধৰণৰ অশুভ মানসিকতা, যেনে— ঈৰ্ষা, ঘৃণা আৰু বিচ্ছিন্নতাবাদী চিন্তাক প্ৰশমিত কৰিবলৈ ভাদ মাহৰ এই ভক্তিপূৰ্ণ পৰিৱেশ এক ঔষধস্বৰূপ। ধৰ্মীয় আলোচনাৰ মাজেৰে যেতিয়া সমাজৰ জ্যেষ্ঠসকলে নৱপ্ৰজন্মক নীতি-শিক্ষা প্ৰদান কৰে, তেতিয়া তাৰ প্ৰভাৱ সমাজৰ ওপৰত সুদূৰপ্ৰসাৰী হয়। আমি মানিবই লাগিব যে আমাৰ পূৰ্বপুৰুষসকলে সৃষ্টি কৰা প্ৰতিটো নিয়মৰ আঁৰত আছিল এক সু-চিন্তিত সামাজিক দৰ্শন। 'ভাদ মাহত অশুভ কৰ্ম নকৰা' বা 'গাখীৰৰ ব্যৱহাৰত সাৱধানতা অৱলম্বন কৰা' আদি নিৰ্দেশনাসমূহ আচলতে প্ৰকৃতিৰ লগত সমাজৰ এক ছন্দবদ্ধ সম্পৰ্কৰ প্ৰতীক। এই সময়ত প্ৰকৃতিৰ পৰিৱৰ্তনৰ সৈতে স্বাস্থ্যজনিত কাৰণতো মানুহে ধৰ্মীয় অনুশাসনক ঢাল হিচাপে ব্যৱহাৰ কৰিছিল।

নামঘৰকেন্দ্ৰিক সামাজিক ব্যৱস্থাত আইসকলৰ অৱদানক কোনো দিশৰ পৰাই খৰ্ব কৰিব নোৱাৰি। এগৰাকী মাতৃয়ে যেতিয়া নামঘৰৰ মজিয়াত হৰিনাম গায়, তেতিয়া সেই ধ্বনিয়ে ঘৰৰ সন্তানৰ ওপৰতো আধ্যাত্মিক প্ৰভাৱ পেলায়। পৰিয়ালৰ প্ৰতিজন সদস্যই যেতিয়া ধৰ্মীয় আচৰণৰ মাজেৰে জীৱন যাপন কৰে, তেতিয়া সমাজত শান্তি আৰু শৃংখলা বিৰাজ কৰে। ভাদ মাহৰ এই পবিত্ৰ সময়ত সমাজৰ দুখীয়া বা অসহায় লোকসকলক সহায় কৰাৰ যি প্ৰৱণতা দেখা যায়, সেয়া আমাৰ আধ্যাত্মিকতাৰেই এক অংশ। দান-দক্ষিণা বা শৰাই দিয়াৰ প্ৰক্ৰিয়াটোত সমাজৰ মাজত থকা মৰম আৰু সহমৰ্মিতাৰ ভাৱ অধিক স্পষ্ট হৈ উঠে।

সাম্প্ৰতিক সময়ত সমাজত চলি থকা যান্ত্ৰিকতাৰ মাজতো ভাদ মাহে মানুহক নিজৰ স্বকীয়তা আৰু সাংস্কৃতিক পৰিচয়ৰ কথা সোঁৱৰাই দিয়ে। গ্ৰাম্য জীৱনৰ পৰা আৰম্ভ কৰি নগৰীয়া পৰিৱেশলৈকে, ভাদ মাহৰ আধ্যাত্মিকতা এক উমৈহতীয়া ধৰ্ম হিচাপে প্ৰতিষ্ঠিত হৈছে। আমি দেখি আহিছোঁ যে নামঘৰবোৰ কেৱল ধৰ্মীয় আলোচনাৰ স্থান নহয়, নামঘৰ হ'ল সামাজিক ন্যায়ৰ এক আদালত স্বৰূপ। ইয়াত সত্য আৰু ন্যায়ৰ বিচাৰ হয়, যিয়ে সমাজৰ ভেটি শক্তিশালী কৰে। সত্ৰ আৰু নামঘৰৰ জৰিয়তে আমি যি সংস্কৃতিৰ ধাৰা অক্ষুণ্ণ ৰাখিছোঁ, সি বিশ্বদৰবাৰত অসমীয়া জাতিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। আমি যেতিয়া ভৱিষ্যতৰ দিশত আগুৱাই যাওঁ, তেতিয়া এই আধ্যাত্মিক সম্পদসমূহক অন্ধবিশ্বাস বুলি পৰিহাৰ নকৰি, ইয়াৰ বৈজ্ঞানিক আৰু সামাজিক গুৰুত্বক সমল হিচাপে ল'ব লাগিব।

ভাদ মাহৰ এই আধ্যাত্মিক উদ্দীপনা কেৱল এক আৱেগিক অনুভৱ নহয়, ই আমাৰ জাতীয় স্বাভিমান আৰু অস্তিত্বৰ প্ৰতীক। জ্ঞান, ভক্তি আৰু কৰ্মৰ যি একত্ৰীকৰণ ভাদ মাহৰ কাৰ্যসূচীবোৰত দেখা যায়, সি মানুহক এক নতুন দিশ প্ৰদান কৰে। ভক্তিৰ পথে আমাক মানৱতাৰ সেৱাত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰে। অনাগত দিনবোৰত আমাৰ সমাজখনক এখন প্ৰকৃতিৰ সৈতে সংগতি ৰখা আৰু নব্য উত্তৰণমুখী সমাজ হিচাপে গঢ়ি তোলাৰ যি সপোন গুৰুজনাৰ আছিল, সেই সপোনক বাস্তৱায়িত কৰাই হ'ব আমাৰ আচল শ্ৰদ্ধাঞ্জলি। আহক, আমি সকলোৱে মিলি ভাদ মাহৰ এই আধ্যাত্মিক প্ৰশান্তিৰে আমাৰ মন-মগজু আৰু সমাজখনক পবিত্ৰ কৰি তোলোঁ।

অৱশেষত, এই পবিত্ৰ মাহটোৱে আমাৰ সমাজৰ সকলো ধৰণৰ মলিনতা আৰু অন্ধকাৰ আঁতৰাই এখন প্ৰশান্তিময় সমাজ গঢ়াত সহায় কৰক। গুৰু দুজনাই দেখুৱাই থৈ যোৱা পথেৰে আমি আগবাঢ়ি গৈ বিশ্বমানৱৰ সৈতে একাত্ম হ'বলৈ প্ৰয়াস কৰিম। ভাদ মাহৰ এই আধ্যাত্মিক উদ্দীপনা চিৰকাল জীয়াই থাকক আৰু আমাৰ অনাগত দিনবোৰক উজ্জ্বল কৰি তোলক। সমাজৰ অৱক্ষয়ৰ বিপৰীতে এক নৱজাগৰণৰ সুৰুয যেন আমাৰ মাজলৈ ভাদ মাহৰ প্ৰশান্তি লৈ আহে, সেই কাম্যেই চিৰস্মৰণীয় হৈ ৰ'ব। আমাৰ প্ৰতিটো পদক্ষেপ যেন সততা আৰু ভক্তিৰ দ্বাৰা পৰিচালিত হয়, যাতে ভাদ মাহৰ এই আধ্যাত্মিক শিক্ষা কেৱল এই মাহটোতে সীমাবদ্ধ নাথাকি গোটেই বছৰটোৰ বাবে আমাৰ জীৱনৰ পাথেয় হৈ পৰিব পাৰে। এনে এক সম্মিলিত প্ৰচেষ্টাৰ জৰিয়তেই আমি আমাৰ অনাগত ভৱিষ্যতৰ সৰ্বাংগীণ উন্নতি সাধন কৰিবলৈ সক্ষম হ'ম।

# প্ৰধান শিক্ষক নহয়, অভিভাৱক আৰু পথপ্ৰদৰ্শক দুৰ্লভ চন্দ্ৰ গগৈৰ অৱসৰত ছাত্ৰ-ছাত্ৰীৰ আন্তৰিক শ্ৰদ্ধা

**অসম বাৰ্তা, জাঁজী, ২৯ আগষ্ট ঃ** চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুৰ্লভ চন্দ্ৰ গগৈয়ে অহা ৩০ আগষ্টত কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিব। দীৰ্ঘদিন ধৰি নিষ্ঠা, সততা আৰু দায়িত্ববোধেৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰ দেখুওৱাৰ লগতে এগৰাকী অভিভাৱকৰ দৰে মৰম, শাসন আৰু সঠিক পথপ্ৰদৰ্শনেৰে আগুৱাই নিয়া গগৈ অৱসৰ বিদ্যালয়খনৰ বাবে এক আৱেগিক মুহূৰ্ত হিচাপে পৰিগণিত হৈছে। তেখেতৰ অৱসৰ উপলক্ষে শুকুৰবাৰে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সদস্য, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী তথা সমাজৰ বিভিন্নজনক আমন্ত্ৰণ জনাই এক আন্তৰিক প্ৰীতিভোজৰ আয়োজন কৰা হয়। গগৈৰ আন্তৰিক নিমন্ত্ৰণ ৰক্ষা কৰি বহুজন উপস্থিত হৈ একেলগে আহাৰ গ্ৰহণ কৰাৰ লগতে তেখেতৰ সৈতে কিছু স্মৰণীয় সময় অতিবাহিত কৰে। দুৰ্লভ চন্দ্ৰ গগৈ কেৱল এগৰাকী প্ৰধান শিক্ষকেই নহয়, তেখেত বহুজনৰ বাবে এগৰাকী সন্মানীয় অভিভাৱক, আদৰ্শ শিক্ষক আৰু পথপ্ৰদৰ্শক। তেখেতৰ সান্নিধ্য, মৰম আৰু শিক্ষাই অসংখ্য ছাত্ৰ-ছাত্ৰীৰ জীৱনক সঠিক দিশত আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ ক্ষেত্ৰত তেখেতে আগবঢ়োৱা অৱদান সদায় স্মৰণীয় হৈ ৰ'ব। জীৱনত বহু শিক্ষাগুৰুৱে অৱসৰ গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়তো অৱসৰ উপলক্ষে বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। কিন্তু এগৰাকী শিক্ষকে নিজৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক একেলগে কৰি, সকলোকে আপোন কৰি প্ৰীতিভোজৰ আয়োজন কৰা দৃশ্য সঁচাকৈয়ে হৃদয়স্পৰ্শী। এই ঘটনাই শিক্ষক-ছাত্ৰৰ মাজৰ আত্মিক সম্পৰ্কৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। এনে শিক্ষক কেৱল পাঠদানৰ মাজতে সীমাবদ্ধ নাথাকে; তেওঁ ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত এগৰাকী অভিভাৱক, পথপ্ৰদৰ্শক আৰু আজীৱন স্মৰণীয় ব্যক্তি হিচাপে স্থান লাভ কৰে। দুৰ্লভ চন্দ্ৰ গগৈ ছাৰৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ এই গভীৰ মৰম, শ্ৰদ্ধা আৰু সন্মানেই তেখেতৰ শিক্ষক জীৱনৰ অন্যতম বৃহৎ সফলতাৰ পৰিচয়। অৱসৰ জীৱন কৰ্মজীৱনৰ পৰা আঁতৰি যোৱাৰ এক নতুন অধ্যায়। কিন্তু এগৰাকী মহান শিক্ষকৰ জ্ঞান, আদৰ্শ আৰু শিক্ষাৰ কোনো অৱসৰ নাথাকে। কৰ্মজীৱনৰ অন্ত পৰিলেও তেখেতে ছাত্ৰ-ছাত্ৰী, সমাজ আৰু নতুন প্ৰজন্মক নিজৰ অভিজ্ঞতা আৰু জ্ঞানৰ জৰিয়তে আগন্তুক দিনতো অনুপ্ৰাণিত কৰি যাব বুলি আশা প্ৰকাশ কৰে উপস্থিত শুভাকাংক্ষীসকলে। দুৰ্লভ চন্দ্ৰ গগৈ অৱসৰ জীৱন সুস্থ, সুখী, শান্তিময় আৰু আনন্দময় হওক— এই কামনাৰে তেখেতলৈ জ্ঞাপন কৰা হয় আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন। ভৱিষ্যৎ দিনবোৰত তেখেত সুস্বাস্থ্য আৰু দীৰ্ঘায়ুৰে পৰিপূৰ্ণ হৈ সমাজৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকক—এয়াই সকলোৰে আন্তৰিক কামনা। আনহাতে প্ৰাক্তন ছাত্ৰ হিচাপে মুজিদ আলিয়ে গগৈক আঁন্তৰিক অভিনন্দন জনাইছে।

দোকানী নথকা কিতাপৰ দোকানত ৰাজপথৰ কবিতা উন্মোচন আৰু লিমাৰিক পাঠ

# বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়ন পুৰণিগুদাম কবি সন্মিলনৰ নৱ-নিৰ্বাচিত সভাপতি



**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ আগষ্ট ঃ** "লিমাৰিকক আপদ হ'বলৈ নিদিব। লিমাৰিক অসমীয়া সাহিত্যৰ সম্পদ।" 'আজি বৰ্ষাসিক্ত আবেলি নগাঁও জিলাৰ পুৰণিগুদামৰ দোকানী নথকা কিতাপৰ দোকানৰ বাকৰিত "লিমাৰিক আৰু অন্যান্য" শীৰ্ষক এটি মন পৰশা কাব্য অনুষ্ঠানত উপস্থিত থাকি বৰ্ষীয়ান বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নে এইদৰে কয়। বিশিষ্ট সাহিত্যিক গৰাকীয়ে ৰাজপথৰ কবিতাৰ আলোচনীৰ বিশেষ লিমাৰিক সংখ্যাটি আনুষ্ঠিকভাৱে উন্মোচন কৰে। শিশু দীপাংশু পৰাশৰৰ বাঁহী পৰিৱেশনেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত প্ৰফুল্ল বৰাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বিমূৰ্ত মোৰ নিশাটি শীৰ্ষক কালজয়ী গীতটি পৰিৱেশন কৰে। পুৰণিগুদাম কবি সন্মিলনৰ উপ-সভাপতি বিপুল কুমাৰ মজিন্দাৰ, শিশু সাহিত্যিক ৰিণ্টু দাস গোস্বামী, কবি অনিল কুমাৰ শৰ্মা, ভাৰতী বৰা, যোগানন্দ ভূঞা, মেৰী ভূঞা, মণ্টুল কুমাৰ শৰ্মা, দ্বিজেন্দ্ৰ নাথ হাজৰিকা, দুলাল শৰ্মা, অশোকৰাম ভট্টাচাৰ্য, জেউতি হাজৰিকা, অৰূপ কুমাৰ গোস্বামী, প্ৰমোদ কুমাৰ বৰা, দিলীপ দাস, ৰঙাজীয়া কবি সন্মিলনৰ সভাপতি কিশোৰ দাস, হেমেন্দ্ৰ শৰ্মা, দ্বীপজ্যোতি বৰা, ঋতুপৱন বৰা আদিকে কেন্দ্ৰ কৰি প্ৰায় অৰ্ধশতাধিক কবিয়ে লিমাৰিক আৰু কবিতা পাঠৰ মাধমেৰে আজিৰ বিয়লিটো জীপাল কৰি তোলে। উল্লেখযোগ্য যে, এই অনুষ্ঠানতে ২০১৭ চনৰ পৰাই আৰম্ভ হোৱা "ৰাজপথৰ কবিতা"ৰ ২২ সংখ্যক সংখ্যাটিও উন্মোচন কৰা হয়। এই সংখ্যাৰ সম্পাদক আছিল কবি কমল চন্দ্ৰ শৰ্মা। সামগ্ৰিকভাৱে অনুষ্ঠানটিৰ আঁত ধৰে পুৰণিগুদাম কবি সন্মিলনৰ সম্পাদক হিৰণ্য কুমাৰ শৰ্মা আৰু ৰাজপথৰ কবিতাৰ পৰিচালন সম্পাদক দুলাল বৰাই। ৰাজপথৰ কবিতাৰ সামগ্ৰিক বিশে-ষণ আগবঢ়াই বিশিষ্ট কবিতা সমালোচক ত্ৰিদীপ লস্কৰে। উক্ত সভাতে পৰৱৰ্তী বৰ্ষৰ বাবে ফণীন্দ্ৰ নাথ গায়নক সভাপতি, প্ৰফুল্ল বৰাক কাৰ্যকৰী সভাপতি, ৰিণ্টু দাস গোস্বামী, ভাৰতী বৰা, অনিল বৈৰাগীক উপ-সভাপতি, বিপুল মজিন্দাৰক সাধাৰণ সম্পাদক, প্ৰমোদ বৰা, দ্বীপজ্যোতি বৰা, শেৱালি বৰুৱাক সহকাৰী সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হয়।

ধাৰাবাহিকভাৱে সংঘটিত গৰু চুৰিৰ বিৰুদ্ধে তীব্ৰতৰ অভিযান

# গৰু চোৰৰ বিৰুদ্ধে একচন মুডত বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদ



**অসম বাৰ্তা, গহপুৰ, ২৯ আগষ্ট ঃ** বিশ্বনাথ জিলাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে যোগদান কৰাৰ পিছতেই গৰু চোৰৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে আছিফ আহমেদে। বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তত সঘনাই হৈ থকা গৰু চুৰিৰ ঘটনাই সংবাদ শিৰোনামা দখল কৰি আহিছে। গৰু চুৰিৰ সন্ত্ৰাসত বিনিদ্ৰ ৰজনী কটাবলগীয়ালগীয়া হৈছে গো-পালকসকলে। বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে যোগদান কৰিয়েই আৰম্ভ কৰা এই অভিযানৰ পিছত এতিয়া যেন টোপনি হৰিছে গৰু চুৰি চক্ৰৰ। উল্লেখযোগ্য যে-জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদৰ তৎপৰতাত যোৱা ২৩ আগষ্টত চলোৱা এক অভিযানত চতিয়া আৰক্ষীয়ে ৯খন বাহনত কঢ়িয়াই অনা ৯৮টা সৰু বৰ গৰু জব্দ কৰাৰ লগতে ৩৩জন সন্দেহযুক্ত গো ধন সৰবৰাহকাৰীক আটক কৰে। ইয়াৰ পিছত কালি এক গোপন অভিযান চলাই কৰণ আলী নামৰ এজন গৰু চোৰক আটক কৰাৰ লগতে ৬ মাহ পূৰ্বে চুৰি হোৱা সাকোমঠাৰ বুদ্ধেশ্বৰ ওৰাঙৰ দুটাকৈ গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত কুঁমলীয়া অঞ্চলত অভিযান চলাই সফলতা লাভ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, উদ্ধাৰ হোৱা গৰু দুটা প্ৰকৃত গৰাকীক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৬ মাহৰ মূৰত নিজৰ গৰু ওভতাই পাই গৰাকীয়ে জিলা আৰক্ষীক কৃতজ্ঞতা জ্ঞাপন কৰে বুদ্ধেশ্বৰ ওৰাঙে। আনহাতে জিনজিয়া আৰক্ষীয়েও কালি নিজ বাঘমাৰীৰ আজিবুৰ ৰহমান নামৰ এজন গৰু চোৰক আটক কৰে। উল্লেখযোগ্য যে -যোৱা ১১ আগষ্টত বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বৰগাংৰ পৰা চুৰি গৰু ক্ৰয় কৰিবলৈ অহাৰ অভিযোগত গ্ৰেপ্তাৰ হয় নগাঁৱৰ মৌচিন চৌধুৰী আৰু মকিবুল হক। যোৱা ১৬ আগষ্টত ৰতোৱা টোল গেটৰ পৰা জব্দ কৰা হয় গৰু কঢ়িয়াই অনা এখন সন্দেহযুক্ত বাহন। বাহনখনৰ পৰা ২৩টা গৰু উদ্ধাৰ কৰাৰ লগতে আটক কৰা হয় ৪জন গো সৰবৰাহকাৰীক। বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তত সক্ৰিয় হৈ উঠা গৰু চুৰি চক্ৰ সমূহৰ বিৰুদ্ধে অভিযান অধিক কঠোৰ হ'ব বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে মন্তব্য কৰিছে। নৱাগত জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীৰ এই তৎপৰতাক শলাগ লৈছে জিলাখনৰ সচেতন ৰাইজে।

# পঞ্চতীৰ্থ শিশু-শংকৰদেৱ বিদ্যা নিকেতনত দুদিনীয়া বিজ্ঞান মেলাৰ শুভাৰম্ভ

**অসম বাৰ্তা, হাজো, ২৯ আগষ্ট ঃ** বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ উদ্যোগত আজিৰে পৰা হাজোৰ পঞ্চতীৰ্থ শিশু-শংকৰদেৱ বিদ্যা নিকেতনত দুদিনীয়া কাৰ্যসূচীৰে প্ৰান্তীয় আৰু পূৰ্বোত্তৰ ক্ষেত্ৰৰ বিজ্ঞান মেলা অনুষ্ঠিত হয়। শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান মানসিকতাৰ বিকাশ আৰু উদ্ভাৱনী প্ৰতিভা বিকাশৰ উদ্দেশ্যে এই মেলাৰ আয়োজন কৰা হৈছে। আজি পুৱা পঞ্জীয়ন, স্বল্পাহাৰ আৰু বিজ্ঞান আৰ্হি স্থাপনৰ পিছতেই বন্তি প্ৰজ্বলনেৰে বিজ্ঞান মেলাৰ শুভাৰম্ভ কৰে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। শুভাৰম্ভণি ভাষণত বিধায়কগৰাকীয়ে কয়, "আজিৰ সময়ত কেৱল কিতাপৰ জ্ঞানেই যথেষ্ট নহয়, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগী আৰু উদ্ভাৱনী চিন্তাৰ বিকাশ অতি প্ৰয়োজন। এনেধৰণৰ বিজ্ঞান মেলাই আমাৰ গ্ৰাম্যাঞ্চলৰ সুপ্ত প্ৰতিভাবোৰক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।" অনুষ্ঠানত গুৱাহাটী আইআইটি-ৰ বিশিষ্ট বিজ্ঞানী ড° অৰূপ শৰ্মাই উদ্বোধক হিচাপে উপস্থিত থাকি শিক্ষাৰ্থীসকলক বৈজ্ঞানিক চিন্তা-চেতনাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পূৰ্বোত্তৰ ক্ষেত্ৰৰ সম্পাদক ড° জগদীশ ৰায় চৌধুৰী, বিদ্যাভাৰতীৰ পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী আৰু খণ্ড উন্নয়ন বিষয়া ইন্দ্ৰনীল কাশ্যপ। পূৰ্বোত্তৰ অঞ্চলৰ বিভিন্ন শিশু-শংকৰদেৱ বিদ্যা নিকেতনৰ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু মাৰ্গদৰ্শক শিক্ষকে অংশগ্ৰহণ কৰা বিজ্ঞান মেলাৰ প্ৰথম দিনটোত শিক্ষাৰ্থীসকলে বিভিন্ন বিজ্ঞান ভিত্তিক আৰ্হি প্ৰদৰ্শন, প্ৰকল্প আৰু তৰ্ক প্ৰতিযোগিতাত নিজৰ প্ৰতিভা দাঙি ধৰে। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, কাইলৈ কাৰ্যসূচীৰ দ্বিতীয় দিনা প্ৰতিযোগিতাৰ মূল্যাংকনৰ অন্তত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হ'ব আৰু বিয়লি সামৰণি সভা অনুষ্ঠিত হ'ব। এনে অনুষ্ঠান-প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীক বৈজ্ঞানিক চিন্তাৰে সমৃদ্ধ কৰাৰ লগতে আঞ্চলিক পৰ্যায়ত একতাৰ বাৰ্তা কঢ়িয়াই আনিব বুলি শৈক্ষিক মহলে আশা প্ৰকাশ কৰে।

# কাজিৰঙাৰ সুৰক্ষাৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদ; বৰপেটাতো কংগ্ৰেছৰ প্ৰতিবাদী পদযাত্ৰা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৯ আগষ্ট ঃ** চৰকাৰে ৰাষ্ট্ৰীয় উদ্যান খনৰ পৰিসৰ হ্ৰাস কৰাৰ পৰিকল্পনাৰ তীব্ৰ বিৰোধিতা কংগ্ৰেছৰ। কাজিৰঙাৰ সুৰক্ষা আৰু সংৰক্ষণৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উদ্যোগত তথা বৰপেটা জিলা কংগ্ৰেছৰ সহযোগত প্ৰতিবাদী পদযাত্ৰা। প্ৰতিবাদী সমদলৰ নেতৃত্ব দিয়ে অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা পাকাবেতবাৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে। কাজিৰঙাৰ বন্যপ্ৰাণীৰ সুৰক্ষাৰ স্বাৰ্থত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে বিধায়ক গৰাকীয়ে। ৰাষ্ট্ৰীয় উদ্যান খনৰ পৰিসৰ হ্ৰাস কৰাৰ পৰিকল্পনা চৰকাৰক উঠাই লোৱাৰ বাবে তেওঁ দাবী জনায়। অন্যথা পৰৱৰ্তী সময়ত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰে। পদযাত্ৰাত অংশগ্ৰহণ কৰা কংগ্ৰেছ নেতা-কৰ্মীসকলে "কাজিৰঙাক লৈ আপোচ কৰা নহ'ব" বিজেপি চৰকাৰ হায় হায়, ৰাইজ আজি ৰাজপথত হিমন্ত তোমাৰ কাম নাই আদি শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে।

মন্দিৰৰ সমস্যা, ভক্তৰ সুবিধা-অসুবিধা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব

# নেঘেৰিটিং শিৱ দৌল পৰিদৰ্শন দেৰগাঁও সমজিলা আয়ুক্তৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৯ আগষ্ট ঃ** ঐতিহ্য আৰু আধ্যাত্মিকতাৰ অন্যতম পীঠস্থান হিচাপে পৰিচিত ঐতিহাসিক নেঘেৰিটিং শিৱ দৌল আজি দেৰগাঁও সমজিলা আয়ুক্ত মহোদয়াই পৰিদৰ্শন কৰে। সমজিলা আয়ুক্তৰ সৈতে সহকাৰী আয়ুক্ত, পুৰাতত্ত্ব বিভাগৰ বিষয়া আৰু নেঘেৰিটিং শিৱ দৌলৰ পূজাৰী উপস্থিত থাকে। পৰিদৰ্শনকালত সমজিলা আয়ুক্তগৰাকীয়ে মন্দিৰ চৌহদৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰাৰ লগতে দৌলৰ বৰ্তমান অৱস্থা, আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ভক্তসকলৰ বাবে থকা বিভিন্ন সা-সুবিধাৰ বুজ লয়। বিশেষকৈ মন্দিৰলৈ অহা ভক্তসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু অসুবিধাসমূহৰ বিষয়েও গুৰুত্বসহকাৰে আলোচনা কৰা হয়। মন্দিৰ চৌহদৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা অধিক উন্নত কৰা, ভক্তসকলৰ বাবে প্ৰয়োজনীয় সুবিধা বৃদ্ধি কৰা তথা দৌলৰ সামগ্ৰিক পৰিৱেশ অধিক সুন্দৰ আৰু পৰিপাটি কৰি তোলাৰ ওপৰত পৰিদৰ্শনৰ সময়ত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি নেঘেৰিটিং শিৱ দৌলৰ ঐতিহাসিক আৰু পুৰাতাত্ত্বিক গুৰুত্ব অক্ষুণ্ণ ৰাখি ভৱিষ্যতে কেনেদৰে অধিক উন্নত আৰু সংৰক্ষিত ৰূপত গঢ়ি তুলিব পাৰি, সেই সন্দৰ্ভতো পুৰাতত্ত্ব বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়। দৌলৰ ঐতিহ্য যাতে কোনো কাৰণতে ক্ষুণ্ণ নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি উন্নয়নমূলক কাম-কাজগ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। উল্লেখযোগ্য যে অসমৰ অন্যতম প্ৰাচীন আৰু ঐতিহাসিক শিৱ মন্দিৰ হিচাপে নেঘেৰিটিং শিৱ দৌলে ৰাজ্যখনৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰি আহিছে। প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বহু ভক্ত আৰু পৰ্যটকে এই ঐতিহাসিক দৌলত উপস্থিত হয়। সেয়েহে দৌলৰ ঐতিহ্য সংৰক্ষণৰ সমান্তৰালভাৱে ভক্ত আৰু পৰ্যটকৰ বাবে আধুনিক আৰু প্ৰয়োজনীয় সুবিধা নিশ্চিত কৰাৰ ক্ষেত্ৰতো প্ৰশাসনৰ এই পৰিদৰ্শন তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। পৰিদৰ্শনৰ অন্তত মন্দিৰৰ সামগ্ৰিক উন্নয়ন আৰু সংৰক্ষণৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে সংশ্লিষ্ট বিভাগসমূহে সমন্বয়ৰে কাম কৰাৰ বিষয়েও আলোচনা কৰা হয়।

# ৭৯ সংখ্যক দুধনৈ সৰ্বজনীন দুৰ্গা পূজা সমিতি গঠন; সভাপতি তৰুণ চন্দ্ৰ চাংমাই, সম্পাদক পুষ্পাদিত্য চৌধুৰী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৯ আগষ্ট ঃ** দুধনৈৰ স্থানীয় জনমন্দিৰ প্ৰেক্ষাগৃহত ৭৮ সংখ্যক দুধনৈ সৰ্বজনীন দুৰ্গা পূজা পৰিচালনা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। জ্যেষ্ঠ নাগৰিক তৰুণ চন্দ্ৰ চাংমাইৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত অঞ্চলটোৰ বহুসংখ্যক ৰাইজ উপস্থিত থাকে। সভাত বিগত বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদনৰ লগতে হিচাপ-পৰীক্ষকৰ প্ৰতিবেদন দাখিল কৰা হয়। উপস্থিত ৰাইজে প্ৰতিবেদনসমূহ সন্তুষ্টিৰে হাতচাপৰি বজাই সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়। ইয়াৰ পাছতেই ৭৮ সংখ্যক পূজা পৰিচালনা সমিতিখন আনুষ্ঠানিকভাৱে ভংগ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত অনাগত ৭৯ সংখ্যক দুধনৈ সৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপনৰ বাবে এখন নতুন শক্তিশালী সমিতি গঠন কৰা হয়। ৰাইজৰ একমতৰ ভিত্তিত বিগত বৰ্ষৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাই আৰু সম্পাদক পুষ্পাদিত্য চৌধুৰীকে পুনৰ নতুন কাৰ্যকালৰ বাবে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। মূল সমিতিখন গঠনৰ সমান্তৰালকৈ পূজাৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যৰে প্ৰয়োজনীয় সালসলনি ঘটাই উপ-সমিতিসমূহো নতুনকৈ গঠন কৰা হয়। আগন্তুক শাৰদীয় দুৰ্গোৎসৱত দুধনৈ সৰ্বজনীন দুৰ্গা পূজা কমিটিৰ তৰফৰ পৰা বৃহত্তৰ দুধনৈ অঞ্চলৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত উপস্থিত ৰাইজৰ গঠনমুলক আলোচনা সু দিহা-পৰামৰ্শৰে সভাৰ সামৰণি পৰে।

# কামৰূপ জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভা অনুষ্ঠিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ আগষ্ট ঃ** কামৰূপ জিলা স্বাস্থ্য সমিতিৰ এখন বিস্তৃত পৰ্যালোচনা সভা শণিবাৰে আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য আছিল জিলাখনৰ স্বাস্থ্য সেৱা ব্যৱস্থাৰ সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱাৰ সুলভতা আৰু গুণগত মান অধিক শক্তিশালী কৰা। সভাত জিলা আয়ুক্তগৰাকীয়ে কামৰূপ জিলাত ৰূপায়িত হৈ থকা বিভিন্ন স্বাস্থ্য সেৱা আৰু কাৰ্যসূচীৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। বিশেষকৈ স্বাস্থ্য সেৱা প্ৰদান, জনসাধাৰণৰ বাবে সেৱাৰ সুলভতা আৰু তৃণমূল পৰ্যায়ত বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ ফলপ্ৰসূ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগে সেৱা প্ৰদানৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান আৰু সমস্যাৰ বিষয়ে বুজ লয় আৰু এই ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে সংশি-ষ্ট বিষয়াসকলক সমন্বিত আৰু সময়োচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। জিলাখনৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি আৰু সেৱা অধিক শক্তিশালী কৰা, জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱাৰ সুলভতা বৃদ্ধি কৰাৰ উপৰিও গুণগত স্বাস্থ্য সেৱা নিশ্চিত কৰাৰ বাবে লক্ষ্যভিত্তিক পদক্ষেপ গ্ৰহণৰ ওপৰতো জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। সভাত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) মনিকা বৰগোহাঁই, কামৰূপৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অজিত দাসৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# মন্দিয়া বি পি এইচ চি-ত খণ্ড পৰ্যায়ৰ পৰ্যালোচনা সভা

**অসম বাৰ্তা, বৰপেটাসদৰ, ২৯ আগষ্ট ঃ** মন্দিয়া বি পি এইচ চি-ত শনিবাৰে বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ ৰূপায়ণৰ পৰ্যালোচনা, গুৰুত্বপূৰ্ণ স্বাস্থ্য সূচকৰ মূল্যায়ন আৰু খণ্ড পৰ্যায়ত স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এক খণ্ড পৰ্যায়ৰ পৰ্যালোচনা সভা তথা অভিমুখীকৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। সভাত বৰপেটাৰ জিলা আয়ুক্ত নবদীপ পাঠক, এ চি এছ; অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) দিম্পী গগৈ, এ চি এছ; যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, বৰপেটা ডাঃ ভূপেন চন্দ্ৰ বৰা; সহকাৰী আয়ুক্ত, স্বাস্থ্য শাখা, বৰপেটা মুৰ্চনা মালাকাৰ, এ চি এছ; ডি পি এম ইউ, এন এইচ এম, বৰপেটাৰ বিষয়া-কৰ্মচাৰী; বি পি এম ইউ, মন্দিয়া বি পি এইচ চি; আৰু মন্দিয়া বি পি এইচ চিৰ কমিউনিটি হেল্‌থ অফিচাৰ (চি এইচ অ') আৰু এ এন এমসকল উপস্থিত থাকে। সভাত গুৰুত্বপূৰ্ণ স্বাস্থ্য সূচকসমূহৰ প্ৰদৰ্শন আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত স্বাস্থ্য কাৰ্যসূচীসমূহৰ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰা হয়। স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত থকা ব্যৱধানসমূহ চিনাক্ত কৰি স্বাস্থ্য সেৱা উন্নত কৰা আৰু জনসাধাৰণলৈ সময়মতে অত্যাৱশ্যকীয় স্বাস্থ্য সেৱা প্ৰদান নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ ওপৰত আলোচনা কৰা হয়। মন্দিয়া বি পি এইচ চিৰ অন্তৰ্গত চৰ আৰু নদীপৰীয়া অঞ্চলসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। দুৰ্গম আৰু যোগাযোগৰ ক্ষেত্ৰত প্ৰত্যাহ্বানপূৰ্ণ অঞ্চলসমূহত বসবাস কৰা লোকসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি লক্ষ্যভিত্তিক পদক্ষেপ, অধিক শক্তিশালী আউটৰিচ সেৱা, নিয়মীয়া অনুসৰণ কৰা আৰু ফলপ্ৰসূ সামূহিক পৰ্যায়ৰ স্বাস্থ্য সেৱা প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হয়। জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিষয়াসকল আৰু ফ্ৰণ্টলাইন স্বাস্থ্যকৰ্মীসকলৰ মাজত সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে স্বাস্থ্য সেৱাৰ পৰিসৰ আৰু গুণগত মান উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ চৰ অঞ্চলসমূহত স্বাস্থ্য কাৰ্যসূচীৰ নিয়মীয়া নিৰীক্ষণ আৰু তৃণমূল পৰ্যায়ত বিভিন্ন স্বাস্থ্য সেৱা তথা হস্তক্ষেপসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। সামূহিক পৰ্যায়ত স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত চি এইচ অ' আৰু এ এন এমসকলৰ ভূমিকাৰ বিষয়েও আলোচনা কৰা হয়। বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ অধীনত আউটৰিচ কাৰ্যসূচী শক্তিশালী কৰা, হিতাধিকাৰীসকলৰ সময়মতে অনুসৰণ কৰা, সামূহিক অংশগ্ৰহণ বৃদ্ধি কৰা আৰু সঠিক প্ৰতিবেদন প্ৰদানৰ ওপৰত গুৰুত্ব দিবলৈ ফ্ৰণ্টলাইন স্বাস্থ্যকৰ্মীসকলক আহ্বান জনোৱা হয়। মন্দিয়া ভ্ৰমণৰ সময়ত জিলা আয়ুক্তগৰাকীয়ে মন্দিয়া মডেল হাস্পতাল পৰিদৰ্শন কৰি হাস্পতালখনৰ উপলব্ধ আন্তঃগাঁথনি, সা সুবিধা আৰু স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থাৰ পৰ্যালোচনা কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি হাস্পতালখনৰ সামগ্ৰিক কাৰ্যকলাপ আৰু স্থানীয় ৰাইজক প্ৰদান কৰা স্বাস্থ্য সেৱাৰ বিষয়ে বুজ লয়। পৰ্যালোচনা সভা আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ জৰিয়তে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগে বিশেষকৈ বৰপেটা জিলাৰ চৰ আৰু নদীপৰীয়া অঞ্চলসমূহৰ জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱা অধিক শক্তিশালী কৰা আৰু মানসম্পন্ন স্বাস্থ্য সেৱাৰ প্ৰৱেশাধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা নিৰন্তৰ প্ৰচেষ্টাৰ প্ৰতিফলন ঘটে।

# মাজুলীত সাঁচিপতীয়া পুথিচিত্ৰৰ ডিজিটেলাইজেচনৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ** অসমৰ প্ৰাচীন ঐতিহ্য সাঁচিপতীয়া পুথিচিত্ৰক বিশ্ব দৰবাৰত নতুন ৰূপত প্ৰতিষ্ঠা কৰাৰ এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে মাজুলীত। এম এইচ এম আই ক্লাষ্টাৰৰ কৰ্পোৰেট দায়বদ্ধতা আৰু মহিলা সবলীকৰণ কাৰ্যসূচীৰ অধীনত ভাৰতৰ মহিলা সকলৰ কাৰিকৰী দিশ শক্তিশালী ৰূপত প্ৰকাশ কৰাৰ উদ্দেশ্যেৰে মাজুলীৰ কলাভূমি গুৰুগৃহত এক বিশেষ কৰ্মশালাৰ আয়োজন কৰা হয়। মাজুলীৰ বিভিন্ন প্ৰান্তৰ ১০ গৰাকী প্ৰশিক্ষাৰ্থীক লৈ অনুষ্ঠিত এই কৰ্মশালাত সাঁচিপতীয়া পুথিচিত্ৰৰ ডিজিটেলাইজেচন (অংকীয় কৰণ)ৰ ওপৰত বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কালি এই কৰ্মশালাৰ সামৰণি পৰে। কৰ্মশালাত পৰম্পৰাক আধাৰ হিচাপে লৈ কেনেদৰে বিভিন্ন সামগ্ৰীত এই চিত্ৰশৈলীক অংকন কৰিব পাৰি আৰু ইয়াক ডিজিটেল



মাধ্যমত কেনেদৰে সংৰক্ষণ আৰু বজাৰকৰণ কৰিব পাৰি সেই বিষয়ে হাতে-কামে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে নতুন দিল্লীৰ পৰা গুৰুগৃহত উপস্থিত হয় বিশিষ্ট চিত্ৰশিল্পী, ডিজাইনাৰ শৰ্মিষ্ঠা ৰয়ে। শৰ্মিষ্ঠা ৰয়ে প্ৰশিক্ষাৰ্থীসকলক সাঁচিপতীয়া চিত্ৰৰ আধুনিক ব্যৱহাৰ, ডিজিটেল ডিজাইনিং আৰু ইয়াৰ বাণিজ্যিক সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। আয়োজক সকলে জানিবলৈ দিয়া মতে, এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে মাজুলীৰ থলুৱা মহিলা শিল্পীসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰা আৰু লুপ্তপ্ৰায় সাঁচিপতীয়া শিল্পক নতুন প্ৰজন্মৰ মাজত ডিজিটেল ৰূপত জীয়াই ৰখা। এই প্ৰশিক্ষণৰ জৰিয়তে মহিলাসকলে নিজৰ শিল্পকৰ্মক দেশ-বিদেশৰ বজাৰত বিক্ৰী কৰিবলৈ সক্ষম হ'ব।

## সংকটৰ দিশে অসম-বংগৰ চাহ উদ্যোগ

কেন্দ্ৰ-কলিকতা, গুৱাহাটী আৰু শিলিগুৰিত জুলাইৰ পৰা আগষ্টৰ মাজভাগলৈকে চাহৰ মূল্য অভূতপূৰ্বভাৱে হ্ৰাস পাইছে। কলিকতা নিলাম কেন্দ্ৰত (CTTA) দুমাহৰো কম সময়ৰ ভিতৰত প্ৰতি কেজি চাহৰ গড় মূল্য ২৯১.২৭ টকাৰ পৰা ২৩৮.৭৭ টকালৈ অৰ্থাৎ প্ৰায় ১৭ শতাংশ হ্ৰাস পাইছে। একেদৰে গুৱাহাটী নিলাম কেন্দ্ৰতো (GTAC) চিটিচি চাহৰ মূল্য ২৬৪.৮৯ টকাৰ পৰা ২২১.৫৭ টকালৈ (১৫ শতাংশ) আৰু শিলিগুৰি কেন্দ্ৰত (STAC) 201.80 টকাৰ পৰা ১৮২.৩০ টকালৈ (৮ শতাংশ) হ্ৰাস পোৱা গৈছে। মূল্য হ্ৰাসৰ উপৰিও জলবায়ু পৰিৱৰ্তন আৰু আকস্মিক প্ৰাকৃতিক দুৰ্যোগে চাহ বাগিচাবোৰৰ ব্যাপক ক্ষতিসাধন কৰিছে। অসমৰ ভয়াৱহ বানপানী, অত্যধিক উত্তাপ আৰু কীট-পতংগৰ আক্ৰমণৰ বাবে চাহ উৎপাদনৰ গতি প্ৰতিহত হৈছে। চাহ ব'ৰ্ডৰ পৰিসংখ্যা অনুসৰি জুন মাহলৈকে উৎপাদনত কিছু বৃদ্ধি দেখা গৈছিল যদিও পৰৱৰ্তী সময়ত বানপানীৰ ফলত জলমগ্ন হোৱা বাগিচাসমূহ পুনৰুদ্ধাৰ নোহোৱাৰ বাবে জুলাই আৰু আগষ্ট মাহত উৎপাদন আশংকাজনকভাৱে হ্ৰাস পাইছে। সংস্থাই অনুমান কৰা মতে, চলিত মাহৰ শেষলৈকে উত্তৰ ভাৰতত সামগ্ৰিক উৎপাদন প্ৰায় ৮ মিলিয়ন কিলোগ্ৰাম হ্ৰাস পাব। ইফালে বিশ্বৰ ভূ-ৰাজনৈতিক সংকটৰ বাবে চাহ ৰপ্তানিৰ ক্ষেত্ৰতো স্থবিৰতাই দেখা দিছে। যোৱা বৰ্ষৰ তুলনাত ৰপ্তানিৰ পৰিমাণ প্ৰায় চ মিলিয়ন কিলোগ্ৰাম (১৮ শতাংশ) পিছ পৰি থকাৰ ফলত বৈদেশীক বজাৰতো ভাৰতীয় চাহে প্ৰত্যাহ্বানৰ মুখামুখি হ'বলগীয়া হৈছে। উৎপাদন আৰু নিলামৰ মূল্য হ্ৰাস পোৱাৰ বিপৰীতে শ্ৰমিকৰ মজুৰি আৰু অন্যান্য বহিঃপ্ৰবাহ ব্যয় অব্যাহত থকাত সমগ্ৰ চাহ উদ্যোগটোলৈ অনিশ্চয়তা নামি অহা বুলি ব্যৱসায়ী মহলে গভীৰ চিন্তা প্ৰকাশ কৰিছে।

## জুবিন গাৰ্গ হত্যা গোচৰ ঃ ফাষ্টট্ৰেক

গুৰুত্বপূৰ্ণ সাক্ষ্যদান কৰে। আদালতত সাক্ষ্য প্ৰদানৰ পাছত সংবাদ মাধ্যমৰ সন্মুখত নিজৰ ভাষ্য দাঙি ধৰি সৃজনীয়ে কয় যে সামাজিক মাধ্যমত তেওঁ দিয়া প'ষ্টটোক কেন্দ্ৰ কৰিয়েই আদালতত আলোচনা কৰা হৈছে। এই বিষয়ত নতুনকৈ অতিৰিক্ত একো ক'বলগীয়া নাই বুলি স্পষ্ট কৰি দি তেওঁ সকলোৱে যাতে উপযুক্ত ন্যায় লাভ কৰে, সেই আশা প্ৰকাশ কৰে। সৰুৰে পৰা জুবিন গাৰ্গক চিনি পোৱাৰ কথা উল্লেখ কৰাৰ বিপৰীতে আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাক তেওঁ চিনি নাপায় বুলি কয়। ইফালে, গোচৰটোৰ সৈতে খুৰাক শ্যামকানু মহন্তৰ সম্প্ৰিক্ততা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত সৃজনীয়ে নিজৰ ব্যক্তিগত অনুভৱতকৈ ন্যায়িক প্ৰক্ৰিয়াকহে গুৰুত্ব প্ৰদান কৰে। ব্যক্তিগত বা ঘৰুৱা কথাৰ উৰ্ধত থাকি সকলোকে জুবিন গাৰ্গৰ ন্যায়ৰ বিষয়টোত মনোযোগ দিবলৈ আহ্বান জনাই তেওঁ সাংবাদিকসকলকো এই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ কৰ্তৃপক্ষক প্ৰশ্ন উত্থাপন কৰিবলৈ কয়। উল্লেখযোগ্য যে শিল্পীগৰাকীৰ মৃত্যুৰ পাছতেই সৃজনী ভাস্ব মহন্তই সামাজিক মাধ্যমত এক প'ষ্ট যোগে খুৰাক শ্যামকানু মহন্তই জুবিন গাৰ্গক কেৱল ব্যৱসায়িক পণ্য সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ তুলিছিল। সৃজনীৰ এই সামাজিক মাধ্যমৰ মন্তব্যৰ ভিত্তিত পৰৱৰ্তী সময়ত তদন্তকাৰী বিশেষ দল (SIT)-এ তেওঁক গোচৰটোৰ এগৰাকী গুৰুত্বপূৰ্ণ সাক্ষী হিচাপে অন্তৰ্ভুক্ত কৰিছিল। আনহাতে, এই ৰহস্যজনক হত্যা গোচৰৰ অন্যতম মূল অভিযুক্ত শ্যামকানু মহন্তক সৰ্বোচ্চ ন্যায়ালয়েও কোনো আইনী সকাহ নিদিলে। ন্যায়ালয়ৰ সিদ্ধান্ত অনুসৰি অহা ৰচ অক্টোবৰ পৰ্যন্ত কাৰাগাৰৰ মজিয়াতেই থাকিব লাগিব মূল অভিযুক্ত শ্যামকানু মহন্ত।

## মানকাচৰ সীমান্তত১৫০টা গৰুসহ

দেওৱানেৰ আলগা সীমান্তত বিএছএফৰ ১৫০ বেটেলিয়নে এক অভিযান চলাই বাংলাদেশলৈ সৰবৰাহৰ উদ্দেশ্যে সাজু কৰা ৯টা চোৰাং গৰু জব্দ কৰে। অৱশ্যে বিএছএফৰ উপস্থিতিৰ উমান পাই সৰবৰাহকাৰীসকলে আন্ধাৰৰ সুযোগ লৈ স্থান এৰি পলায়ন কৰিবলৈ সক্ষম হয়। ইয়াৰ কিছু সময়ৰ পাছতে ১৫০ বেটেলিয়নৰ আন এটা টহলীয়া দলে একেটা অঞ্চলৰে আন এক চৰ সীমান্তত চলোৱা দ্বিতীয়টো অভিযানত ৬টা গৰুসহ এজন সন্দেহযুক্ত সৰবৰাহকাৰীক আটক কৰে। আটকাধীন লোকজনক সুখচৰ থানাৰ অন্তৰ্গত নেওঁৱাজেছপুৰ গাঁৱৰ বাসিন্দা খলিল সেখ (৩৪) বুলি চিনাক্ত কৰা হৈছে। পাছত বিএছএফে ১৫টা গৰু আৰু আটকাধীন খলিল সেখক সুখচৰ থানাত গতাই দিয়ে। আৰক্ষীয়ে উক্ত গৰুসমূহ জব্দ কৰাৰ লগতে অভিযুক্ত খলিল শেখক গ্ৰেপ্তাৰ কৰি জিলা আদালতত হাজিৰ কৰায় আৰু পৰৱৰ্তী সময়ত আদালতে তেওঁক ধুবুৰী কাৰাগাৰলৈ প্ৰেৰণ কৰে। এদিনতে সীমান্তৰ দুটা পৃথক স্থানত বৃহৎ সংখ্যক চোৰাং গৰু জব্দ হোৱাৰ এই ঘটনাই দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সীমান্ত সুৰক্ষা আৰু আৰক্ষীৰ কৰ্তব্যনিষ্ঠাক লৈ ৰাজহুৱা প্ৰশ্নৰ সৃষ্টি কৰিছে। একাধিক থানা আৰু আৰক্ষী চকী অতিক্ৰম কৰি নদীপথ তথা সীমান্তৱৰ্তী চৰ অঞ্চললৈ কেনেকৈ নিয়মীয়াকৈ এনে বেআইনী কাৰবাৰ চলাই থকা হৈছে, তাক লৈ ৰাইজ অসন্তুষ্ট হৈ পৰিছে। বিএছএফে প্ৰায় প্ৰতিদিনে সীমান্তত চোৰাং পশুধন জব্দ কৰাৰ বিপৰীতে স্থানীয় আৰক্ষীৰ চকুৰ সন মুখেৰে এই পশুধনসমূহ কেনেকৈ পাৰ হৈ যায়, তাক লৈ সন্দেহ ঘনীভূত হৈছে। অভিযোগ অনুসৰি, আৰক্ষীৰ গাফিলতি বা সম্ভাব্য গোপন বুজাবুজিৰ বাবেই নদীপথ আৰু চৰ অঞ্চলত এনে চোৰাং চক্ৰসমূহে মুক্তভাৱে কাম কৰি আছে। কেৱল বিএছএফে জব্দ কৰাৰ পাছত গোচৰ ৰুজু কৰি আৰক্ষীয়ে দায়িত্ব সামৰিলে সমস্যাৰ স্থায়ী সমাধান নহয় বুলি মত প্ৰকাশ কৰিছে স্থানীয় সচেতন মহলে। পশুধনবোৰ ক'ৰ পৰা অনা হৈছে, কোন সংগ্ৰহৰ সৈতে জড়িত আৰু এই নেটৱৰ্কৰ মূল মূলীয়াসকল কোন, তেওঁলোকক চিনাক্ত কৰি সমগ্ৰ চক্ৰটো উৎখাত কৰাটো আৰক্ষীৰ প্ৰধান দায়িত্ব হোৱা উচিত। সীমান্তৱৰ্তী অঞ্চলত ক্ৰমান্বয়ে বৃদ্ধি পোৱা এই ৰাজহুৱা ক্ষোভৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ চোৰাং সৰবৰাহৰ বিৰুদ্ধে এক নিৰপেক্ষ আৰু উচ্চ পৰ্যায়ৰ তদন্ত নিৰ্দেশ দিবলৈ অসমৰ মুখ্যমন্ত্ৰীক আহ্বান জনোৱা হৈছে। ইয়াৰ উপৰিও, যদি এই কাৰবাৰ চলাই নিয়াত কোনো আৰক্ষী বিষয়া বা কৰ্মীৰ গাফিলতি বা অনিয়মৰ প্ৰমাণ পোৱা যায়, তেন্তে তেওঁলোকৰ বিৰুদ্ধেও কঠোৰ আইনী আৰু বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

## ১৯ ছেপ্টেম্বৰত 'জুবিন দিৱস' আৰু

দল বুলি আখ্যা দি দলটোৰ সৈতে মিত্ৰতাৰ সম্ভাৱনাকো নাকচ কৰে। কংগ্ৰেছৰ তীব্ৰ সমালোচনা কৰি অখিল গগৈয়ে অভিযোগ উত্থাপন কৰে যে কংগ্ৰেছৰ পৰা জিকি যোৱা প্ৰাৰ্থীসমূহ পৰৱৰ্তী সময়ত বিজেপি সমৰ্থক হৈ পৰে। সাংসদ গৌৰৱ গগৈক ব্যতিক্ৰম বুলি উল্লেখ কৰি তেওঁ কয় যে দিল্লীত অসমৰ স্বাৰ্থত মাত মাতিবলৈ কংগ্ৰেছৰ অন্য কোনো সাংসদ নাই। ৰাজ্যখনত কংগ্ৰেছ ধ্বংস হোৱাৰ মূল কাৰণ হিচাপে ৰকিবুল হুছেইনক দোষাৰোপ কৰি নেতাগৰাকীৰ অহংকাৰ এতিয়াও কমা নাই বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। ৰাজনৈতিক মন্তব্যৰ উপৰিও সোণাপুৰস্থিত 'জুবিন ক্ষেত্ৰ'ত উপস্থিত হৈ বিধায়ক গগৈয়ে সাংস্কৃতিক ক্ষেত্ৰখনৰ সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। অহা ৰজ্ঞ ছেপ্টেম্বৰৰ দিনটোক 'জুবিন দিৱস' আৰু প্ত নৱেম্বৰৰ দিনটোক 'ভূপেন্দ্ৰ দিৱস' হিচাপে চৰকাৰী বন্ধ ঘোষণা কৰি দুয়োটা দিৱস চৰকাৰীভাৱে উদযাপন কৰাৰ বাবে এখন গেজেট নিৰ্দেশনা প্ৰকাশ কৰিবলৈ তেওঁ চৰকাৰক দাবী জনায়। কেৱল বন্ধ ঘোষণাতে আবদ্ধ নাথাকি এই বিশেষ দিন দুটাত ৰাজ্যৰ সকলো শিক্ষানুষ্ঠানত দুয়োগৰাকী মহান শিল্পীৰ জীৱন, সৃষ্টিৰাজি আৰু মূল্যবোধৰ সম্পৰ্কে আলোচনা-চক্ৰ তথা সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিব লাগে বুলিও তেওঁ পৰামৰ্শ দিয়ে। ইয়াৰ দ্বাৰা নৱপ্ৰজন্মই দুয়োগৰাকী বৰেণ্য শিল্পীৰ অভূতপূৰ্ব অৱদান সঠিকভাৱে উপলব্ধি কৰিব পাৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। ইফালে, 'জুবিন ক্ষেত্ৰ'ৰ নিৰ্মাণ আৰু ভূমি আবণ্টনক লৈও চৰকাৰৰ স্থিতিক প্ৰশ্ন কৰে বিধায়কগৰাকীয়ে। উক্ত প্ৰকল্পৰ বাবে চৰকাৰে প্ৰকৃততে কিমান মাটি আবণ্টন দিছে আৰু কিধৰণৰ স্মাৰক গঢ়ি তুলিবলৈ সিদ্ধান্ত লৈছে, অহা ১৯ ছেপ্টেম্বৰৰ ভিতৰত সেই সমগ্ৰ তথ্য ৰাজহুৱা কৰি চৰকাৰে স্পষ্টীকৰণ দিব লাগে বুলি অখিল গগৈয়ে দাবী জনায়।

## শ্বিলঙৰ অসম ৰেজিমেণ্ট চেণ্টাৰত

ঐতিহ্যমণ্ডিত চেণ্টাৰটোলৈ ৰাজ্যৰ স্থায়ী ৰাজধানী দিছপুৰলৈ স্থানান্তৰিত হোৱাৰ পাছত কোনো অসমৰ মুখ্যমন্ত্ৰীৰ এয়াই প্ৰথমটো ভ্ৰমণ। ইয়াৰ পূৰ্বে কেৱল প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিষ্ণুৰাম মেধি আৰু বিমলা প্ৰসাদ চলিহাইহে ঐতিহাসিক কাৰ্যালয়টো ভ্ৰমণ কৰিছিল, যাৰ ফলত ড° শৰ্মাৰ এই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। ভ্ৰমণসূচীৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰেজিমেণ্ট চেণ্টাৰৰ যুদ্ধ স্মাৰকত মাল্যাৰ্পণ কৰাৰ লগতে দেশৰ অখণ্ডতা আৰু সুৰক্ষাৰ বাবে প্ৰাণাহুতি দিয়া অমৰ শ্বহীদসকললৈ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত তেওঁ দৰ্শনাৰ্থীৰ বহীত নিজৰ মন্তব্য লিপিবদ্ধ কৰে। এই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে সেনাই ড্ৰ'ণ প্ৰযুক্তিৰে প্ৰদৰ্শন কৰা আধুনিক যুদ্ধ কৌশলৰ উপৰিও জাংগল লেনৰ গুলীচালনা, কমাণ্ডো ব্ৰিফিং, জনজাতীয় জাল আৰু ৰিফ্লেক্স শ্বুটিং ৰেঞ্জৰ অনুশীলন প্ৰত্যক্ষ কৰে। ইয়াৰ উপৰিও জোৱানসকলৰ শাৰীৰিক ফিটনেছ আৰু মানসিক দৃঢ়তা প্ৰতিফলিত কৰা কেৰাটে আৰু সমৰ কলাৰ প্ৰদৰ্শনো পৰিদৰ্শন কৰে। ইয়াৰ পাছতে ৰেজিমেণ্ট চেণ্টাৰৰ দাহ প্ৰেক্ষাগৃহত আয়োজিত এক বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত অসম ৰেজিমেণ্টৰ গৌৰৱময় ইতিহাস উন্মোচিত কৰা এখন বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শন কৰাৰ লগতে সেনাৰ জোৱানসকলে বিহু নৃত্য আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত যুদ্ধ সংস্কৃতিভিত্তিক বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। কাৰ্যসূচীৰ অংশ হিচাপে ড° শৰ্মাই ২৪ গৰাকী অগ্নিবীৰ আৰু ২০ গৰাকী প্ৰাক্তন সেনাকৰ্মীৰ পৰিয়ালৰ সৈতে পোনপটীয়া মত বিনিময়ত মিলিত হয় আৰু চেণ্টাৰ কমাণ্ডেণ্টৰ সৈতে প্ৰতিষ্ঠানটোৰ বৰ্তমানৰ কাৰ্যপ্ৰণালী সন্দৰ্ভত আলোচনাত বহে। সেনাৰ সাহসিকতাক ভূয়সী প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জোৱানসকলৰ অপূৰ্ব দেশপ্ৰেম আৰু পৰম ত্যাগে আগন্তুক প্ৰজন্মক সদায়ে প্ৰেৰণা যোগাই যাব। সৈনিকসকলৰ অদম্য সাহসেই দেশৰ আটাইতকৈ ডাঙৰ শক্তি বুলি উল্লেখ কৰি তেওঁ এনে সাহসী বীৰসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে সময় কটোৱাটো এক বিৰল সন্মান আৰু গভীৰ প্ৰেৰণাদায়ক অভিজ্ঞতা বুলি অভিহিত কৰে। উক্ত তাৎপৰ্যপূৰ্ণ অনুষ্ঠানটোত জিঅ'চি ১০১ এৰিয়াৰ লেফটেনেণ্ট জেনেৰেল মোহিত ৱাধৱা আৰু চেণ্টাৰ কমাণ্ডেণ্ট ব্ৰিগেডিয়াৰ বিকাশ ৰায় সান্দিল্য উপস্থিত থাকে।

## আমেৰিকাৰ পৰা অত্যাধুনিক

আমেৰিকান কংগ্ৰেছক অৱগত কৰাৰ ৯ মাহৰ পাছত এই চুক্তি স্বাক্ষৰ কৰা হৈছে। আনহাতে প্ৰেছ বিজ্ঞপ্তিতটোত উল্লেখ্য কৰিছে যে,এই চুক্তিয়ে কেৱল সামগ্ৰিক ক্ৰয়তেই সীমাবদ্ধ নাথাকি দুয়োখন দেশৰ প্ৰতিৰক্ষা উদ্যোগৰ সহ-উৎপাদন আৰু পাৰস্পৰিক প্ৰতিৰক্ষা ঘাটি শক্তিশালী কৰাৰ নতুন পথ মুকলি কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰদূত চেৰ্গিঅ' গৰে ইয়াক ভাৰত-আমেৰিকাৰ প্ৰতিৰক্ষা সম্পৰ্কৰ এক ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰে।

## শিক্ষকৰ বেতন মডিউল আৰু প্ৰাপ্যক

সুৰক্ষাৰ দাবীত শনিবাৰে (২৯ আগষ্ট) গুৱাহাটীৰ চানমাৰিস্থিত শিক্ষক ভৱনত এক তীব্ৰ প্ৰতিবাদী সভা অনুষ্ঠিত হয়। প্ৰতিবাদী সভাত উপস্থিত থাকি বিশিষ্ট সাংবাদিক দীপক বৰ্মনে ৰাজ্যৰ শিক্ষা বিভাগ আৰু চৰকাৰৰ নীতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। তেওঁ কয় যে সমাজৰ প্ৰতিজন ব্যক্তিয়ে শিক্ষকমহলক শ্ৰদ্ধা জনোৱাৰ বিপৰীতে বৰ্তমান চৰকাৰে সমাজৰ আটাইতকৈ অমূল্য সম্পদ স্বৰূপ শিক্ষকসকলক অধিকাৰৰ বাবে ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য কৰাইছে। শিক্ষকসকলৰ এই দুৰৱস্থাৰ বাবে একাংশ শিক্ষকৰ মন্ত্ৰী-নেতাৰ সৈতে থকা মিতিৰালিকো জগৰীয়া কৰি তেওঁ কয় যে বিভিন্ন আঁচনি ৰূপায়ণ কৰা চৰকাৰখনে শিক্ষক সমাজৰ সমস্যা সমাধানত গুৰুত্ব দিয়া নাই। দৰকাৰ হ'লে চৰকাৰক বাধ্য কৰাবলৈ ঘেৰাও কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবেও তেওঁ আহ্বান জনায়। প্ৰতিবাদী সভাখনত জানিবলৈ দিয়া হয় যে প্ৰাথমিক বিদ্যালয়ৰ কৰ্মৰত স্নাতক শিক্ষকসকলক ১৭ মাহ ধৰি ৮, ৭০০ টকা গ্ৰেড পে' প্ৰদান কৰি চ শতাংশ মৰগীয়া বানচ আৰু ৫ মাহৰ বকেয়া ধন কাঢ়ি লোৱা হৈছে। ইয়াৰ উপৰিও চৰ মাহ ধৰি নিয়মীয়া শিতানত দৰমহা প্ৰদান কৰাৰ পাছত সম্প্ৰতি 'SNA-SPARSH' মডিউলৰ জৰিয়তে দৰমহা দি শিক্ষকসকলক পদত্যাগী হিচাপে দেখুৱাই নিয়মীয়া মৰ্যাদা কাঢ়ি লোৱাৰ চেষ্টা চলোৱা হৈছে। উল্লেখযোগ্য যে, যোৱা ১ আগষ্টত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু আৰু প্ৰাথমিক শিক্ষা সঞ্চালকক নিযুক্তি পত্ৰৰ চৰ্ত অনুসৰি দৰমহা প্ৰদানৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰিছিল। তাৰ পাছত ছ আগষ্টত শিক্ষামন্ত্ৰীৰ সৈতে হোৱা আলোচনা বিফল হোৱাৰ পাছতেই এই প্ৰতিবাদী সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত বিশিষ্ট লেখক, চিন্তাবিদ তথা প্ৰাক্তন আয়ুক্ত লক্ষ্মীনাথ তামুলীয়ে উপস্থিত থাকি বিষয়টোৰ ওপৰত সাৱলীল বক্তব্য আগবঢ়ায় আৰু নিজৰ চাকৰিৰ সময়ছোৱাৰ অভিজ্ঞতা ব্যক্ত কৰে। সন্মিলনীৰ সভাপতি ৰাতুল চন্দ্ৰ গোস্বামী আৰু প্ৰধান সম্পাদক শৈলেন্দ্ৰ কলিতাৰ প্ৰমুখ্যে কেইবাগৰাকীও জ্যেষ্ঠ বিষয়বীয়াৰ উপস্থিতিত অনুষ্ঠিত এই সভাই শিক্ষকসকলৰ প্ৰাপ্য অধিকাৰ আৰু মৰ্যাদা পুনৰুদ্ধাৰ নকৰালৈকে প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ দিয়ে।

## ডুমডুমাৰ ব্যৱসায়ীলৈ সন্দেহযুক্ত

মাইকেল অসম আৰু সহ-বিত্ত সম্পাদক মেজৰ অভিমন্যু অসম'ৰ স্বাক্ষৰ আছিল। পত্ৰখনত ব্যৱসায়ীসকলক ৰপ্ত লাখকৈ টকা দাবী কৰা হৈছিল। এই ধন দাবী পত্ৰ লাভ কৰাৰ পাছতে আতংকিত ব্যৱসায়ীসকলে নিজৰ নিৰাপত্তাক লৈ চিন্তিত হৈ পৰে । লগতে এই সন্দৰ্ভত ব্যৱসায়ীসকলে আৰক্ষী প্ৰশাসনৰ কাষ চাপি সমস্ত ঘটনা সন্দৰ্ভত তাৎক্ষণিকভাৱে তদন্ত কৰি প্ৰয়োজনীয় নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় । ইফালে, আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ তদন্ত অব্যাহত ৰখাৰ লগতে ব্যৱসায়ীসকলক প্ৰয়োজনীয় নিৰাপত্তা প্ৰদানৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ মাজতে আজি সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক চয় লেঃ অনুৰণন অসমে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰে যে, যোৱা ইংৰাজী ২৮ জুলাই ২০২৬ তাৰিখৰ পৰা অসমৰ একাংশ বৈদ্যুতিন সংবাদ মাধ্যমত "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)" সংগঠনৰ বিত্ত সম্পাদক লেঃ জেঃ মাইকেল অসম মহাশয় আৰু সহঃ বিত্ত সম্পাদক অভিমন্যু অসম মহাশয়ৰ নাম আৰু ভুৱা স্বাক্ষৰ ব্যৱহাৰ কৰি আৰ্থিক সাহায্য বিচাৰি প্ৰেৰণ কৰা একাধিক পত্ৰ সম্প্ৰচাৰিত হৈ আছে। উক্ত পত্ৰসমূহৰ সন্দৰ্ভত সংগঠনৰ তৰফৰ পৰা স্পষ্ট কৰা হয় যে "সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)" সংগঠনৰ তৰফৰ পৰা তিনিচুকীয়া জিলাৰ ডুমডুমা চহৰৰ কোনো ব্যক্তিলৈ তেনে পত্ৰ প্ৰেৰণ কৰা হোৱা নাই। কোনো দুষ্ট চক্ৰই সংগঠনৰ নামৰ লগতে সন্মানীয় মহাশয়দ্বৰ নাম ব্যৱহাৰ কৰি ন্যস্তস্বাৰ্থ সিদ্ধিৰ বাবে এনেধৰণৰ গৰ্হিত কামত লিপ্ত হৈছে। সেয়েহে, এই দুষ্টচক্ৰটোক সহযোগ নকৰিবলৈ সংগঠনৰ তৰফৰ পৰা ডুমডুমাৰ উক্ত ব্যক্তি সকললৈ এই বিবৃতিটোত আহ্বান জনোৱা হৈছে।

## ৰাজ্যৰ অৰ্থনৈতিক সংকটক লৈ

সাংসদগৰাকীয়ে অভিযোগ উত্থাপন কৰে যে চৰকাৰখনৰ শেহতীয়া ১০০ দিনৰ কাৰ্যকাল কেৱল ৰাজ্যবাসীৰ মূৰত ঋণৰ ভয়াৱহ বোজা জাপি দিয়াতহে সীমিত হৈ পৰিছে। সাংসদ গগৈয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, বিগত মাত্ৰ চাৰিমাহত চৰকাৰে পৰ্যায়ক্ৰমে বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ ভিতৰত মে' মাহত ১৭৫০ কোটি (১২ মে'ত ৰ, ০০০ কোটি আৰু ২৬ মে'ত ৭৫০ কোটিগ্ন, জুন মাহত ২, ০০০ কোটি (১৬ জুনত ১, ০০০ কোটি আৰু ৩০ জুনত ৰ, ০০০ কোটি), জুলাই মাহত ৰ, ০০০ কোটি শচৰ জুলাইত) আৰু আগষ্ট মাহত ২, ০০০ কোটি (৪) আগষ্টত ১, ০০০ কোটি আৰু ১৮ আগষ্টত ১, ০০০ কোটি) টকাৰ ঋণ লোৱা হৈছে। ইয়াৰ উপৰিও অহা ৰ ছেপ্টেম্বৰত পুনৰ ৰ, ০০০ কোটি টকাৰ নতুন ঋণ লোৱাৰ বাবে প্ৰশাসনে প্ৰস্তুতি চলাইছে। অৰ্থাৎ এই কম সময়ছোৱাতে চৰকাৰে সৰ্বমুঠ 7750 কোটি টকাৰ বিশাল ঋণ ল'বলগীয়া হৈছে। চৰকাৰৰ এই কাৰ্যক তীব্ৰ সমালোচনা কৰি বিৰোধী নেতাজনে কয় যে ৰ ছেপ্টেম্বৰত ল'বলগীয়া ১০০০ কোটি টকাৰ বিপৰীতে বছৰি ৭.৫৬ শতাংশ হাৰত শুধ পৰিশোধ কৰিব লাগিব, যাৰ চূড়ান্ত বোজা অসমৰ সাধাৰণ জনতাই বহন কৰিবলগীয়া হ'ব। সংবাদ মাধ্যমত প্ৰকাশিত তথ্যৰ উদ্ধৃতি দি তেওঁ দাবী কৰে যে এনেধৰণৰ অনিয়ন্ত্ৰিত ঋণ গ্ৰহণৰ ফলত প্ৰতিগৰাকী অসমবাসীৰ জনমুৰি ঋণৰ পৰিমাণ বৃদ্ধি পাই প্ৰায় ৬৩, ৬৩৬ টকালৈ উন্নীত হ'ব। 'ডাবল ইঞ্জিন চৰকাৰ' আৰু 'এ ফৰ অসম' (A for Assam) বুলি দিয়া চৰকাৰী শ্লোগানসমূহক প্ৰশ্নৰ মুখত পেলাই গৌৰৱ গগৈয়ে কটাক্ষ কৰে যে উন্নয়নৰ নামত চৰকাৰে ৰাজ্যখনত কেৱল ঋণৰ গংগাহে প্ৰবাহিত কৰিছে। ৰাজ্যৰ বিত্তীয় স্থিতিৰ এনে দিশে অসমৰ অৰ্থনৈতিক দিশটোৰ এক ভয়াবহ আৰু নিৰ্মম বাস্তৱ চিত্ৰ উদঙাই দেখুৱাইছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

## জাতিংগাত পৰিভ্ৰমী পক্ষী ধৰিলে হ'ব জেল

হাছাও ফৰেষ্ট ডিভিজন (ৱেষ্ট)-ৰ ফৰেষ্ট অফিচাৰে প্ৰেৰণ কৰা চৰকাৰী প্ৰতিবেদনৰ ভিত্তিত জিলা দণ্ডাধীশ গায়ত্ৰী দেৱীদাস হাইলিঙে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩-ৰ ১৬৩ ধাৰাৰ (পূৰ্বৰ ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰা) অধীনত এক বিশেষ নিষেধাজ্ঞামূলক নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশ অনুসৰি জাতিংগা আৰু দৈহেং অঞ্চলত পৰিভ্ৰমী চৰাই হত্যা কৰা, ধৰি নিয়া বা যিকোনো ধৰণৰ চিকাৰ কৰা সম্পূৰ্ণভাৱে নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰিও চৰাই ধৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা উচ্চ ক্ষমতাসম্পন্ন হেল'জেন লাইট, টৰ্চ, দীঘল খুঁটি বা আন কোনো প্ৰকাৰৰ ক্ষতিকাৰক সঁজুলি ব্যৱহাৰ কৰাতো সম্পূৰ্ণ বাৰণ কৰা হৈছে। প্ৰত্যক্ষ বা পৰোক্ষভাৱে চৰাই চিকাৰত সহায় কৰা সকলো ধৰণৰ অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰশাসনে আইনী স্থিতি গ্ৰহণ কৰিব। নিষেধাজ্ঞা সম্পৰ্কে জিলা দণ্ডাধীশ গায়ত্ৰী দেৱীদাস হাইলিঙে জনায় যে সাধাৰণতে আগষ্টৰ পৰা ফেব্ৰুৱাৰী মাহলৈ এই অঞ্চললৈ বৃহৎ সংখ্যক পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। এই পক্ষীবোৰৰ সুৰক্ষা আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে স্থানীয় ৰাইজৰ লগতে পৰ্যটকসকলকো সতৰ্ক হ'বলৈ আহ্বান জনোৱা হৈছে। পৰ্যটকসকলৰ আকৰ্ষণৰ মূল কেন্দ্ৰবিন্দু এই পক্ষীকুলক যাতে কোনো ধৰণৰ শক্তিশালী পোহৰ বা সঁজুলিৰে ক্ষতিসাধন কৰা নহয়, সেই বিষয়ে সচেতন থাকিবলৈ প্ৰশাসনে বিশেষ অনুৰোধ জনাইছে। ইফালে বন বিভাগে উল্লেখ কৰা মতে, বিশেষকৈ আগষ্টৰ পৰা নৱেম্বৰ মাহলৈ পৰিভ্ৰমী চৰাইবোৰে ইয়াত অৱস্থান কৰে। এই সময়ছোৱাত বন কৰ্মীসকলে দিনে-নিশাই ২৪ ঘণ্টাই সমগ্ৰ অঞ্চলটোত পহৰা দিয়াৰ ব্যৱস্থা কৰিছে। মানুহৰ আক্ৰমণৰ উপৰিও অন্যান্য চিকাৰী প্ৰাণীৰ পৰা পক্ষীকুলক ৰক্ষা কৰিবলৈ এই বিশেষ টিমে অবিৰত নিৰীক্ষণ চলাই থাকিব। নিৰ্দেশনাক অমান্য কৰি চৰাই হত্যা, ধৰা বা নিষিদ্ধ সামগ্ৰী ব্যৱহাৰ কৰিলে অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰশাসনে স্পষ্ট কৰি দিছে।

## পৰ্বতঝোৰাত বিজেপি নেতাক

(OBC) মৰ্চাৰ সভাপতি মদন পাল নিজ গৃহত থকা অৱস্থাতে হঠাতে এক দুৰ্বৃত্তৰ দল পালৰ ঘৰত উপস্থিত হয়। কোনো কাৰণ দৰ্শোৱাৰ পূৰ্বেই দলটোৱে বিজেপি নেতাজনক অমানুষিকভাৱে মাৰপিট কৰিবলৈ আৰম্ভ কৰে। এই আক্ৰমণ ৰোধ কৰিবলৈ চেষ্টা কৰোঁতে নেতাগৰাকীৰ পৰিয়ালৰ লোকসকলো দুৰ্বৃত্তৰ প্ৰহাৰৰ বলি হ'বলগীয়া হয়। ঘটনাৰ পিছতেই স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল লগে লগে উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আৰক্ষীয়ে তেজস্বী তথা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বিজেপি নেতা মদন পাল আৰু তেওঁৰ আহত পৰিয়ালৰ সদস্যসকলক ততাতৈয়াকৈ উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই আক্ৰমণৰ পিছতে সমগ্ৰ কাজিগাঁও অঞ্চলতে তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। আক্ৰমণকাৰী দুৰ্বৃত্তৰ দলটোক শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ বাবে আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে।

## ধুবুৰীক 'মিনি বাংলাদেশ'

গ্ৰহণ কৰে। মুছলিম ছাত্ৰ সন্থাৰ নেতৃত্বই স্পষ্ট কৰি দিয়ে যে ঐতিহাসিক তথা অসমৰ অবিচ্ছেদ্য অংশ ধুবুৰী জিলাখনক অপমান কৰা এনেধৰণৰ মন্তব্য কোনো পৰিস্থিতিতে মানি লোৱা নহ'ব। শৃংখল চলিহাই কৰা মন্তব্যই ধুবুৰীবাসীক হেয় প্ৰতিপন্ন কৰাৰ উপৰিও সম্প্ৰীতিৰ বাতাবৰণ বিনষ্ট কৰিব পাৰে বুলি অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। সেয়েহে, সমগ্ৰ বিষয়টোত শৃংখল চলিহাই ৰাজহুৱাভাৱে শীঘ্ৰে ক্ষমা খুজিব লাগে বুলি ছাত্ৰ সংগঠনটোৱে দায়ী কৰে। ইফালে, সাংবাদিকৰ সন্মুখত ছাত্ৰ সন্থাৰ স্পষ্ট বক্তব্য-যদি ধুবুৰীত সঁচাকৈয়ে অবৈধ বাংলাদেশী আছে, তেন্তে শৃংখল চলিহাই সেয়া আঙুলিয়াই দেখুৱাই দিয়ক। তেনে লোকক দেশৰ পৰা খেদি পঠিয়াবলৈ মুছলিম ছাত্ৰ সন্থাই নিজেই সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব। কেৱল ৰাজনৈতিক বা ব্যক্তিগত চৰ্চাৰ বাবে সমগ্ৰ ধুবুৰী জিলাখনক বাংলাদেশীৰ ভূস্বৰ্গ বা 'মিনি বাংলাদেশ' বুলি দাগ লগাই বিভাজনমূলক মন্তব্য কৰাৰ পৰা বিৰত থাকিবলৈ আৰক্ষী প্ৰশাসনকো যথোচিত আইনী ব্যৱস্থা ল'বলৈ দাবী জনায় সংগঠনটোৱে।

## নেপালৰ আকস্মিক বানত অসমৰ

আৰু নিৰাপদে উদ্ধাৰৰ স্পষ্ট আশ্বাস প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমতো প'ষ্ট কৰি কয় যে চৰকাৰে দুৰ্দশাগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে দৃঢ়তাৰে থিয় দিছে। কেৱল অৰুণ মহন্তই নহয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা দীপালী সৰকাৰ আৰু তেওঁৰ স্বামী মানস ঘোষৰ সৈতেও পৰিয়ালে যোগাযোগ কৰিব পৰা নাই। ইয়াৰ উপৰিও গোলাঘাট জিলাৰ মেৰাপানী ৰ নং জয়পুখুৰীৰ বাসিন্দা তথা নেপালৰ পাইপলাইন কোম্পানীত কৰ্মৰত ৰাহুল দৈমাৰী নামৰ যুৱকজনো সন্ধানহীন হৈ থকাৰ তথ্য পোহৰলৈ আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰা নিৰুদ্দেশ লোকৰ তালিকাত এই সকলোৰে নাম অন্তৰ্ভুক্ত আছে। ইফালে, নেপালত আৱদ্ধ হৈ থকা ৰাজ্যৰ নাগৰিকসকলৰ সহায়ৰ বাবে ধুবুৰী জিলা প্ৰশাসনে কেবাটাও জৰুৰীকালীন হেল্পলাইন নম্বৰ মুকলি কৰিছে। জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ প্ৰকল্প বিষয়া মোফাৰ্জেল সৰকাৰে জনোৱা মতে, ধুবুৰী জিলাৰ কোনো লোক যদি নেপালত আৱদ্ধ হৈ আছে, তেন্তে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। একে সময়তে, ভূমিকম্প আৰু আকস্মিক দুৰ্যোগৰ সজাগতা সৃষ্টিৰ বাবে জিলাখনত প্ৰশাসনে সচেতনতামূলক প্ৰচাৰো অব্যাহত ৰাখিছে।

## ধেমাজি চিটি মহাবিদ্যালয়ত ৩.৯০

মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুধিন্দ্ৰ বৰুৱাকে ধৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্বোধনী ভাষণত শিক্ষামন্ত্ৰী ড° ৰনোজ পেগুৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি পোৱাত সন্তোষ প্ৰকাশ কৰে। ইয়াৰ উপৰিও তেওঁ জানিবলৈ দিয়ে যে নৱনিৰ্মিত এই ভৱনটোৰ জৰিয়তে মহাবিদ্যালয়খনত ১০০টা কম্পিউটাৰ সম্বলিত এক আধুনিক ব্যৱস্থা গঢ়ি তোলা হ'ব। ইয়াৰ ফলত ধেমাজি চিটি মহাবিদ্যালয়ত এতিয়াৰে পৰা যিকোনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনলাইন তথা প্ৰতিযোগিতামূলক পৰীক্ষাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰিব পৰা যাব।

## নেপালৰ আকস্মিক বানত

কৰ্তৃপক্ষ (NDRRMA)-ৰ শেহতীয়া তথ্য অনুসৰি, মধ্য নেপালৰ ৰাছুৱা ধৰি জ্জ্ব খনকৈ পাহাৰীয়া জিলাত চলোৱা উদ্ধাৰ অভিযানত এতিয়ালৈকে ৬২৬জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইফালে, প্ৰলয়ংকাৰী বানৰ পাছত বৰ্তমানো ২৪০০ ৰো অধিক লোক নিৰুদ্দেশ হৈ আছে, যাৰ ভিতৰত্ৰ ৩২০ গৰাকী ভাৰতীয় নাগৰিকো সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। হিমালয়ৰ এই ৰাষ্ট্ৰখনত সৃষ্টি হোৱা অভূতপূৰ্ব ধ্বংসলীলাৰ পাছত বসতিস্থল, পথ-ঘাট, দলং আৰু বিভিন্ন জলবিদ্যুৎ প্ৰকল্পৰ ব্যাপক ক্ষতিসাধন হৈছে। আৱদ্ধ হৈ থকা প্ৰায় চপ্তজ্ঞ্জ লোকক উদ্ধাৰকাৰী দলে সুৰক্ষিতভাৱে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে যদিও দুৰ্গম ভূখণ্ড আৰু বোকা-পানীৰ বাবে অভিযান প্ৰত্যাহ্বানজনক হৈ পৰিছে। নেপালৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে 'প্ৰতিৱেশী প্ৰথম' নীতিৰ অধীনত জৰুৰী মানৱীয় সাহায্য আগবঢ়াইছে। শনিবাৰে ভাৰতীয় বায়ুসেনাৰ 'ট্ৰ-১৩০'খন বিশেষ বিমানেৰে প্ৰায় ১০ টন অত্যাৱশ্যকীয় ঔষধ, খোৱাপানী শুদ্ধীকৰণ টেবলট, জেনাৰেটৰ আৰু খাদ্য সামগ্ৰী কাঠমাণ্ডুলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰিও নেপাল চৰকাৰৰ অনুৰোধমৰ্মে কাৰিকৰী সাহায্য প্ৰদানৰ উদ্দেশ্যৰে ৰৰ জনীয়া এটা বিশেষ বিশেষজ্ঞ দল নেপালত উপস্থিত হৈছে। এই দলটোত জৰুৰী চিকিৎসা কৰ্মীৰ উপৰিও জটিল সুৰংগ উদ্ধাৰ অভিযানৰ (Tunnel Rescue Operations) অভিজ্ঞ বিশেষজ্ঞসকল অন্তৰ্ভুক্ত আছে। ইফালে, বানাক্ৰান্ত অঞ্চলসমূহত যোগাযোগ আৰু পৰিবহণ ব্যৱস্থা পুনৰ সচল কৰাৰ উদ্দেশ্যে ৪২খন পৰ্টেবল 'বেইলী দলং' (Bailey Bridges) নিৰ্মাণত কাৰিকৰী সহায় আগবঢ়াবলৈ নেপাল চৰকাৰে ভাৰত আৰু চীনক আহ্বান জনাইছে। নেপালৰ বৈদেশীক মন্ত্ৰী শিছিৰ খনালে সদৰি কৰা মতে, জটিল ভূখণ্ডৰ বাবে বিশেষ কাৰিকৰী দক্ষতাৰ প্ৰয়োজন হোৱাত নেপালে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা এনে কাৰিকৰী সহযোগ খোজাৰ সিদ্ধান্ত লৈছে। প্ৰশাসনে আশংকা প্ৰকাশ কৰা মতে, পানীৰ স্তৰ বৃদ্ধি পাই থকাৰ বাবে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পুনৰ বানৰ সম্ভাৱনা বৃদ্ধি পাইছে, যাৰ বাবে জৰুৰীকালীন তৎপৰতা অব্যাহত ৰখা হৈছে।

## অসমৰ প্ৰথমগৰাকী মহিলা IAS

যোৱা বছৰৰ আগষ্ট মাহত তেওঁ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিনিযুক্তিত যায়। দীঘলীয়া প্ৰশাসনিক জীৱনত তেওঁ অসমৰ কেইবাখনো গুৰুত্বপূৰ্ণ জিলাৰ উপায়ুক্ত হিচাপে দায়িত্ব পালন কৰিছে। বৰপেটা, গোলাঘাট, গোৱালপাৰা, কোকৰাঝাৰ আৰু নলবাৰী জিলাৰ উপায়ুক্ত হিচাপে কাম কৰি তেওঁ প্ৰশাসনিক দক্ষতাৰ পৰিচয় দিছিল।জিলা প্ৰশাসনৰ দায়িত্বৰ উপৰি ডেকাই ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদতো কাম কৰিছে। তেওঁ গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ উপাধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া, অসম দক্ষতা উন্নয়ন অভিযান আৰু অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ পৰিচালন সঞ্চালক, লগতে সমগ্ৰ শিক্ষা অভিযানৰ কাৰ্যবাহী সঞ্চালক হিচাপেও দায়িত্ব পালন কৰিছিল। স্বাস্থ্য, নগৰ উন্নয়ন, বডোলেণ্ড টেৰিটৰিয়েল কাউন্সিল, দক্ষতা, সৰলীকৰণ আৰু উদ্যোগ বিকাশ আদি বিভাগতো তেওঁ সচিব হিচাপে কাম কৰিছে। ইয়াৰ লগতে অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয় আৰু বডোলেণ্ড প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয়ৰ সঞ্চালকৰ দায়িত্বও পালন কৰিছিল। অৱশ্যে, বৰ্ণালী ডেকাৰ কৰ্মজীৱনৰ আৰম্ভণি প্ৰশাসনৰ পৰা হোৱা নাছিল। অসামৰিক সেৱাত যোগদান কৰাৰ পূৰ্বে তেওঁ টাটা কনছালটেন্সি ছাৰ্ভিছেছৰ গ্লোবেল কনছাল্টিং প্ৰেকটিছ আৰু এএনজেড বেংকত কাম কৰিছিল। তাত তেওঁ ব্যৱসায় বিশ্লেষক আৰু অভিযন্তা হিচাপে কৰ্মৰত আছিল। ইউপিএছচিৰ পৰীক্ষাতো ডেকাৰ সাফল্য আছিল উল্লেখযোগ্য। প্ৰথমে তেওঁ ৮২ নম্বৰ স্থান লাভ কৰি ভাৰতীয় আৰক্ষী সেৱাৰ বাবে নিৰ্বাচিত হৈছিল। পৰৱৰ্তী সময়ত ৰছ নম্বৰ স্থান লাভ কৰি ভাৰতীয় প্ৰশাসনিক সেৱাত যোগদান কৰে। শিক্ষাৰ ক্ষেত্ৰতো বৰ্ণালী ডেকাৰ কৃতিত্ব অসাধাৰণ। তেওঁ কম্পিউটাৰ বিজ্ঞানত বি.টেক, ছিষ্টেমছ এণ্ড অপাৰেচনছত এমবিএ কৰাৰ লগতে ফাইনেন্সক সহ-বিষয় হিচাপে অধ্যয়ন কৰিছিল। ইয়াৰ উপৰি তেওঁ এলএলবি আৰু বাণিজ্য বিষয়ত পিএইচডি ডিগ্ৰী লাভ কৰিছে। দিল্লী পাব্লিক স্কুল, আৰ কে পুৰম, গুৱাহাটীৰ ছেইণ্ট মেৰীজ স্কুল, বেংগালুৰুৰ আৰভি কলেজ অৱ ইঞ্জিনিয়াৰিং আৰু আইআইটি বোম্বেৰ দৰে প্ৰতিষ্ঠানত তেওঁ শিক্ষা গ্ৰহণ কৰিছে।

## কাজিৰঙাৰ ই-এছ-জেড সংকোচন

সদৰত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে পথলৈ ওলাই আহি পদযাত্ৰা কৰাৰ লগতে চৰকাৰবিৰোধী শ্লোগানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। গুৱাহাটীৰ দিছপুৰস্থিত দলীয় কাৰ্যালয়ৰ পৰা ওলাই অহা প্ৰতিবাদকাৰীসকলক আৰক্ষীয়ে বাধা প্ৰদান কৰে যদিও কংগ্ৰেছ কৰ্মীসকলে আৰক্ষীৰ বেৰিকেড ভাঙি ৰাজপথত পদযাত্ৰা কৰাৰ চেষ্টা চলায়। এই প্ৰতিবাদী কাৰ্যসূচীত বিধানসভাৰ বিৰোধী দলপতি ৱাজেদ আলী চৌধুৰী, প্ৰাক্তন সাংসদ ৰিপুণ বৰা আৰু ৰাজ্যিক মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰকে ধৰি শীৰ্ষ নেতৃত্বই অংশগ্ৰহণ কৰে। প্ৰতিবাদস্থলীত বিৰোধী দলপতি ৱাজেদ আলী চৌধুৰীয়ে স্পষ্ট কৰি দিয়ে যে কাজিৰঙা অসমবাসীৰ গৌৰৱ আৰু বিজেপি নেতৃত্বাধীন চৰকাৰক ইয়াৰ ক্ষতিসাধন কৰিবলৈ কোনো পধ্যে দিয়া নহ'ব। চৰকাৰে এই সিদ্ধান্ত পুনৰ বিবেচনা নকৰালৈকে প্ৰতিবাদ অব্যাহত থাকিব বুলি তেওঁ সকীয়াই দিয়ে। ইফালে, ৰিপুণ বৰা আৰু মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে ডাঙৰ কৰ্প'ৰেট গোষ্ঠীসমূহক ব্যৱসায়িক সুবিধা কৰি দিয়াৰ উদ্দেশ্যৰে চৰকাৰে উদ্যানখনৰ সুৰক্ষাৰ সৈতে আপোচ কৰিছে। উল্লেখযোগ্য যে, কাজিৰঙাৰ চৌপাশৰ বৰ্তমানৰ ১০ কিলোমিটাৰ পৰ্যন্ত বিস্তৃত বাফাৰ জ'ন সংকুচিত কৰি ৰ পৰা ৩ কিলোমিটাৰলৈ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ এক প্ৰস্তাৱ প্ৰেৰণৰ পৰিকল্পনা কৰিছে। কিন্তু পৰিৱেশবিদ তথা বিৰোধীসকলৰ মতে, ইয়াৰ ফলত কাজিৰঙা আৰু কাৰ্বি আংলং পাহাৰৰ গুৰুত্বপূৰ্ণ হাতী কৰিড'ৰসমূহত বাণিজ্যমুখী খনন আৰু পৰ্যটন উদ্যোগ ব্যাপকভাৱে বৃদ্ধি পাব। ইয়াৰ ফলশ্ৰুতিত মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত তীব্ৰতৰ হোৱাৰ উপৰিও UNESCO-ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰখনৰ জৈৱ-বৈচিত্ৰ্য গুৰুতৰ ভাবুকিৰ সন্মুখীন হ'ব। অন্যহাতে, চৰকাৰী প্ৰস্তাৱৰ পক্ষত যুক্তি দৰ্শাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে যে ই-এছ-জেড (ESZ) সংকোচন কৰাৰ মূল উদ্দেশ্য হ'ল সংৰক্ষিত অঞ্চলটোৰ আশে-পাশে বাস কৰা খিলঞ্জীয়া গাঁওবাসীৰ স্বাৰ্থ ৰক্ষা কৰা আৰু তেওঁলোকৰ জীৱিকা নিশ্চিত কৰা।

### ব্ৰহ্মপুত্ৰৰ সুঁতিত নিৰুদ্দেশ মাতৃ-পুত্ৰৰ নিথৰদেহ উদ্ধাৰ

## বৰপেটাৰ কাছুমাৰাত শোকাৱহ ঘটনা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৯ আগষ্ট**
বৰপেটা জিলাৰ কাছুমাৰাত সংঘটিত এক মৰ্মান্তিক ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ব্ৰহ্মপুত্ৰৰ সুঁতিত নিৰুদ্দেশ হোৱা এগৰাকী মাতৃ আৰু তেওঁৰ পুত্ৰৰ অৱশেষত নিথৰ দেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ব্ৰহ্মপুত্ৰৰ সুঁতিত মাতৃ-পুত্ৰ নিৰুদ্দেশ হোৱাৰ পিছতে তেওঁলোকৰ সন্ধানত উদ্ধাৰকাৰী দল আৰু স্থানীয় ৰাইজে অভিযান আৰম্ভ কৰে। প্ৰায় এটা দিন ধৰি চলোৱা ব্যাপক সন্ধান অভিযানৰ অন্তত ব্ৰহ্মপুত্ৰত উপঙি থকা অৱস্থাত দুয়োৰে মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মাতৃ-পুত্ৰৰ মৃতদেহ উদ্ধাৰৰ খবৰ বিয়পি পৰাৰ লগে লগে কাছুমাৰা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত শোকৰ ছাঁ নামি আহে। ঘটনাটোৱে পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজকো গভীৰভাৱে মৰ্মাহত কৰিছে। ইফালে, ঘটনাটোৰ প্ৰকৃত কাৰণ সম্পৰ্কে এই পৰ্যন্ত বিতং তথ্য পোহৰলৈ অহা নাই। আৰক্ষী তথা সংশ্লিষ্ট কৰ্তৃপক্ষই ঘটনাটোৰ সন্দৰ্ভত প্ৰয়োজনীয় তদন্ত অব্যাহত ৰাখিছে।

খেৰকটীয়া মহাবিদ্যালয়ত 'খেলো ইণ্ডিয়া সংবাদ' অনুষ্ঠান

# খেলৰ জৰিয়তে যুৱ শক্তিৰ বিকাশৰ আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ** মাই ভাৰতৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস-২০২৬ উপলক্ষে 'খেলো ইণ্ডিয়া সংবাদ' শীৰ্ষক 'খেলৰ কথা, প্ৰধানমন্ত্ৰী মোদীৰ সৈতে' অনুষ্ঠান বৃহস্পতিবাৰে উজনি মাজুলীৰ খেৰকটীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত মহাবিদ্যালয়খনৰ সন্মিলন কক্ষত অনুষ্ঠিত হয়। যুৱ সমাজৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি, শাৰীৰিক সক্ষমতা আৰু অনুশাসনৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু NSS স্বেচ্ছাসেৱকসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে মত বিনিময়ৰ সুযোগ প্ৰদান কৰাই আছিল অনুষ্ঠানটোৰ মূল উদ্দেশ্য। অনুষ্ঠানত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, NSS স্বেচ্ছাসেৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অসমৰ বিশিষ্ট ক্ৰীড়াবিদ লক্ষ্যজিত দলে আৰু কৃষ্ণমণি পেগুৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ গৰিমা বৃদ্ধি কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মাই ভাৰতৰ অধীনত অংশগ্ৰহণকাৰীসকলৰ পঞ্জীয়ন সম্পন্ন কৰাৰ পিছত আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা জনোৱা হয়। ভাৰ্চুৱেল অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে উপস্থিতসকলক 'নিচামুক্ত যুৱ-বিকশিত ভাৰত'ৰ শপত বাক্য পাঠ কৰোৱা হয়। ইয়াৰ পিছতে অংশগ্ৰহণকাৰীসকলে 'খেলো ইণ্ডিয়া সংবাদ ঃ খেলৰ কথা, প্ৰধানমন্ত্ৰী মোদীৰ সৈতে' শীৰ্ষক ভাৰ্চুৱেল অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীৰ ভাষণত ক্ৰীড়া, শাৰীৰিক সক্ষমতা, অনুশাসন, একাগ্ৰতা আৰু দেশ গঢ়াৰ ক্ষেত্ৰত যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। ভাৰ্চুৱেল অনুষ্ঠানৰ পিছত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উপেন বৰাই আদৰণি ভাষণ আগবঢ়ায়। তেওঁ যুৱ সমাজৰ সৰ্বাংগীণ বিকাশত ক্ৰীড়াৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। পৰৱৰ্তী সময়ত বিশিষ্ট ক্ৰীড়াবিদ লক্ষ্যজিত দলে আৰু কৃষ্ণমণি পেগুৰ সৈতে এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। এই আলোচনাত ক্ৰীড়াবিদ দুগৰাকীয়ে তেওঁলোকৰ ক্ৰীড়া জীৱনৰ অভিজ্ঞতা, বিভিন্ন প্ৰত্যাহ্বান আৰু সফলতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে একাগ্ৰতা, অনুশাসন আৰু অধ্যৱসায়েৰে ক্ৰীড়া ক্ষেত্ৰত আগবাঢ়ি যাবলৈ যুৱ প্ৰজন্মক উৎসাহিত কৰে। অনুষ্ঠানৰ যুৱ সম্পৃক্ততা কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ জীতু বৰাই 'যুৱ সংবাদ' শীৰ্ষক ভাষণ প্ৰদান কৰে। ভাষণত যুৱ সমাজৰ আকাংক্ষা আৰু দায়িত্বৰ লগতে সমাজ তথা দেশৰ উন্নয়নত যুৱ প্ৰজন্মৰ সক্ৰিয় ভূমিকা, শাৰীৰিক সক্ষমতা আৰু অনুশাসনৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। অনুষ্ঠানৰ সামৰণিত মহাবিদ্যালয়ৰ NSS কাৰ্যসূচী বিষয়া দীপাংক শইকীয়াই সামৰণি বক্তব্য আগবঢ়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক যুৱ সমাজৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে মত বিনিময় কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে আমন্ত্ৰিত ক্ৰীড়াবিদ, মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু NSS স্বেচ্ছাসেৱকসকলৰ সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। NSS স্বেচ্ছাসেৱকসকলৰ সক্ৰিয় সহযোগিতাৰ বাবেও তেওঁ শলাগ লয়। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ মাধ্যমেৰে অনুষ্ঠানটোৰ সামৰণি পৰে।

# সদৌ অসম শৰণীয়া কছাৰী সাহিত্য সভাৰ উদ্যোগত শৰণীয়া কছাৰী বাম্বোলপিতা উৎসৱৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ২৯ আগষ্ট ঃ** অসমৰ অন্যতম ভূমিপুত্ৰ শৰণীয়া কছাৰী জনগোষ্ঠীৰ বাপতি সাহোন বাম্বোলপিতা উৎসৱটি বিগত বছৰ সমূহৰ দৰে এইবেলি পবিত্ৰ বাদ মাহৰ পূৰ্ণিমা তিথি ১০ ভাদ শুক্ৰবাৰ ২৮ আগষ্ট ২০২৬ তাৰিখে দিন যোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে শৰণীয়া কছাৰী সাহিত্য সভা, অসমৰ উদ্যোগত মাজিকুছি আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সহযোগত আৰু বৃহত্তৰ মাজিকুছি ৰাইজৰ আতিথ্যত উক্ত অনুষ্ঠানৰ কালি সফল সামৰণি পৰে। অনুষ্ঠানত ৰাতিপুৱা স্মৃতি তৰ্পন কাৰ্য্যসূচীৰে শুভাৰম্ভনী কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নিধিৰাম কাকতি, পশ্চিম মাজিকুছি জগন্নাথ এম, ই, ইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী পদ্মিনী ডেকা পাঠক, ১নং ৰৌমাৰীৰ গাঁওপ্ৰধান কমল ভৰালী, ওদালগুৰি জিলা শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি শান্তি ৰাম ডেকাই। ইয়াৰ পিছত বিভিন্ন স্থানত গছপুলি ৰোপণ কৰে বহু কেইগৰাকী বিশিষ্ট সমাজ সেৱকে। অন্যহাতে কৃতীমান ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা সভা সঞ্চালনা কৰে সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ উপ-সভাপতি যোগেন ডেকাই। সভাত আমন্ত্ৰিত অতিথি আসন অলংকৃত কৰে সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবিন ডেকা। অসম শৰণীয়া কছাৰী সন্মিলনৰ সাধাৰণ সম্পাদক দামোদৰ ডেকা, অসম শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰীমঞ্চৰ সাধাৰণ সম্পাদিকা হিমাক্ষী শৰণীয়া, অসম শৰণীয়া কছাৰী সাহিত্য সভাৰ সম্পাদক বিনয় কুমাৰ দাস, আৰু ওদালগুৰি জিলা শৰণীয়া কছাৰী সাহিত্য সভাৰ সাধাৰণ সম্পাদক পৰশুৰাম ডেকা। সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ প্ৰায় পঞ্চাশ গৰাকী ছাত্ৰ-ছাত্ৰীক জাতীয় গামোচা কিতাপৰ টোপোলা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাৰ মাজতে শৰণীয়া কছাৰী জাতীয় নৃত্য পৰিৱেশন কৰি উপস্থিত ৰাইজৰ সমাদৰ লাভ কৰে স্থানীয় নৃত্যৰ দলটিয়ে। অন্যহাতে সভাত ভাষণ প্ৰসংগত দামোদৰ ডেকাই শৰণীয়া কছাৰী ছাত্ৰ- ছাত্ৰী সকল তুলনামুলক ভাবে অন্য জনজাতিৰ ছাত্ৰ-ছাত্ৰীতকৈ শিক্ষাৰ ক্ষেত্ৰত বহু পৰিমাণে দুৰ্বল হোৱাৰ একমাত্ৰ কাৰণ অভিভাবক সকল বুলি দোষাৰোপ কৰি অভিভাবক সকলৰ লগতে সমাজ তথা শৰণীয়া কছাৰী ছাত্ৰ সন্থাক এই ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। সভাৰ অন্তত অনুষ্ঠিত হয় ৰাজ্যিক ভিত্তিক বাম্বোলপিতা নৃত্য প্ৰতিযোগিতা। অসমৰ বিভিন্ন স্থানৰ বহু সংখ্যক দলে অনুষ্ঠানত অংশগ্ৰহণ কৰি জাতীয় পৰম্পৰা ৰক্ষা কৰে। অন্যহাতে উক্ত অনুষ্ঠানটি সঞ্চালনা কৰে অসম শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি লোকশ্ৰী সোণবৰ বৰুৱাই।

# ডিব্ৰুগড়ৰ 'অসম জ্যেষ্ঠ নাগৰিক সন্মিলন'ৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ আগষ্ট ঃ** ডিব্ৰুগড়ৰ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ জিলা সমিতিৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখনি ভাদৈ শাখা সমিতিৰ আতিথ্যত বকুলনীস্থিত নিপক'ৰ বিনোদন কেন্দ্ৰত অনুষ্ঠিত হয়। জিলাখনৰ ৩৮ গৰাকী কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া সদস্য-সদস্যা আৰু ১৬খন শাখাৰ সভাপতি, সম্পাদক উপস্থিত থকা সভাত সভাপতিত্ব কৰে জিলাৰ সভাপতি হেমকান্ত গগৈয়ে। নিপক'ৰ চিকিৎসা বিষয়া ডাঃ হালৈয়ে উদ্বোধন কৰা সভাৰ আৰম্ভণিতে ভাদৈ মহিলা সমাজে অসমৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ শীৰ্ষগীতটি পৰিৱেশন কৰে। ভাদৈ শাখাৰ সভাপতি বিৰেশ্বৰ গগৈয়ে আদৰণী ভাষণ আগবঢ়োৱা আৰু ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক কৃষ্ণ কান্ত বৰাই আতঁধৰা সভাত আগন্তুক ১ (এক) অক্টোবৰত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱসৰ আয়োজন, পুঁজি গঠন আৰু সাংগঠনিক দিশকে ধৰি বহুকেইটা বিষয় আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। সভাত ৰাজ্যিক প্ৰতিনিধি ৰুদ্ৰ গগৈ, কাৰ্তিক হাজৰিকা, বুদ্ধেশ্বৰ শইকীয়া আৰু ৰাতুল সোণোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকি গঠন মূলক পৰামৰ্শ আগবঢ়ায়। ডিব্ৰুগড় জিলাৰ কঠালগুৰি কাৰ্যালয়ৰ পৰিচালনাত সুবিধা বাবে নাহৰকটীয়াৰ কুল হাজৰিকাই এটা আলমাৰি কিনিবৰ বাবে পাঁচ হাজাৰ টকা আগবঢ়ায়। সভাত জিলাৰ সাংস্কৃতিক সম্পাদক ৰমেশ চন্দ্ৰ দাসৰ লগতে অন্যান্য সাংস্কৃতিক কৰ্মীসকলে গীত পৰিৱেশন কৰে। উক্ত সভাতে অহা ১ অক্টোবৰত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস টেঙাখাটত অনুষ্ঠিত কৰাৰ লগতে দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগা মুখপত্ৰৰ সম্পাদনা সমিতিৰ শাখা গঠন আৰু সক্ৰীয়কৰণ, বাৰ্ষিক কৰ্মসূচী আদিকে ধৰি বহকেইটা বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা লগতে উক্ত সভাতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সমিতিৰ নতুন উপদেষ্টা অন্তৰ্ভূক্ত কৰা হয়। শেষত বিৰেশ্বৰ গগৈয়ে নিপক'ৰ কৰ্তৃপক্ষ আৰু সভাত উপস্থিত থকা সকলোকে শলাগৰ শৰাই আগবঢ়ায়।

জ্ঞানশ্ৰী বৰাৰ নেতৃত্বত মৰিয়নি সমষ্টিত আৰম্ভ মানৱীয় পদক্ষেপ

# টিয়কত ৰাইজৰ দলৰ উদ্যোগত গৃহহীন মহিলাৰ বাবে নতুন ঘৰ

**অসম বাৰ্তা, চেলেংহাট, ২৯ আগষ্ট ঃ** বিধ্বংসী বানৰ ধ্বংসলীলাই যেতিয়া বহু পৰিয়ালৰ মূৰৰ ওপৰৰ চালিখনো কাঢ়ি লৈ গৈছে, তেনে সময়তে এগৰাকী অসহায় বানপীড়িত মহিলাৰ জীৱনলৈ নতুন আশাৰ পোহৰ কঢ়িয়াই আনিছে ৰাইজৰ দলৰ এক মানৱীয় উদ্যোগে। দলটোৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক জ্ঞানশ্ৰী বৰাৰ নেতৃত্বত মৰিয়নি সমষ্টিৰ বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ বাবে গৃহ নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই অভিযানৰ প্ৰথম পৰ্যায়ত মৰিয়নি সমষ্টিৰ দুই নং বাঁহবাৰী অঞ্চলত নিৰ্মাণ কৰা হৈছে এটি নতুন গৃহ। শেহতীয়াকৈ বানত গৃহ হেৰুৱাই অসহায় হৈ পৰা টীয়ক নগৰৰ সৰুভনী ভূমিজৰ বাবে নিৰ্মাণ কৰি দিয়া হৈছে এই গৃহটো। অকলশৰীয়া মহিলা গৰাকীৰ জীৱনৰ কঠিন সময়ত নতুনকৈ এটি সুৰক্ষিত আশ্ৰয় গঢ়ি দিয়াৰ এই প্ৰচেষ্টাই অঞ্চলটোত বিশেষ সঁহাৰি লাভ কৰিছে। উল্লেখযোগ্য যে, গৃহ নিৰ্মাণৰ এই মহৎ কাৰ্যত বিশেষ সহযোগিতা আগবঢ়াইছে মৰিয়নিৰ তিৰুৱালভেটা অঞ্চলৰ একাংশ উদ্যমী যুৱকে। স্বেচ্ছাশ্ৰম আৰু সামাজিক দায়বদ্ধতাৰ মনোভাবেৰে যুৱকসকলে এই গৃহ নিৰ্মাণ কাৰ্যত অংশগ্ৰহণ কৰি মানৱতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাটো কেৱল ৰাজনৈতিক বা সামাজিক দায়িত্ব নহয়, ই এক মানৱীয় অংগীকাৰ। বানৰ কৰাল গ্ৰাসত সৰ্বস্ব হেৰুওৱা এগৰাকী অকলশৰীয়া মহিলাৰ বাবে নতুন ঘৰ নিৰ্মাণৰ এই পদক্ষেপে সেই অংগীকাৰকেই বাস্তৱ ৰূপ দিছে। জ্ঞানশ্ৰী বৰাৰ নেতৃত্বত আৰম্ভ হোৱা এই গৃহ নিৰ্মাণ অভিযান আগন্তুক দিনত মৰিয়নি সমষ্টিৰ আন বান ক্ষতিগ্ৰস্ত আৰু গৃহহীন পৰিয়ালসমূহলৈও সম্প্ৰসাৰিত কৰা হ'ব বুলি ৰাইজৰ দলৰ নেত্ৰী গৰাকীয়ে প্ৰকাশ কৰে। বানৰ ধ্বংসস্তূপৰ মাজত এখন নতুন ঘৰ কেৱল বাঁহ, বেত, তাঁৰ আৰু টিনৰ সমষ্টি নহয়; ই এগৰাকী অসহায় মানুহৰ বাবে নতুনকৈ জীয়াই থকাৰ সাহস, নিৰাপত্তা আৰু ভৱিষ্যতৰ আশাৰ নাম। উল্লেখ্য যে, ৰাইজৰ দলৰ নেত্ৰী ড° জ্ঞানশ্ৰী বৰাই দুৰ্যোগৰ সময়ত ৰাজনীতিৰ ঊৰ্ধ্বত গৈ অসহায় লোকৰ কাষত থিয় দিয়া পদক্ষেপে বানপীড়িত অঞ্চলত কঢ়িয়াই আনিছে মানৱীয়তাৰ এক ইতিবাচক বাৰ্তা।

# দেৰগাঁৱত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস

**অসম বাৰ্তা, দেৰগাঁও, ২৯ আগষ্ট ঃ** মেজৰ ধ্যানচাঁদৰ জন্মদিন উপলক্ষে আজি দেৰগাঁৱৰ নৰেণ শৰ্মা স্মৃতি পথাৰত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। ক্ৰীড়া ভাৰতী, গোলাঘাট জিলা সমিতিৰ উদ্যোগত, দেৰগাঁও খণ্ডৰ সহযোগত আৰু দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্শ্বেল আৰ্টছ একাডেমিৰ সহযোগত আয়োজিত অনুষ্ঠানত ক্ৰীড়াৰ প্ৰতি যুৱ প্ৰজন্মক উৎসাহিত কৰাৰ লগতে ভাৰতীয় পৰম্পৰাগত সমৰকলাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ক্ৰীড়া ভাৰতী, গোলাঘাট জিলা সমিতিৰ সম্পাদক তথা একাডেমিখনৰ কাৰিকৰী নিৰ্দেশক ৰমেশ বৰাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে ভাৰত মাতা আৰু হনুমানজীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ গোলাঘাট নগৰ কাৰ্যবাহক বিশালজ্যোতি দত্তই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জিলা প্ৰচাৰক দীপাঙ্কৰ গগৈয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ব্যক্তিৰ শাৰীৰিক-মানসিক বিকাশৰ লগতে এখন সুস্থ আৰু শৃংখলাবদ্ধ সমাজ গঠনত ক্ৰীড়াৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। দেৰগাঁও ডেভলপমেণ্ট অথৰিটীৰ সভাপতি তথা ক্ৰীড়া সংগঠক ৰাজমোহন শৰ্মাই ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মক নিয়মীয়া ক্ৰীড়া অনুশীলনৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ৬৯সংখ্যক National School Games-ত কালাৰিপায়াত্তুত পদক অৰ্জন কৰা উজ্জ্বল কুমাৰ দাসক সম্ভাষণ জনোৱা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্শ্বেল আৰ্টছ একাডেমিৰ প্ৰশিক্ষাৰ্থীসকলৰ সমৰকলা প্ৰদৰ্শন। তেওঁলোকে কালাৰিপায়াত্তুৰ বিভিন্ন দলীয় কৌশলৰ লগতে কাৰাটেৰ ছন্দবদ্ধ কৌশল 'Kata' প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। অনুষ্ঠানত দেৰগাঁও পৌৰসভাৰ উপ-পৌৰপতি শুভাঙ্কৰ ঘোষ, পুৰুষোত্তম বসুমতাৰীসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, ক্ৰীড়াবিদ আৰু ক্ৰীড়া অনুৰাগী উপস্থিত থাকে। পৰম্পৰাগত সমৰকলাৰ ঐতিহ্য আৰু আধুনিক ক্ৰীড়াৰ সুন্দৰ সমন্বয়েৰে অনুষ্ঠিত অনুষ্ঠানটোৱে দেৰগাঁৱৰ ক্ৰীড়া মহলত উৎসাহৰ সৃষ্টি কৰে।

# আমগুৰিত বানাক্ৰান্তক আৰ্থিক সাহায্য আৰু ছাত্ৰ-ছাত্ৰীলৈ শিক্ষা সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, চেলেংহাট, ২৯ আগষ্ট ঃ** যোৱা ১৯ জুলাই তাৰিখে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ দিচাং, দিখৌ, জাঁজী, টাউকাক, দৰিকা আদি নদীৰ প্ৰলয়ংকাৰী বলীয়া বানে জিলা কেইখনৰ বহু অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰাৰ পিছত দুৰ্গত সকলৰ কাষত থিয় দিছে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান আৰু ব্যক্তিবিশেষ। এই ধাৰা অব্যাহত ৰাখি অসম জ্যেষ্ঠ নাগৰিক সন্মিলন কেন্দ্ৰীয় সমিতিৰ উদ্যোগত জিলা আৰু শাখা সমিতিসমূহৰ সহযোগত প্ৰভাৱিত অঞ্চলসমূহত বহু ব্যক্তিক আৰ্থিক সাহায্য আগবঢ়াই গৈছে। অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্তৰ্ভুক্ত আমগুৰি শাখা সমিতিৰ বিষয়ববীয়া সদস্যসকলৰ সহযোগত স্থানীয়ভাৱেও আমগুৰিৰ ভালেকেইজন ব্যক্তিক কিছু অৰ্থসাহায্য প্ৰদান কৰা হয়। ইয়াৰোপৰি অঞ্চলটোৰ তিনিখন বিদ্যালয় ১নং আমগুৰি প্ৰাথমিক বিদ্যালয়, আউনীআটী বিষ্ণুদেৱ এম. ই. স্কুল আৰু চাউদাং গাঁও এম. ভি. স্কুলত বানে বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুল বেগ, বহী আৰু কলম, পেঞ্চিল আদি বিতৰণ কৰা হয়। উক্ত সাহায্য প্ৰদান অনুষ্ঠানত আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ড° অনিল গগৈ, কাৰ্যকৰী সভাপতি বিমল শইকীয়া, উপ-সভাপতি যোগেশ কিশোৰ ফুকন, সম্পাদক সুনীল কোঁৱৰ, সহ সম্পাদক ৰুবুল দুৱৰা, প্ৰচাৰ বিভাগৰ আহ্বায়ক পুলিন বৰঠাকুৰ, সাহিত্য-সাংস্কৃতিক বিভাগৰ আহ্বায়ক হিৰণ্য দুৱৰা, প্ৰাক্তন সম্পাদক প্ৰফুল্ল নেওগ আৰু ৰমেন চেতিয়া, বিষয়ববীয়া সদস্য বিকুল গগৈ, চন্দন গগৈ, বিনোদ শইকীয়া, মৃগেন নেওগৰ উপৰিও অসম জ্যেষ্ঠ নাগৰিক সন্মিলন ৩ নং মণ্ডলৰ প্ৰতিনিধি প্ৰমোদ বৰুৱাই অংশগ্ৰহণ কৰে।

# হাজোত সুৰেন দাস মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, হাজো, ২৯ আগষ্ট ঃ** হাজোৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উলহ-মালহেৰে মহাবিদ্যালয় চৌহদত উদ্‌যাপন কৰা হয়। পুৱাৰে পৰা দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে মহাবিদ্যালয় প্ৰাংগণত এই বিশেষ দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী হিচাপে পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আনুষ্ঠানিকভাৱে পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়খনৰ ভৱন দাতা প্ৰয়াত সুৰেন দাসৰ প্ৰতিচ্ছবিত গভীৰ শ্ৰদ্ধাৰে মাল্যাৰ্পণ কৰা হয়। দুপৰীয়া ১২ বজাত মহাবিদ্যালয় প্ৰাংগণত "জ্ঞানৰ পোহৰেৰে ৪৮ বছৰ" শীৰ্ষক এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ শৈক্ষিক যাত্ৰাৰ ভূয়সী প্ৰশংসা কৰে। নিজৰ ভাষণত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয়, "গ্ৰাম্যাঞ্চলৰ শিক্ষাৰ্থীক উচ্চ শিক্ষাৰে আলোকিত কৰাৰ ক্ষেত্ৰত সুৰেন দাস মহাবিদ্যালয়ে বিগত ৪৮ বছৰে যি অনবদ্য অৱদান আগবঢ়াই আহিছে, সেয়া অত্যন্ত প্ৰশংসনীয়। মহাবিদ্যালয়খনক অধিক উন্নত আৰু আধুনিক ৰূপত গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ আন্তঃগাঁথনিমূলক সহযোগিতা আগবঢ়োৱা হ'ব।" তাৰ লগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতা আৰু নিষ্ঠাৰে শিক্ষা গ্ৰহণ কৰি অঞ্চলটোৰ নাম উজ্জ্বল কৰিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য বিৰিঞ্চি কুমাৰ দাস, অৱসৰপ্ৰাপ্ত বন বিষয়া মোহন চন্দ্ৰ মালাকাৰ আৰু হাজো ৰাইজ সমিতিৰ সভাপতি নৃপেন কুমাৰ দাস। বিশিষ্ট অতিথিসকলে তেওঁলোকৰ ভাষণত মহাবিদ্যালয়খনৰ বিগত চাৰিটা দশকৰো অধিক সময়ৰ উজ্জ্বল ঐতিহ্য সোঁৱৰণ কৰে। সন্ধিয়া মহাবিদ্যালয় চৌহদত বন্তিপ্ৰজ্বলন কাৰ্যসূচীৰে দিনজোৰা প্ৰতিষ্ঠা দিৱসৰ সফল সামৰণি মৰা হয়।

৭৫ হেক্টৰ ভূমিত বাঁহৰ প্লাণ্টেশ্যন, স্বাক্ষৰিত গুৰুত্বপূৰ্ণ চুক্তি

# গোৱালপাৰাত বন বিভাগ আৰু গাঁওবাসীৰ যৌথ পদক্ষেপ

**অসম বাৰ্তা, কৃষ্ণাই, ২৯ আগষ্ট ঃ** বন সংৰক্ষণৰ লগতে স্থানীয় ৰাইজৰ অৰ্থনৈতিক স্বাৱলম্বিতা নিশ্চিত কৰাৰ লক্ষ্যৰে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ দায়ৰং অঞ্চলত বন বিভাগ আৰু স্থানীয় ৰাইজৰ যৌথ উদ্যোগত এক ব্যতিক্ৰমী বাঁহ প্লাণ্টেশ্যন প্ৰকল্প ৰূপায়ণ কৰা হৈছে। ইতিমধ্যে প্ৰায় ৭৫ হেক্টৰ ভূমিত বাঁহৰ প্লাণ্টেশ্যন সম্পন্ন কৰা হৈছে। এই প্ৰকল্পৰ সুফল স্থানীয় ৰাইজে লাভ কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে বন বিভাগ আৰু দায়ৰং যৌথ বন পৰিচালনা সমিতি (JFMC)-ৰ মাজত এক গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়। আজি দায়ৰং শংকৰদেৱ শিশু বিদ্যা নিকেতন প্ৰাংগণত জিলা বন বিষয়া তেজাছ মৰিস্বামীৰ উপস্থিতিত অনুষ্ঠিত এক অনুষ্ঠানত স্থানীয় গাঁওবাসীক প্ৰকল্পটোৰ বিভিন্ন দিশ, ৰাইজৰ ভূমিকা আৰু আইনী অধিকাৰ সম্পৰ্কে অৱগত কৰা হয়। চুক্তি অনুসৰি নন-টিম্বাৰ ফৰেষ্ট প্ৰডাক্ট (NTFP) হিচাপে বাঁহ বিক্ৰীৰ পৰা লাভ কৰা ৰাজহৰ ১০০ শতাংশ দায়ৰং JFMC-এ লাভ কৰিব। ৰোপণ কৰা বাঁহসমূহ প্ৰায় ৪ৰ পৰা ৫ বছৰৰ ভিতৰত সংগ্ৰহৰ উপযোগী হোৱাৰ সম্ভাৱনা আছে। বন বিভাগৰ মতে, ভৱিষ্যতে ইথানল উৎপাদন, কাগজ উদ্যোগ আদি বিভিন্ন ক্ষেত্ৰত বাঁহৰ চাহিদা বৃদ্ধি পাব। লগতে এই বাঁহ প্লাণ্টেশ্যনে পৰিৱেশ সংৰক্ষণৰ লগতে হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি আশা কৰা হৈছে। অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তিৰ লগতে কৃষ্ণাই আঞ্চলিক বন বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাও উপস্থিত থাকে। বন সংৰক্ষণ, হাতী-মানুহৰ সংঘাত হ্ৰাস আৰু স্থানীয় ৰাইজৰ অৰ্থনৈতিক স্বাৱলম্বিতাক লক্ষ্য কৰি আৰম্ভ হোৱা এই প্ৰকল্পক গোৱালপাৰা জিলাৰ এক নতুন আৰু আদৰ্শমূলক আৰ্হি হিচাপে অভিহিত কৰা হৈছে।

# ডিব্ৰুগড়ত ৰাখী বন্ধনৰ পবিত্ৰ দিনটোত আশা বৃদ্ধাশ্ৰমত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ আগষ্ট** ৰাখী বন্ধনৰ পৱিত্ৰ দিন উপলক্ষে ডিব্ৰুগড়ৰ "আশা বৃদ্ধাশ্ৰম"ত উপস্থিত হৈ আশ্ৰমৰ মাতৃ সকলৰ সৈতে সময় কটালে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই উপলক্ষে ডিব্ৰুগড় স্থিত হাতীমূৰা বৃদ্ধাশ্ৰমত থকা মাতৃসকলক বিছনা, লেপ-তুলি, গাৰু, বিভিন্ন খাদ্য সামগ্ৰী আৰু বস্ত্ৰকে ধৰি প্ৰয়োজনীয় সামগ্ৰী আদি আগবঢ়ায়। মাতৃ সকলৰ সৈতে আন্তৰিকভাৱে মত-বিনিময় কৰাৰ লগতে তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। আশ্ৰমখনৰ সেৱা- শুশ্ৰূষাৰ প্ৰশংসা কৰি তেওঁ কয় যে ২০২০ চনৰ পৰাই মঞ্জুলা বৰুৱাৰ নেতৃত্বত আশা বৃদ্ধাশ্ৰমে বিভিন্ন ঠাইৰ পৰা অহা মাতৃসকলক সেৱা-শুশ্ৰূষা আৰু আশ্ৰয় প্ৰদান কৰি আহিছে। মাতৃসকলক জীৱনৰ শেষ সময়-ছোৱাত যত্ন, মৰম আৰু মৰ্যাদা প্ৰদান কৰাটো সন্তান হিচাপে সকলোৰে দায়িত্ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, "মাতৃ সকলতকৈ ডাঙৰ গুৰু আন কোনো হ'ব নোৱাৰে"। বৃদ্ধাশ্ৰমৰ মাতৃসকলৰ সান্নিধ্য লাভ কৰি তেওঁলোকৰ চৰণত মূৰ দোৱাই আশীৰ্বাদ গ্ৰহণ কৰি অত্যন্ত আনন্দিত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। আশা বৃদ্ধাশ্ৰমৰ নিৰ্মাণ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত আগন্তুক দিনত চৰকাৰীভাৱে তথা ব্যক্তিগতভাৱেও সম্ভৱপৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে সোণোৱালে। মন্ত্ৰী গৰাকীৰ আগমনে আশ্ৰমৰ মাতৃ সকলৰ মাজতো সৃষ্টি কৰে আনন্দৰ পৰিৱেশ। আশ্ৰমত থকা কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ শৈশৱ কৈশোৰৰ বন্ধু (বৰ্তমান প্ৰয়াত) মাতৃ তথা চাবুৱাৰ এগৰাকী বিশিষ্ট প্ৰয়াত চিকিৎসকৰ পত্নীয়ে কয় যে, পুত্ৰৰ মৃত্যুৰ পাছত ঘৰত অকলে থাকিবলগীয়া হোৱাত আৰু ঘৰ-দুৱাৰো জৰাজীৰ্ণ হৈ পৰাত তেওঁ বৃদ্ধাশ্ৰমলৈ আহে। মন্ত্ৰীগৰাকীসহ অহা লোকসকলে তেওঁৰ সৈতে কথা পতা আৰু মৰম-স্নেহ দেখুওৱাত তেওঁ আনন্দিত হোৱা বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি আইগৰাকীৰ পুৰণি স্মৃতি সোঁৱৰণ কৰি আবেগিক হৈ পৰে। নিজৰ প্ৰয়াত পুত্ৰৰ হাইস্কুল আৰু কলেজীয়া দিনত এগৰাকী অন্যতম বন্ধু আছিল সৰ্বানন্দ সোণোৱাল। এসময়ত আৰ্থিকভাৱে সচ্ছল নথকা আৰু তেওঁৰ পুত্ৰৰ সৈতে ব্যৱসায় কৰা সৰ্বানন্দ আজি প্ৰতিষ্ঠিত হৈও তেওঁক পাহৰা নাই। খবৰ ল'বলৈ অহা আৰু মৰম-স্নেহ আগবঢ়োৱাৰ বাবে মনৰ পৰা আশীৰ্বাদ দিয়ে আইগৰাকীয়ে। ৰাখী বন্ধনৰ দিনটোত আগবঢ়োৱা বিছনা-পত্ৰ, লেপ-তুলী, কাপোৰ-কানি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ সহায়ে আশ্ৰমৰ মাতৃসকলৰ মাজত আনন্দৰ সৃষ্টি কৰে। মৰম, সন্মান আৰু আপোনত্বৰ এই পদক্ষেপে ৰাখী বন্ধনৰ মানৱীয় বাৰ্তাক অধিক অৰ্থবহ কৰি তোলে। মন্ত্ৰী গৰাকীৰ সৈতে ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা আৰু অসম পেট্ৰ' কেমিকেলৰ বিকুল ডেকা উপস্থিত থাকে।

ডি বি আই সোণাপুৰ দলৰ ছেমিফাইনেলত প্ৰৱেশ

# নলবাৰীৰ চামতাত ৪৬ সংখ্যক নৰোৰাম বৰ্মন ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, চামতা, ২৯ আগষ্ট ঃ** সৰ্বভাৰতী ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অইল ইণ্ডিয়া লিমিটেড নয়দা, উত্তৰ প্ৰদেশ এন আৰ এল গুৱাহাটীৰ অৰ্থ সাহায্যত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ পৰিচালনাত ৪৬ সংখ্যক নৰোৰাম বৰ্মন ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেলত ডি বি আই সোণাপুৰ দলে ৩-২ গলৰ ব্যৱধান অসম পুলিচ এফ চি দলক পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। আজিৰ খেলৰ প্ৰথমাৰ্ধত অসম পুলিচ এফ চি দলৰ হৈ জিতেন্দ্ৰ বৰদলৈয়ে খেলৰ ১ মিনিট আৰু ১৫ মিনিটত দুটাকৈ গ'ল দি দলক অগ্ৰগতি দিয়ে যদিও ডি বি আই সোণাপুৰ দলৰ মিলাৰে ১৯ মিনিটত ১ গল দি দলক ২-১ গ'ললৈ ব্যৱধান হ্ৰাস কৰে। খেলৰ দ্বিতীয়াৰ্ধত ডি বি আই সোণাপুৰ দলৰ ৰ'বাৰ্টে ১ মিনিট আৰু মিলাৰে ২৭ মিনিটত গ'ল দি দলক ২-৩ গ'ল বৃদ্ধি কৰি জয় লাভ কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। আজিৰ খেলখন উদ্বোধন কৰে গুৱাহাটীৰ বিশিষ্ট ব্যৱসায়ী তথা ভয়ৰা নিৱাসী চৰিফুল হ'কে। বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চবিৰ আহমেদ। আজিৰ খেলখন পৰিচালনা কৰে মনিপ্ৰিঞ্চ হাজৰিকা, নৱজিৎ কলিতা, মইদুল ইছলাম আৰু গকুল দাসে। কাইলৈ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত দণ্ডীচৰণ ডেকা এফ.চি. বঙাইগাঁও দলৰ বিৰুদ্ধে নৰ্থ-ইষ্ট ইউনাইটেড এফ.চি., গুৱাহাটী দলে প্ৰতিদ্বন্দ্বিতা কৰিব।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন